# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE EIGHTH GENERAL
ELECTIONS UNDER THE SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF
INDIA.

## BUDGET SESSION

VOLUME—II

No. 7

THE 20TH MARCH 1986

सत्यमेव जयते

**1986**

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE EIGHTH GENERAL
ELECTIONS UNDER THE SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF
INDIA.

## BUDGET SESSION

VOLUME—II

No. 7

THE 20TH MARCH 1986

सत्यमेव जयते

**1986**

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

( Budget Session )

Volume—II

No. 7

Dated, the 20th March, 1986.

Contents | Page


| | | |
|---|---|---|
| 1. | Questions ... ... ... | 1 |
| 2. | Voting on Demands for grants ... | 45 |
| 3. | Calling Attention ... ... | 98 |
| 4. | Matter under Rule 301 ... ... | 99 |
| 5. | Adjournment ... ... ... | 103 |

PROCEEDINGS OF THE BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday, the 20th March, 1986 with the Hon'ble Speaker in the Chair, 14 (fourteen) Ministers 6 (six) Ministers of state, and 89 (eightynine) Members present.

## ASSAM LEGISLATIVE ASSEMBLY

### STARRED
### QUESTIONS AND ANSWERS

Date : 20th March, 1986

বিঃ নেঘেৰিবিলত জলসিঞ্চনৰ প্ৰকল্প।

শ্ৰীদেবেশ্বৰ ৰবাই সুধিছে :—

*৫১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নেঘেৰিবিল কছাৰীহাট আদিত জলসিঞ্চন বিভাগে লোৱা প্ৰকল্প কিমান দূৰ আগ বাঢ়িছে জনাবনে ?

(খ) এই প্ৰকল্প সমূহত ধাৰ্য্য কৰা টকাৰ পৰিমান কিমান ?

শ্ৰীভৰত নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫১। (ক)—কছাৰীহাট মৌজাৰ চকলীয়া পথাৰ গভীৰ নলী-নাদ আঁচনিৰ কাম ৬০ ভাগ আগ বাঢ়িছে। নেঘেৰিবিলত কোনো প্ৰকল্পৰ কাম হাতত লোৱা হোৱা নাই।

(খ)—কছাৰীহাট গভীৰ নলী-নাদ আঁচনিৰ কাৰণে ১৯৮০ চনত ৩৪,১০,৯০০.০০ টকাৰ প্ৰশাসনিক অনুমোদন দিয়া হৈছিল।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, নেঘেৰিটিং জলসিঞ্চন প্ৰকল্পৰ কাম এইবাৰ বিক্তিয় বছৰতে আৰম্ভ কৰিবনে, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন মন্ত্ৰী) : পোনপতিয়া উত্তৰটো মই এতিয়াই দিব নোৱাৰিম, কিন্তু এই প্ৰকল্পৰ কাম হাতত ললে যদি কৃষকৰ প্ৰকৃত উপকাৰ হয় তেতিয়া হ'লে আমি সোনকালে ইয়াৰ কাম হাতত লম।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয় কছাৰীহাতত যি গভীৰ নলীনাদ আঁচনিৰ কাৰণে টকা দিয়া হৈছে সেই টকা আচলতে ভালকৈ খৰচ হোৱা নাই বুলি বাতৰি কাকতটো ওলাইছে। ইয়াৰ অনুসন্ধান ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই টকাখিনি ভালকৈ খৰচ হোৱা নাই বুলি কোনো অভিযোগৰ তথ্য-পাতি এতিয়ালৈকে মোৰ হাতত পৰা নাই। অভিযোগ পালে নিশ্চয় বিচাৰ কৰি চাম।

## বি : চাহ বাগিছাৰ এল, পি স্কুল

শ্ৰীনৰেণ তাঁতিয়ে সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

৫২। (ক) অসমৰ চাহ বাগিছা সমূহত কিমানখন এল, পি স্কুল আছে ?

(খ) স্কুল সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি দিয়াৰ কিবা নিয়ম আছেনে ?

(গ) যদি আছে, কেনে ধৰণৰ জনাবনে ?

(ঘ) উক্ত বিদ্যালয় সমূহত সেই নিয়ম ৰক্ষা কৰা হৈছেনে ?

(ঙ) যদি নাই হোৱা, কেনে ব্যৱস্থা লোৱাৰ কথা চিন্তা কৰিছে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫২। (ক)—অসমৰ চাহ বাগিছা সমূহত ৮১১ খন এল পি স্কুল আছে।

(খ)—প্ৰাদেশীকৰণ কৰা প্ৰাথমিক বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি দিয়াৰ নিয়ম আছে। কিন্তু চাহ বাগিছা কৰ্তৃপক্ষই পৰিচালনা কৰা প্ৰাথমিক বিদ্যালয়ৰ নিযুক্তি চাহ বাগিছা কৰ্তৃপক্ষই দিয়ে।

(গ)—প্ৰশ্ন নুঠে।

(ঘ)—প্ৰাদেশীকিকৰণ বিদ্যালয় সমূহত পুঁজি সাপেক্ষে এই নিয়ম ৰক্ষা কৰা হৈছে।

(ঙ)—প্ৰশ্ন নুঠে।

শ্ৰীনৰেণ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰীয়ে উত্তৰ দিছে যে, চাহ বাগান কতৃপক্ষই যি বিলাক স্কুল পৰিচালনা কৰে, সেই বিলাকৰ শিক্ষক নিযুক্তি বাগান কতৃপক্ষই কৰে। মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে কিমান খন চাহবাগানত এল, পি স্কুলৰ শিক্ষক বাগান কতৃপক্ষই নিযুক্তি দিছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসমৰ চাহবাগান সমূহত মুঠ ৮১১ খন এল, পি স্কুল আছে। তাৰ ভিতৰত ৩০০খন অবিভক্ত কাচাৰক লৈ। আন আন স্কুলত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যি নীতি নিয়ম বাহাল আছে সেই নীতি নিয়ম মতেই শিক্ষক নিযুক্তি দিয়া হয় বাকী ৫১১ খন চাহবাগান কতৃপক্ষৰ পৰিচালনাত আছে আৰু চাহবাগানত কতৃপক্ষৰ নিয়মমতে তাত তেওঁলোকে শিক্ষক নিযুক্তি দিয়ে।

শ্ৰীনৰেন তাঁতী : অধ্যক্ষ মহোদয়, বাগানৰ স্কুলসমূহ চৰকাৰী কৰণ সম্পৰ্কে চৰকাৰে বিবেচনা কৰিছেনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহেদয়, আমি এই বিলাক কথা বিবেচনা কৰি আছো। প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা সকলো স্তৰতে সাৰ্বজনীন কৰিবলৈ বিচৰা হৈছে একেদৰেই বাগান সমূহটো ইয়াক সম্প্ৰসাৰণ কৰিবলৈ বিবেচনা কৰা হৈছে।

শ্ৰীচিলভিয়াচ কন্দপান : অধ্যক্ষ মহোদয়, চাহবাগানৰ স্কুলসমূহ চৰকাৰৰ কতৃতলৈ অনাৰ আগতে সেই স্কুলসমূহ পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি গভীৰ উদ্বেগেৰে এই কথা লক্ষ্য কৰিছো যে চাহবাগান সমূহৰ প্ৰাথমিক শিক্ষা বা অন্যান্য শিক্ষাৰ ব্যাপক প্ৰসাৰ হোৱা নাই। সেয়ে ইতিমধ্যে মই কৈছো যে এই বিষয়টোৰ প্ৰতি চৰকাৰে গভীৰ উদ্বেগেৰে লক্ষ্য কৰি ইয়াৰ বহুল প্ৰসাৰৰ বাবে বিবেচনা কৰি আছে।

শ্ৰীঅভিজিত শৰ্মা : অধ্যক্ষ মহোদয়, আগৰ চৰকাৰখনে চাহবাগানত থকা স্কুল সমূহৰ লৰা-ছোৱালীৰ দুপৰীয়া খোৱা ভাতৰ কাৰণে ২ মাহ মান আহাৰ যোগান ধৰি ভেকুভাওনা কৰা হল । এতিয়া সেই ব্যৱস্থা সম্পূৰ্ণ বন্ধ হৈ গল। এই বিষয়ে চৰকাৰে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা বিষয়টো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে আৰু ইয়াৰ বাবে আমি ব্যৱস্থা লম।

**Re: Water Supply in Durgapur Sub-Centre**

**Shri Altaf Hussain Mazumder asked.**

*53. Will the Minister, Health be pleased to state–

(a) Is the Government aware that there is no water facility for running the Sub-Centres at Durgapur and Kalinagar (Kumarpilla) in Silchar Civil Sub-Division ?

(b) If so, will the Government direct for immediate arrangement of water ?

**Re: Shri Profulla Kumar Mahanta (Chief Minister) replied ;**

53. (a)—Yes.

(b)—Yes.

**Shri : Altaf Hussain Mazumder :**

Mr. Speaker, Sir, to my personal information, as I visited the site a few days ago there is no arrangement of water at Durgapur and at Kalinagar there is an old well but it is ineffective. Water does not come out by that well. Will the Hon'ble Chief Minister kindly ask the department to look in to it because the Chief Minister has been supplied with wrong information by the Department.

**Shri Prafulla Kumar Mohanta, C. M. :**

At Durgapur there is inadequate water as also at Kalinagar and attempt is being made to draw water through deep tube well. The matter is under examination by the construction agency and in case they face any difficulty in providing wells necessary steps will be taken for alternative arrangements.

**Re : Advisory Council of Plains Tribes**

**Shri Binay Kumar Basumatari asked :**

54. Will the Minister, Welfare of Plains Tribes etc. be pleased to state—

(a) Whether the advisory Council for plain tribes of Assam Constituted a sub-Committee during 1983-84 to look into the harrashment meted out of the plains Tribal people living in Forest Reserves and Forest Villages of Assam?

(b) Whether the Sub-Committee had Submitted its report ?

(c) If so, whether Government proposes to accept the recommendations ?

(d) If not, why ?

**শ্রী**ভৰত চন্দ্র নবহ ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা কল্যান দপ্তৰ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

৫৪ (ক)—এই উপ সমিতিখন ভৈয়াম জনজাতিৰ ২৩ আৰু ২৪ মে, ১৯৮৪ (চনৰ) তাৰিখত বহা মিটিংৰ সিদ্ধান্ত অনুযায়ী চৰকাৰে ২৫-৫-৮৪ তাৰিখত গঠন কৰিছিল।

(খ)—হয়।

(গ)—এই ক্ষেত্রত চৰকাৰে এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই।

(ঘ) —এই উপ সমিতিৰ প্রতিবেদন ভৈয়াম জনজাতি উপদেষ্টা সমিতিৰ বৈঠকত সন্মতিৰ বাবে দাখিল কৰিব পৰা হোৱা নাই। কিয়নো উপদেষ্টা সমিতিৰ বৈঠক যোৱা ৮-১-৮৫ ইং তাৰিখৰ পৰা হোৱা নাই।

**Shri Binay Kumar Basumatari :**

Will the Hon'ble Minister enlighten us what are the recommendation of the Sub Committees ?

শ্ৰীভৰত চন্দ্ৰ নৰহ :-(মন্ত্ৰী) অধ্যক্ষ মহোদয়, উপ-সমিতিয়ে দাখিল কৰা প্ৰতিবেদন খন আমাৰ হাতত আছে কিন্তু প্ৰতিবেদন সমিতিৰ কাৰণে ভৈয়ামৰ জনজাতিৰ উপদেষ্টা কমিটিৰ সভা অনুষ্ঠিত কৰিব পৰা নাই।

**Shri Binai Kumar Basumatari :**

Sir, I think my question was very clear. What were the recommendations placed by the Sub Committee?

Mr. Speaker : It is to be placed before the Advisory Board

**Re : Selection of Chief Engineer, P.H.E.**

**Shri Shahidul Islam asked :**

55. Will the Minister, Public Health Engineering be pleased to state—

(a) Whether it is a fact that the present Chief Engineer PHE. was not selected initially by the Selection Board for the post he has been holding?

(b) Is it a fact that the present Chief Engineer (PHE) superseded several senior officers and if so, the action taken by Government in this regards?

(c) Is it a fact that the said Chief Engineer under went special training in water Polution through World Health Organisation?

(d) If so, why he has not been posted in the Water Polution Board, Assam?

**Shri Digen Chandra Bora (Minister, Public Health Engineering) replied :**

55.(a)—No.

(b)—Yes.

(c)—He received training in water Supply & Sewerage Practices under Colombo Plan.

(d)—Does not arise.

শ্ৰীচাহিদুল ইচলাম ঃ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে, গুৱাহাটীৰ পলিউচন বৰ্ডৰ এজন যোগ্যতা সম্পন্ন ব্যক্তিক পদ দিয়া হোৱা নাই আৰু ১৫ বছৰ ধৰি একেটা পদতে ৰখা হৈছে। এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীদিগেন বৰা :—(মন্ত্ৰী) অধ্যক্ষ মহোদয়, পাবলিক হেলথৰ চিফ ইঞ্জিনীয়াৰৰ সমকক্ষ কোনো পদবী আমাৰ ইয়াত নাই সেয়ে তেখেতক বদলি কৰিব পৰা কোনো ব্যৱস্থা আমাৰ বিভাগত নাই। দ্বিতীয়তে প্ৰশ্নৰ উত্তৰত কৈছো যে, গুৱাহাটী পলিউচন বৰ্ডৰ বিষয়টো পাবলিক হেলথৰ ভিতৰত নপৰে সেই কাৰণে তেখেতক বদলি কৰিব পৰা নহয়।

শ্ৰীচাহিদুল ইচলাম :—অধ্যক্ষ মহোদয়, এই বিভাগৰ এই পদবীৰ পদোন্নতিৰ যি বন্ধ হৈ আছে সেইটোৰ কিবা ব্যৱস্থা কৰিবনে ? আমাৰ আপাৰ অসমৰ যে পানীৰ বাবে বহুতো মানুহৰ বেমাৰ আদি হোৱাৰ উপৰিও বহুতো জীৱ জন্তুৰ বেমাৰ হৈছে তাৰ ব্যৱস্থা কৰিবনে ?

মাঃ অধ্যক্ষ :—সেইটো বেলেগ প্ৰশ্ন।

শ্ৰীগুনিন হাজৰিকা :—অধক্ষ্য মহোদয়, জনস্বাস্থ্য বিভাগৰ অতিৰিক্ত অভিযন্তা আৰু মুখ্য অভিযন্তাই বহুতো ওৱৰ্ক চাৰ্জ লেবাৰ নিয়োগ কৰা কথা মন্ত্ৰী মহোদয়ে জানেনে ? আৰু তেখেতক বদলি কৰাৰ পিছতো তিনিবাৰকৈ স্থগিতকৰণ কথাটো সঁচানে ?

শ্ৰীদিগেন বৰাঃ—(মন্ত্ৰী) অধ্যক্ষ মহোদয় এইটো এটা বেলেগ প্ৰশ্ন।

**Shri** A.F. **Gulam Osmani**;

Mr. Speaker, Sir, the Minister-in-charge, P.H.E. said that the Chief Engineer P. H. E. is posted in such a post that he cannot be taken to any other department. Is aware of the fact that the senior incumbents of the Engineering Departments are placed in departments inter so such as Chief Engineer public works Department can very well be placed in the public Health Engineering or Irrrigation Departments. The Secretary, P. W. D. was very much placed as Secretary Irrigation. So, I would like to know whether he is aware of this fact that the higher level Executive post holders in Engineering Departments are interchangeable ?

শ্ৰীদিগেন বৰা :—(মন্ত্ৰী) এই অৱস্থাত চৰক ৰে এই কথা বিবেচনা কৰা নাই ।

**Re : Survey of Char Area**

**Shri Abdul Jalil** asked :

* 56. Will the Minister, Revenue be pleased to state—

(a) The steps taken by Government to survey the Char areas of the Brahmaputra ?

(b) Whether Government proposes to survey the rate of erosion, frequent disappearance and reappearance of land uncertainity of living conditions and lack of development in the areas ?

**Shri Thaneswar Boro (Minister, Revenue)** replied :

56. (a)—The concerned Deputy Commissioners and Sub Divisional Officers have been instructed to carryout the survey of the Chars.

(b)—No such proposal is under consideration at present.

**Dewan Joinal Abedin** : Mr. Speaker, sir, will the Hon'ble Minister Revenue let us know whether the proposed survey of the char areas are proposed to be cadastral survey or block survey ?

শ্ৰীথানেশ্বৰ বড়ো :—[ মন্ত্ৰী ] অধ্যক্ষ মহোদয়, তেখেতৰ উত্তৰত মই কথা বিচাৰিছো যে, আমাৰ দি, চি আৰু এস, ডি, অ, সকলক চাৰ্ভে কৰিবলৈ দিয়া হৈছে ।

**Shri Joinal Abedin** :

Is the Minister aware of the fact that it is difficult to survey there char areas as occasionally chars disappears and as a result it becomes difficult on the part of the settlement Deptt. to locate the chars for which a cadastral survey is necessary ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :—চৰ বিলাকত সাধাৰণতে বেচাৰেল হয় আৰু নেচাৰেল হলে কেডেচট্ৰেল চাৰ্ভে কৰিব পাৰি । কিন্তু যেতিয়া চৰ বিলাক টেম্পোৰাৰী হয় । যেনে :—বৰহাটা, ছয়গাওঁ ইত্যাদি তেনে-ক্ষেত্ৰত চাৰ্ভে কৰা অসুবিধা হয় । কিয়নো তাত প্ৰায়েই ইৰোচন হৈ থাকে । গতিকে জাক চাৰ্ভে কৰা হৈছে ।

**Shri AF Ghulam Osmani :**

with what objective this survey is carried out ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :—এই বিলাক চাৰ্ভে কোনো দিনেই হোৱা নাছিল। এতিয়া নতুন চৰকাৰৰ দিনত চাবলৈ বিচৰা হৈছে কিমান চৰ আছে আৰু সেই চৰ বিলাকত কিমান মানুহ আছে। এই কথা বিলাক চাব লাগিব। তাৰ পাচতহে চেটেলমেণ্ট সম্পৰ্কে বা অন্যান্য যিবিলাক ঘৰবাৰী আছে বা খেতি বাতি কৰিব পৰা ব্যৱস্থা আছে সেই বিলাক চোৱা হৈছে।

### বিঃ কৃষি উদ্যোগ নিগমৰ মুখ্য কাৰ্য্যালয়

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

৫৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম কৃষি উদ্যোগ নিগমৰ মুখ্য কাৰ্য্যালয় ভৱনটো নিৰ্ম্মাণ কৰোতে মুঠ ব্যয় কিমান হৈছে। (প্ৰতি বৰ্গফুট মজিয়াত এই খৰচৰ হাৰ কিমান জনাব।)

(খ) এই ভৱনৰ নক্সা কোনে তৈয়াৰ কৰিছিল আৰু ইয়াৰ বাবে নিবিদা আহবান কৰা হৈছিল নে আৰু যদি হৈছিল, এই নিৰিদাৰ জাননী ক'ত প্ৰচাৰ হৈছিল ?

(গ) এই ভৱন নিৰ্ম্মাণ কৰিবলৈ ঠিকাদাৰ নিৰ্ব্বাচন কি ভিত্তিত কৰা হৈছিল আৰু ভৱন নিৰ্ম্মাণৰ বাবে ঠিকা বা অন্যান্য কামৰ বাবে বিধিমতে নিবিদা আহবান কৰা হৈছিল নে ?

(ঘ) যদি হৈছিল, সেই নিবিদা ক'ত, কেনেকৈ প্ৰচাৰিত হৈছিল জনাবনে ?

(ঙ) এই ভৱনৰ নিৰ্ম্মাণৰ বাবে বিভাগীয়ভাবে প্ৰাক্কলন estimate বনোৱা হৈছিল নে ? আৰু যদি হৈছিল, তেন্তে estimated খৰচ কি হৈছিল ?

(চ) ভৱনটো নিৰ্ম্মাণ হৈ থকা সময়ত বিভাগীয় অভিযন্তাই নিৰ্ম্মাণ কাৰ্য্য পৰিদৰ্শন কৰিছিল নে ? আৰু নিৰ্ম্মাণ কাৰ্য্য শেষ হোৱাৰ পাছত বিধিমতে বিভাগীয় অভিযন্তাই কামৰ মানদণ্ড সম্পৰ্কত তদন্ত আৰু বিধিসম্মত ভাৱে নিৰ্ম্মাণ কাৰ্য্য হৈছে বুলি কিবা প্ৰতিবেদন দিছিল নে ?

(ছ) দিছে যদি, তাৰ প্ৰতিলিপি সদনৰ মেজত ৰাখিবনে ? আৰু নাই দিয়া যদি কিয় দিয়া নাই জনাবনে ?

(জ) এই ভৱনটো নিৰ্ম্মাণৰ বাবে নিগমে মুঠতে চিমেণ্ট, লোহাৰ ৰড আৰু অন্যান্য সামগ্ৰী কিমান টকাৰ কিনিছিল আৰু সেই ক্ৰয় সামগ্ৰী সমূহ নিয়াৰিকৈ আৰু সম্পূৰ্ণভাৱে ব্যৱহৃত হোৱা বা নোহোৱা সম্পৰ্কত বিভাগীয় অভিযন্তাই কি প্ৰতিবেদন (utilisation certificate) দিছে জনাবনে ?

(ঝ) এই ভৱনৰ খৰচৰ হাৰ অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ নিৰ্দ্ধাৰিত হাৰতকৈ বেছি নে কম জনাবনে ?

শ্ৰীনীলমনি দাস ( কৃষি মন্ত্ৰী )য়ে উত্তৰ দিছে :

৫৭। (ক)—কাৰ্য্যালয় ভৱনটো সজাৰ নিয়োতম হিচাব মতে খৰচ হৈছে—

| | মুঠ টকা | প্ৰতি বৰ্গ ফুটত |
|---|---|---|
| (১) মূল ঘৰটো | ১৪,১৮,৩৪৮·০৪ | ১৬৫·০১ |
| (২) ভেটি প্ৰস্তুত আৰু পাইলিং ওৱাৰ্কচ (piling works) | ৩,৬৫,১৪২·২০ | ৪২·৪৮ |
| | ১৭,৮৩,৪৯০·২৪ | ২০৭·৪৯ |

(খ)—এই ভৱনৰ নক্সা, ইয়াৰ বাবে নিবিদাৰ জাননী, নোটিচ বোৰ্ডৰ উপৰিও গুৱাহাটীৰ সাতটা আৰ্কিটেক্ট ফাৰ্মলৈ পঠোৱাৰ পাছত M/S Architect collaborativeএ তৈয়াৰ কৰিছিল।

(গ)—অসম কৃষি উদ্যোগ উন্নয়ন নিগম এটা চৰকাৰী প্ৰতিষ্ঠান হোৱা বাবে আৰু নিগমত "চিভিল ইঞ্জিনিয়াৰিঙ"ৰ কোনো অভিযন্তা নথকা বাবে ভৱন নিৰ্ম্মাণৰ কামটো কোনো ব্যক্তিগত ঠিকাদাৰক নিদি অসম চৰকাৰৰ নিৰ্ম্মাণ অনুষ্ঠান "M/S Assam Govt. construction corporation [AGCC]" আৰু ভাৰত চৰকাৰৰ নিৰ্ম্মাণ অনুষ্ঠান "M/S National

Building construction corporation [ NBCC ]"ৰ পৰাহে নিৰিদা লোৱা হৈছিল। উচ্চ পৰ্য্যায়ৰ কমিটীয়ে এই দুয়োখন নিবিদা বিচাৰ কৰি ভাৰত চৰকাৰৰ অনুষ্ঠান "NBCC"ক নিৰ্ব্বাচন কৰে আৰু পৰিচালক মণ্ডলীৰ অনুমোদন ক্ৰমে "NBCC"ক কামটো দিয়া হয়।

(ঘ)—ওপৰোক্ত কাৰণত ইয়াৰ নিবিদাৰ জাননী ওপৰোক্ত নিগম দুটাৰ বাহিৰে অন্য কতো প্ৰচাৰ কৰা হোৱা নাছিল।

(ঙ)—নিগমত "চিভিল ইঞ্জিনিয়াৰিঙ"ৰ অভিযন্তা নথকা বাবে ইয়াৰ estimate বিভাগীয়ভাৱে বনোৱা হোৱা নাছিল আৰু এই কাম নিৰ্ব্বাচিত "আৰকিটেক্ট"ৰ দ্বাৰা কৰোৱা হৈছিল।

(চ)—আগতে কৈ অহা মতে নিগমত "চিভিল ইঞ্জিনিয়াৰ" নথকা বাবেই এই কামটো এটা চৰকাৰী নিৰ্ম্মাণ অনুষ্ঠানক দিয়া হৈছিল আৰু এই চৰকাৰী অনুষ্ঠানৰ অভিযন্তাৰ পৰ্য্যবেক্ষণতহে এই কামটো হৈছিল।

[ছ]—বিভাগীয় অভিযন্তা নথকাত নক্সা সম্পৰ্কীয় "আৰকিটেক্ট" জনকেই পৰিচালক মণ্ডলীৰ অনুমোদনক্ৰমে খুটিয়াই চাবলৈ (verification] দিয়া হৈছিল আৰু তেওঁৰ প্ৰতিবেদনকেই গ্ৰহণ কৰা হৈছিল।

ইয়াৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰা হল।

[জ]—এই ভৱনৰ কামত নিম্নোক্ত পৰিমাণৰ সামগ্ৰী কিনিছিল—

| কিনাৰ পৰিমাণ | ব্যয় [ টকা ] | ব্যৱহৃত হোৱা পৰিমাণ |
|---|---|---|
| ১। চিমেণ্ট—৪৫৪০ কোঃ | ২,১৩,১৯২.৩৭ | ৪৯৬২.২৫ কোঃ |
| ২। লোঃ ৰড—৪৭.৬৯ টন | ২,৪৩,৩১৩.৩৪ | ৪৯.৪১৮টন |
| ৩। বিজুলী পাংখা, চকি | ৭১,৪৯২.৭২ | সম্পুৰ্ণ ব্যৱহৃত |
| ইত্যাদি | ৫,২৭,৯৯৮.৪৩ | |

[ঝ]—মূল ঘৰটো আৰু ভেটি প্ৰস্তুত আদি কামত অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ ১৯৮১-৮২ চনৰ অনুসূচী মতে হবলগীয়া খৰচতকৈ প্ৰায় ৪৭ শতাংশ বেছি খৰচ হয়। ভৱনটো নিৰ্ম্মাণ কৰা সময়ত ১৯৮৩-৮৪ চনৰ গড়কাপ্তানী বিভাগৰ অনুসূচী ওলোৱা নাছিল।

শ্ৰীজয়নাথ শৰ্ম্মা :— মোৰ প্ৰথম যিটো প্ৰশ্ন, এই প্ৰশ্নটোৰ উত্তৰ ভুলকৈ দিয়া হৈছে। আচলতে ইয়াত ১৭ লাখ টকা নহয় ২৭ লাখ টকাহেখৰচ কৰা হৈছিল। পৰিপুৰক প্ৰশ্ন হিচাবে মই কব বিচাৰিছো যে এন, বি, চি, চিক নি দি মিঃ গুপ্তা নামৰ এজন মানুহক চাব কনট্ৰেক দি এই ঘৰটো নিৰ্ম্মাণ কৰা হৈছিল। এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) :— এই কথাটো মোৰ জ্ঞানত নাই।

শ্ৰীজয়নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, এই বিষয়টো উচ্ছ পৰ্য্যায়ৰ জৰিয়তে তদন্ত কৰিবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) :— পৰিপূৰক প্ৰশ্নৰ পিচতেই এই সম্পৰ্কে মই চিন্তা কৰি চাইছো।

শ্ৰীজয়নাথ শৰ্ম্মা :— সাধাৰণতে ঘৰ নিৰ্ম্মান কৰাৰ পাচত মিজাৰমেণ্ট বুক ৰখা উচিত। কিন্তু এই সম্পৰ্কত কিয় মিজাৰমেণ্ট বুক ৰখা হোৱা নাই এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে তদন্ত কৰিবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) :— এই সম্পৰ্কত মিজাৰমেণ্ট নথি এটা দেখিছিলো। এই সম্পৰ্কে তেখেতৰ পৰিপূৰক প্ৰশ্ন পোৱাৰ পাচত পূণৰ পৰীক্ষা কৰি চাম।

শ্ৰীজয়নাথ শৰ্ম্মা :— আচলতে ঘৰটোৰ আণ্ডাৰ গ্ৰাউণ্ড কনষ্ট্ৰাকচন ৩০ ফুট হব লাগে কিন্তু এই ক্ষেত্ৰত ৩০ ফুট হোৱা নাই ১০ ফুটহে মাত্ৰ হৈছে। এই সম্পৰ্কে তদন্ত কৰি চাবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, প্ৰশ্নকৰ্ত্তাই তেখেতৰ গোটেই পৰিপূৰক প্ৰশ্ন বিলাক মোক একে গোটে দিলে এই কাৰিকৰী অসুবিধা বিলাক আৰু সমস্যা সমুহ নিশ্চয় পৰীক্ষা কৰি চাম।

শ্ৰীজয়নাথ শৰ্ম্মা :— এই গোটেই বিষয়টো, ২৭ লাখ টকাৰ ঠাইত ১৭ লাখ টকা আৰু এই ঘৰটো নিৰ্ম্মাণ কৰাৰ সময়ত মেনেজিং ডাইৰেক্টৰ ঘৰও নিৰ্ম্মাণ হৈছিল। সাধাৰণতে এই ঘৰ নিৰ্ম্মাণ কৰোতে অধিক

টকা খৰচ কৰিবলৈ হলে কৰ্পোৰেচনে ৰাজ্যপালৰ অনুমোদন লব লাগে। গতিকে এই গোটেই বিষয়টোৰ লগত জড়িত যি বিলাক খেলি-মেলি হৈছে এই সকলো বিলাকেই চি, বি, আইৰ দ্বাৰা তদন্ত কৰিবলৈ ব্যৱস্থা কৰিবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) :— প্ৰশ্নকৰ্ত্তাই কৰা প্ৰশ্ন সমূহৰ যথেষ্ট গুৰুত্ব আছে, টকা পইচাৰ কেলেঙ্কাৰী আৰু খেলি-মেলি যিখিনি হৈছে সেই বিষয়ে নিশ্চয় তদন্ত কৰি ব্যৱস্থা লোৱা হব ।

শ্ৰীদুৰ্গা দাস বড়ো :— মাননীয় অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে কোৱা মতে ১৭ লাখতকৈও অধিক টকা খৰচ কৰি এই ঘৰটো বনোৱা হৈছিল। এই ভৱনটোত ওৱাটাৰ লিকেজ আছে বুলি কোৱা হৈছে। এই কৰ্পোৰেচনৰ নিজাকৈ ইঞ্জিনীয়াৰ থকা স্বত্তেও বাহিৰৰ ইঞ্জিনীয়াৰৰ দ্বাৰা ভৱনটো নিৰ্ম্মানৰ ক্ষেত্ৰত ইউটিলাইজেচন চাৰ্টিফিকেট কিয় লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীনীলমণি দাস (মন্ত্ৰী) ঃ—এই প্ৰশ্নটো উঠাৰ আগতে ঘৰ কোনে বনাইছিল আৰু কত কেনেকৈ বনাইছে সেই বিষয়ে আমি একেবাৰেই নেজানো । যিহেতু শাসনলৈ অহাৰ আমাৰ বেচিদিন হোৱা নাই। প্ৰশ্নখিনি যেতিয়া আহিছে এই সম্পৰ্কে যিখিনি কৰণীয় ব্যৱস্থা আছে সেইখিনি কৰিবলৈ আমি প্ৰস্তুত আছো ।

**Re :Production of Paddy**

**Shri Pabin Chandra Deka** asked :

* 58. Will the Minister, Agriculture be pleased to state—
Whether the present Government has taken Special Programme to increase the production and productivity of Paddy ? If so, the Special Programme ?

**Shri Nilamoni Das ( Minister. Agriculture )** replied :

58—Yes, a Centrally Sponsored Scheme for Special Rice Production in the State has been launched. The programme is being

implemented in 27 Blocks during 1985-86 and another 8 (eight) Blocks are proposed to be included under the programme during 1986-87.

**Shri Pabin Chandra Deka**—Mr. Speaker, Sir May I know from the hon'ble Minister. Agriculture what are the specific programmes taken to increase the production in Assam ?

**Shri Nilamani Das, :—Minister,**—Hon'ble Mr. Speaker, Sir. The Special Rice Production Programme was a centrally sponsored scheme and it was launched during 1984—85. This scheme envisages distribution of certified paddy seeds of high yielding varieties উন্নত জাতিৰ ধানৰ বীজ বিতৰন' distribution of fertilizers and pesticides and plant protection equipment at subsidised rates, demonstration in farmers' fields, distribution of improved implements at subsidised rates, training and incentive to farmers, construction of input godown and land development.

**Shri Dewan Joynal Abedin—Sir,** will the Minister, Agriculture let us know whether there is any inter-departmental co-ordination committee at different level particularly with Irrigation Department to make this paddy programme successful, so that whenever water for irrigation is required this inter-departmental committees can co-ordinate ? I want to know.

**Shri Nilamoni Das,—Minister** Hon'ble Mr. Speaker, Sir.

(a) সন্মানীত সদস্য জনৰ উত্তৰত মই জনাব বিছাৰিছো যে যিবিলাক আন্ত বিভাগীয় সমন্বয়ৰক্ষী সমিতি আছে সেই বিলাক জিলা পৰ্য্যায়ত আছে আৰু ইয়াক ডি, ডি, চি বুলি কোৱা হয় আৰু সেই কমিটি বিলাক...

Those committees should be active to take part and to co-ordinate the activities of Agriculture, Irrigation and other local planning measures and as the new Government has already declared the district planning would be emphasised and this fact would be given proper care.

**Re : L. P. School Building**

**Shri Abdul Jabbar** asked :

o59. Will the Minister, Education be pleased to state—

Are the Government thinking of taking over the buildings of all the Primary Schools in near future ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী )য়ে উত্তৰ দিছে :

৫৯। অষ্টম বিত্ত আয়োগৰ ৰায় মতে পোৱা ধনেৰে পৰ্য্যায়ক্ৰমে প্ৰাথমিক বিদ্যালয়ৰ ঘৰসমূহ নিৰ্ম্মাণ কৰিবলৈ লোৱা হৈছে।

Shri Abdul Jabbar—Mr. Speaker, Sir May I know from the Minister of Education how many primary School buildings are taken over for 1986-87 and If so, what is the quota of each constituency ?

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অসমত মুঠ ২৫ হাজাৰ ৯শ ৭০ খন প্ৰাথমিক বিদ্যালয় আছে। ইয়াৰ সকলোবিলাক বিদ্যালয়ৰ ঘৰেই উন্নত অৱস্থাত নাই। অষ্টম বিত্তিয় আয়োগে ১৯৮৫-৮৬ চনত ৰাজ্যখনত প্ৰাথমিক বিদ্যালয় ঘৰ নিৰ্ম্মাণৰ বাবে ৩ কোটি ৪৫ লাখ টকা দিছে। তাৰে ৭৬৬ খন বিদ্যালয়ৰ ঘৰ সাজিব পৰা হব। ১৯৮৬-৮৭ চনত আয়োগে দিয়া ৮.০৬ কোটি টকা পালে ১৭৯২ খন বিদ্যালয়ৰ ঘৰ সাজিব পৰা হব। টকাখিনি গ্ৰাম উন্নয়ন বিভাগৰ যোগে খৰচ কৰা হব। প্ৰতিখন বিদ্যালয়ৰ বাবে ৪৫ হাজাৰ টকা ধৰা হৈছে। ৭ম পঞ্চবাৰ্ষিক পৰিকল্পনাত প্ৰাইমাৰী বিদ্যালয়ৰ ঘৰ নিৰ্মাণৰ আঁচনি ভুক্ত আছে। যিহেতু বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্য পুজিৰ ওপৰত নিৰ্ভৰশীল, সকলো বিদ্যালয়ৰ ঘৰ নিৰ্ম্মাণ একেলগে লব পৰা নাই আৰু পৰ্য্যায় ক্ৰমেহে লোৱা হব।

শ্ৰীমফিজুদ্দিন আহমেদ ঃ এই যে ৪৫ হাজাৰ টকা ধৰা হৈছে এইটো কম হোৱা নাই জানো কাৰণ আগতেও ৪৫ হাজাৰ টকা ধৰা হৈছিল কিন্তু তাৰে ঘৰ বিলাক সম্পুৰ্ণভাৱে হোৱা নাই। গতিকে পৰিপূৰক হিচাবে আৰু টকা ধৰিব লাগে। বৰ্ত্তমান এই ৪৫ হাজাৰ টকা যথেষ্ট হব জানো ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : পূৰ্ব্বতে ৪৫ হাজাৰ টকা দিয়া হোৱা নাই। আমি চাব লাগিব টকা কম হোৱাৰ কাৰণে ঘৰ হোৱা নাইনে অন্য কিবা কাৰণত ঘৰ বিলাক সম্পূৰ্ণ কৰিব পৰা নাই। এই ৪৫ হাজাৰ টকাৰ ভিতৰত আমি যিখিনি পাৰো কৰিম।

**Shri A. F, Golam Usmani**—Hon'ble Mr. Speaker, Sir. Whether the Minister, Education is aware of the fact that sometime some schools do not get any building grant for a considerable period whereas in some cases the people behind are able to manoeuvre taking over grants repeatedly ? Whether our new Government would like to impose a sort of restriction about the taking of this grant so that repetition of this nature are not committed in future ?

শ্ৰীবৃন্দাৱন গোস্বামী (মন্ত্ৰী) : সন্মানিত সদস্যজনে যি প্ৰশ্ন তুলিছে সেয়া আমাৰ দৃষ্টিগোচৰ হৈছে। বিগত আন্দোলনৰ সময়ছোৱাত যিবিলাক অঞ্চলত আন্দোলন হৈছিল বুলি ভবা হৈছিল পূৰ্ব্বৰ চৰকাৰে ইচ্ছাকৃত ভাবে সেইবোৰ অঞ্চলৰ বিদ্যালয়বিলাক অস্বীকাৰ, ও তেওঁলোকৰ আবেদন বিলাক গ্ৰাহ্য নকৰিলে আৰু যত প্ৰয়োজন নাই সেই বিলাকতহে বেচি সা-সুবিধা দিয়া দেখিবলৈ পোৱা গৈছে। সেই কাৰণে মই পূৰ্ব্বৰ বিধান সভাতো কৈছো যে আমাৰ যি সকল শিশুৰ জন্ম হৈছে সেই সকলক ৰাজনৈতিক ভাবে কোনো ধৰণে বঞ্চিত কৰা নহব। প্ৰতিজন শিশুৱে জীৱন সুন্দৰ আৰু সুস্থ নাগৰিক হিচাবে যাতে গঢ়ি তুলিব পাৰি তেনে এটা দৃষ্টিভঙ্গী লৈয়েই অসমত সাঁমগ্ৰীক ভাবে শিক্ষা ব্যৱস্থা চলাই নিবলৈ যত্ন কৰিছো।

শ্ৰীদুৰ্গা দাস বড়ো : ১১৪২ খন স্কুলক যে গ্ৰান্ট দিয়া হৈছিল সেইখিনি হেনো মিচইউজ হৈছে সেই বিষয়ে তদন্ত কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : এই বিষয়ে এই মাত্ৰহে জানিব পাৰিছো। যদি তেনে কিবা বিসঙগতি থাকে তেতিয়াহলে তদন্ত কৰা হব।

শ্ৰীগুণিন হাজৰীকা : এই যে ৪৫ হাজাৰ টকা প্ৰতিখন স্কুলক ঘৰ নিৰ্ম্মাণৰ কাৰণে দিয়া হৈছে তাৰ কিবা এটা নক্সা দিছে নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অষ্টম বিত্তীয় আয়োগে যিটো সাহার্য্য আগবঢ়াইছে সেইমতে ঘৰ বনোৱাৰ নক্সা থাকিব লাগে। কিন্তু আমাৰ বিভিন্ন অঞ্চল বিলাকত কিছুমান বৈশিষ্ট আছে যেনে : কৰৰাত বানপানী হয় ইত্যাদি কাৰণত হয়তো সেইটো সম্ভব নহব পাৰে। গতিকে বিষয়টো বিবেচনা কৰিব লাগিব।

শ্ৰীঅভিজিত শৰ্ম্মা : গুৱাহাটীৰ মাজ মজিয়াত এটা স্কুল আছে। সেইটো এতিয়ালৈকে চৰকাৰীকৰণ কৰা হোৱা নাই। তাৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি :

শ্ৰীবৃন্দাবন গোস্বামী : প্ৰশ্নৰ লগত যদিও জড়িত নহয় তথাপিতো কওঁ অসমৰ সংস্কৃতিৰ কেন্দ্ৰ হ'ল গুৱাহাটী আৰু সেই গুৱাহাটীৰ মাজমজিয়াতে এখন স্কুল আছিল যিখন ইমানদিনে চৰকাৰীকৰণ কৰা হোৱা নাছিল, এতিয়া যেনিবা হ'ল।

**Shri Abdul Muqtadir Choudhury**—The Minister has replied that 750 school buildings should be completed. How these schools have been selected for construction ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ আগতেই কৈছো যে আমি কেনেকৈ প্ৰত্যেক জন শিশুৰেই ভাল চৰিত্ৰ তৈয়াৰ কৰিব পাৰো তাৰ কাৰণে লক্ষ্য ৰাখিছো। গতিকে ৰাজ্যখনৰ সকলো অঞ্চলৰ স্কুল সমূহৰ অৱস্থা সন্মুখত ৰাখিয়েই এই শিক্ষানুস্থান সমূহ নিৰ্ব্বাচন কৰা হব।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এই বিষয়টোত মোৰ দুটা পৰিপুৰক প্ৰশ্নআছে। অষ্টম বিত্ত আয়োগে শিক্ষাৰ ক্ষেত্ৰত কিমান টকা অনুমোদন কৰিছে আৰু সপ্তম বিত্ত আয়োগে এই শিতানত কিমান টকা অনুমোদন কৰিছিল ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এই ক্ষেত্ৰত বোধহয় মূল প্ৰশ্নটোৰ পৰা আতৰি গৈছে। সেয়ে ইয়াৰ বাবে সুকীয়া প্ৰশ্ন দিলে ভাল হয়। আপোনালোকে জানে যে আমাৰ

চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰা মাত্ৰ ছমাহহে হৈছে। পূৰ্ব্বৰ চৰকাৰে এই আঁচনিবোৰ কাৰ্য্যকৰি কৰোতে বহুতো খেলি-মেলিৰ সৃষ্টি কৰাতো আমাৰ দৃষ্টিগোচৰ হৈছে আৰু সেয়ে এইবোৰ বিষয়ত আমি কেনে ধৰণে ব্যৱস্থা লব পাৰো সেইটো বিবেচনা কৰি আছো।

**Re : Investment in Assam Plantation crops Development Corporation.**

**Shri Abhijit Sarma** asked :

o60. Will the Minister, Soil Conservation be pleased to state—

(a) The total investment by the Govt. during the year 1982-83, 1983-84 and 1984-85 in the Assam Plantation Crops Development Corporation ?

(b) Whether the Corporation made profit in those years ?

**Shri Prafulla Kumar Mahanta** ( Chief Minister ) replied :

60. (a)—The total investment made by the Government is shown yearwise as follows :—

1982–83—Rs. 120·00 lakhs
1983–84—Rs. 55·00 lakhs
1984–85—Rs. 60·00 lakhs

(b) —No.

শ্ৰীজয়নাথ শৰ্ম্মা :

মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে তেখেতৰ প্ৰশ্নৰ উত্তৰত কৈছে যে এই কৰ্পোৰেশ্যনটোত যি ইনভেষ্ট কৰা হৈছে তাৰ পৰা কোনো প্ৰফিট হোৱা নাই বুলি কৈছে। প্ৰফিট কিয় হোৱা নাই সেইটো নতুন চৰকাৰে তদন্ত কৰিব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্য মন্ত্ৰী ) :

অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো পৰীক্ষামুলক অৱস্থাত আছে। এই অনুস্থানবোৰৰ পৰা কেনেকৈ প্ৰফিট কৰিব পৰা হয় সেই সম্পৰ্কে চায় থকা হৈছে।

Re : Village Electrification

**Shri Abdul Muqtadir Choudhury** asked :

* 61. Will the Minister, power be pleased to state—

The procedure for selection of villages for electrification in a district ?

শ্ৰীদিগেন চন্দ্ৰ বৰা ( শক্তি মন্ত্ৰী )য়ে উত্তৰ দিছে :

৬১। জিলাৰ গাওঁ এখন বৈদ্যুতিকৰণৰ বাবে বাচনি কৰাৰ নীতি সমূহ তলত উল্লেখ কৰা হল।

(ক) গঁাৱৰ জনসংখ্যা।

(খ) গঁাৱৰ পৰা বৰ্ত্তমান চলিথকা বৈদ্যুতিক বিতৰণ প্ৰণালীৰ দূৰত্ব।

(গ) জলসিঞ্চনৰ বাবে মাটিৰ তলত থকা পানীৰ অৱস্থান।

Shri Abdul Muqtadir Choudhuri—Whether Government will enquire into the procedure that has been followed so far as the Karimganj district is concerned ?

শ্ৰীদিগেন চন্দ্ৰ **বৰা** ( শক্তি মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই বিষয়টো **অনুসন্ধান** কৰি চাব পৰা হব।

**Shri Abdul Muqtadir Chaudhury** :—Whether Government will enquire into the matter that the villages electrified in Karimganj district fall mostly in one Constituency and most of the villages in other Constituency have been left out.

শ্ৰীদিগেন বৰা ( শক্তি মন্ত্ৰী ) —অধ্যক্ষ মহোদয়; আমাৰ তৰফৰ পৰা এই কথাটো বাৰে বাৰে কৈছো যে এই ক্ষেত্ৰত কিছুমান বিসঙ্গতি হৈছে কিন্তু সেইবোৰ আমাৰ দিনত হোৱা নাই। নতুন চৰকাৰে তেনে বিসঙ্গতি নকৰে বুলি মই প্ৰতিশ্ৰুতি দিছো।

**Shri A, F. Goolam Osmani** :— Whether the Minister, Electricity is aware of the fact that sometime in laying the lines and taking electricity to the villages for technical reasons or otherwise lines are taken haphazardly as a result of which a portion of the particular village thus electrified remains unelectrified, and thereby some missing links take place. For example Kharuchar to Kalgachia some missing links are there. I request the Minister to see to this type of discrepancies which can be removed by the Electricity Department.

শ্ৰীদিগেন বৰা :— অধ্যক্ষ মহোদয়, সেইটো চোৱা হব।

**Shri Abdul Muqtadir Choudhury** :— When the electrification of all the villages of Assam will be completed ?

শ্ৰীদিগেন বৰা ( শক্তি মন্ত্ৰী ) —অধ্যক্ষ মহোদয়, এতিয়ালৈকে ১৩ হাজাৰতকৈ অধিক গাঁও বৈদ্যুতিকৰণ কৰা হৈছে। আমি হিচাব কৰি পোৱা মতে ইয়াৰ দ্বাৰা অসমৰ ৬০ শতাংশ গাঁও বৈদ্যুতিকৰণ কৰা হৈছে। সপ্তম পৰিকল্পনাৰ শেষলৈ আমি অসমৰ গোটেইবোৰ গাঁৱত বিজুলি যোগান ধৰিব পাৰিম বুলি আশা ৰাখিছো।

**Shri Charan Narzary** :— Sir the hon'ble Minister. Power has said that quire a large number of villages have been electrified. Is the Government aware of the fact that most of the villages said to be electrified so far are not getting electricity ? These are only on papers. Whether the Government will make thorough enquiries into this matter ?

শ্ৰীদিগেন বৰা ( শক্তি মন্ত্ৰী )— মাননীয় সদস্য গৰাকীৰ পৰামৰ্শটো মই বিবেচনা কৰিম।

শ্ৰীদেব কুমাৰ বৰা :— অধ্যক্ষ মহোদয়, বিজুলী যোগানৰ ক্ষেত্ৰত এটা কথা সুধিব খুজিছো যিবোৰ ঠাইত বিজুলী যোগান ধৰা হৈছে সেইবোৰ ঠাইত আজি ২-৩ বছৰে বিজুলী যোগানৰ বিল দিয়া হোৱা নাই। এই বিষয়টো মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি জনাবনে ?

শ্ৰীদিগেন বৰা :— অধ্যক্ষ মহোদয়, এই সন্দৰ্ভত নিৰ্দিষ্ট অভিযোগ পালে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

Shri Ardhendu Kumar Dey—On a point of order, Sir. The Minister's answer is not specific.

Mr. Speaker—Why ? The answer is specific. Now next Question.

### বিঃ চাহ বাগিছাত বৈদ্যুতিকৰণ।

শ্ৰীনৰেণ তাঁতিয়ে সুধিছে :

৩৬২। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ চাহ বাগিছা সমূহক বৈদ্যুতিকৰণ কৰাৰ কিবা আঁচনি চৰকাৰে লৈছে নেকি ?

(খ) যদি লৈছে অসমৰ কিমানখন চাহ বাগিছাত বৈদ্যুতিকৰণ কৰা হল, জনাবনে আৰু কিমান খন চাহ বাগিছা বাকী আছে।

শ্ৰীদিগেন চন্দ্ৰ বৰা (বিদ্যুৎ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬২। (ক) অকল চাহ বাগিছা বৈদ্যুতিকৰণ কৰাৰ কোনো বিশেষ আঁচনি নাই।

(খ) গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ জৰিয়তে অসমত ৫২৩ খন চাহ বাগিছা এতিয়ালৈকে বৈদ্যুতিকৰণ কৰা হৈছে আৰু ২৪৭ খন বাগিছা বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে।

শ্ৰীনাৰণ তাঁতীয়ে সুধিছে : অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে যিটো উত্তৰ দিলে তাত সন্তোষ হব পৰা নাই। কথা হল যে কুৰীদফীয়া আঁচনিত বৈদ্যুতিকৰণ কৰাৰ কথাটো আছে। আগৰ চৰকাৰ বিলাকে ভোটৰ সময়ত প্ৰতিশ্ৰুতি দিছিল যে চাহ বাগানত ইলেক্‌ট্ৰিচিটি দিয়া হব। কিন্তু আজিলৈকে সেই কাম হৈ নুঠিল। এইবাৰ আমি প্ৰতিশ্ৰুতি দিছো। গতিকে এইবাৰ হব লাগে। কোনো চাহ বাগিছা এলেকাত বৈদ্যুতিকৰণ আচনিৰ কাম হোৱা নাই। অসমত যিমান চাহ বাগিছা, মই গৈছো আৰু কোনো বাগানত ইলেক্‌ট্ৰিচিটিৰ কাম হোৱা নাই। মেনেজাৰ বাংলা আৰু ফেক্টৰী বিলাকত আছে! কোনো বিদ্যুৎ লাইন বাগানত হোৱা নাই। এইবিলাক মিছা কথা কৈছে। এইবাৰ কাম হবনে নহয় জনাব লাগে।

শ্ৰীদীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) : মই কৈছো যে ৫২৩ খনত বৈদ্যুতিকৰণ কৰা হৈছে। এইটো কথা সত্য যে গোটেই বাগানৰ সকলো অঞ্চলত বিজুলী বাতি পোৱা নাই। এতিয়া যিটো কৈছে আমি কৰিম। চৰকাৰে নিশ্চয় ভুৱা প্ৰতিশ্ৰুতি নিদিয়ে।

**Re : Nitya Nanda Singh**

**Shri Altaf Hussain Mazumdar asked :**

63. Will the Minister, Irrigation be pleased to state—

(a) Is it a fact that Nitya Nanda Singha of Village Algaper, P O. Rajnagar, Dist, Cacher died while serving as Head Khalasi of Silchar West Sub-division (Irrigation Borjatrapur, Cachar ?

(b) It is a fact that his son Ranjit Kumar Singha applied for his appointment in his father's place on compassionate ground ?

(c) Is it a fact that his application was forwarded by Executive Engineer, Silchar Divn. (Irrign.) as per proforma vide Personnel (B) Deptt's O. M. No. ABP. 357/80/137 dated 9th. September 1983 by his letter No. SLD/Estt. 5/Pt. IV/83-84/ 7058 dated 21st January 1985 ?

(d) Whether Ranjit Kumar Singha has been appointed as per said recommendation of the Executive Engineer ?

(e) If not will the Govt. be pleased to direct for his appointment on compassionate ground ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৩। (ক) হয়।

(খ) হয়।

(গ) হয়।

(ঘ) হয়।

(ঙ) প্ৰশ্ন নুঠে।

শ্ৰীজয়নাথ শৰ্ম্মা : সেই সময়ত বিভাগীয় মন্ত্ৰী কোন আছিল আৰু সেই মন্ত্ৰীজন কোন ৰাজনৈতিক দলৰ আছিল, জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ—মন্ত্ৰী : শ্ৰীজয়নাথ শৰ্ম্মাৰ প্ৰশ্নটো অপ্ৰাসঙ্গিক বুলি ভাবিছো।

**Re : Supply of Electricity to Dhamali Village**

**Abdul Rob Laskar asked ;**

* 64. Will the Minister, power be pleased to state—

(a) Whether the Government is aware of fact that supply of electricity to Dakhin Krishnapur and Dhamali villages under Silchar Sub-division had been totally affected due to theft of main line wires in 1980 ?

(b) If so, whether the Government took any steps to resume supply of electricity to these villages ?

(c) If not, why ?

শ্ৰীদিগেন চন্দ্ৰ বৰা ( শক্তি মন্ত্ৰী )য়ে উত্তৰ দিছে।

৬৪ (ক) হয়, বৈদ্যুতিকৃত ধামালি গাওঁখনৰ ১১ কেঃ ভিঃ বৈদ্যুতিক লাইনত চুৰি হোৱাৰ কাৰণে গাওঁ খনলৈ বিদ্যুৎ সৰবৰাহ ব্যাঘাত হৈছে। দক্ষিণ কৃষ্ণপুৰ গাওঁখনত এতিয়ালৈকে বৈদ্যুতিকৰণ কৰা হোৱা নাই কাৰণে বিদ্যুৎ সৰবৰাহ ব্যাঘাত হোৱা নাই।

(খ) বৰ্ত্তমান চুৰি হোৱা লাইনৰ মেৰামতিৰ কাম অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে হাতত লৈছে আৰু কামৰ অগ্ৰগতিও হৈ আছে।

(গ) উপৰোক্ত—(খ) প্ৰশ্নৰ উত্তৰৰ কাৰণে প্ৰযোজ্য নহয়।

**Shri Abdul Rob Laskar** :—Mr. Speaker Sir, will the Hon. Minister of electricity be pleased to state when the electrification of Dakhin Krishnapur village and reparing of supply line affected by the theft will be completed?

শ্ৰীদীগেন চন্দ্ৰ বৰা : ( মন্ত্ৰী ) : কামৰ অগ্ৰগতি চলি আছে বুলি কৈছো। মই ঠিক সময়টো কব পৰা অৱস্থাত নাই।

**বি ঃ ৰাজহুৱা বিতৰণ ব্যৱস্থা**

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৬৫। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি গ্ৰাহকক কি কি সামগ্ৰী বিতৰণ কৰা হয়?

(খ) এই সামগ্ৰী সমূহ কাৰ কাৰ যোগেদি বিতৰণ কৰা হয়?

(গ) এই ব্যৱস্থাত জড়িত গ্ৰাহক পাইকাৰী সমবায়, গাওঁ পঞ্চায়ত এলেকাৰ প্ৰাইমাৰী সমবায় আৰু লেম্পৰ উপৰিও ষ্টেটফেদকো জড়িত কৰা বাবে খুচুৰা বিক্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ উপৰিও সমবায় সমিতি সমূহে অতিৰিক্ত মূল্য ভৰিব লগাটো সঁচা নেকি।

(ঘ) যদি সঁচা হয়, মহকুমা আৰু গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ পৰা ষ্টেট-ফেদক আতৰোৱাৰ ব্যৱস্থা কৰিবনে?

(ঙ) সস্তীয়া দোকানবোৰ ব্যক্তিগত ব্যৱসায়ীৰ হাতৰ পৰা আনি গ্ৰাহক সমবায় সমিতিৰ হাতত তুলি দি ৰাজহুৱা বিতৰণ ব্যৱস্থাটো প্ৰকৃতাৰ্থত ৰাজহুৱা সমবায় প্ৰতিষ্ঠানৰ হাতত গতাই দিয়াৰ সিদ্ধান্ত চৰকাৰে লবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৬৫ । (ক) অসমত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি চাউল, আটা, ময়দা, চেনি কাপোৰ, নিমখ, কেৰাচিন তেল আৰু আমদানিকৃত খোৱা তেল আদি বিতৰণ কৰা হয় ।

(খ) এই সামগ্ৰী সমূহ গাওঁ অঞ্চলত গাওঁ পঞ্চায়ত সমবায় সমিতি আৰু তেওঁলোকৰ এজেন্ট সকলৰ যোগেদি, চহৰ অঞ্চলত সমবায় সমিতি আৰু সুলভ মূল্যৰ দোকানৰ যোগেদি বিতৰণ কৰা হয় ।

(গ) কাপোৰ আৰু আমদানিকৃত খোৱা তেল ষ্টেটফেদৰ মাধ্যমেৰে বৰ্ত্তমান বিতৰণ কৰা হয় । কাপোৰ আৰু তেল কম পৰিমাণে আবণ্টন দিয়া বাবে প্ৰতিটো সমিতিয়ে গুৱাহাটী বা অসমৰ বাহিৰৰ মিলৰ পৰা এই সামগ্ৰী সমূহ আনোতে যাতে কোনো অসুবিধা বা অধিক মূল্য ভৰিব লগীয়া নহয় তাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে । এই সামগ্ৰী বোৰৰ মূল্য বৃদ্ধি হলে যথোচিতব্যৱস্থা লোৱা হয় । কেতিয়াবা কোনো পাইকাৰী সমবায় সমিতি অপাৰগ হলে আন সামগ্ৰী সমূহ ষ্টেটফেদৰ জৰিয়তে কোনো কোনো ঠাইত দিবলৈ চৰকাৰ বাধ্য হয় । ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ লগত জড়িত থকা গ্ৰাহক পাইকাৰী সমবায় সমিতি আৰু লেম্পাৰ উপৰিও ষ্টেটফেদক জড়িত কৰা বাবে চৰকাৰে নিৰ্দ্ধাৰিত কৰা মূল্যতকৈ অতিৰিক্ত মূল্য ভৰিব লগা কথাটো সত্য নহয় ।

(ঘ) প্ৰশ্ন নুঠে ।

(ঙ) গাওঁ অঞ্চলৰ ৰাজহুৱা বিতৰণ ব্যৱস্থা সমবায় সমিতি আৰু তেওঁলোকৰ মাধ্যমেৰেই কৰা হয় । চহৰ অঞ্চলতো পাইকাৰী সমবায় ষ্টেটফেদ আৰু সুলভ মূল্যৰ দোকানৰ জড়িয়তে বিতৰণ ব্যৱস্থা কৰা হয় । কিছুমান অসুবিধাৰ কাৰণে চহৰ অঞ্চলত ব্যক্তিগত সুলভ

মূল্যৰ দোকান চলাব লগা হৈছে। আৰু যত পাইকাৰী সমবায় আছে তেনে ঠাইত সমবায়ক সুলভ মূল্যৰ দোকান ৰূপে নিযুক্তি দিয়া হৈছে। চৰকাৰে কালক্ৰমে চহৰ অঞ্চলত অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান সমবায় প্ৰতিষ্ঠানৰ জৰিয়তে কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা কিন্তু সমবায়ৰ ভেটি দৃঢ় নহয় বুলি সকলো ঠাইতে বিতৰণৰ দায়িত্ব সমবায় প্ৰতিষ্ঠান সমূহে ল'ব পৰা নাই।

শ্ৰীদেৱান জয়নাল আবেদিন : মন্ত্ৰী মহোদয়ে জানে নেকি যে খি বিলাক অঞ্চলত সমবায়, পঞ্চায়ত, সমবায় সমিতি আদিৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰিব লাগে, তাত ব্যক্তিগত ব্যৱসায়ী সকলৰ বেছি এলটমেণ্ট দিয়া হয়। ইয়াক কেন্দ্ৰ কৰি এই ব্যক্তিগত ব্যৱসায়ী সমূহৰ পৰা যোগান বিভাগৰ কিছু বিষয়াই নিয়মিতভাবে দুৰ্নীতিৰ আশ্ৰয় লৈ টকা ঘটি আছে।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : যদি তেনেকুৱা হয় আৰু আমি জানিব পাৰো তেতিয়াহলে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীদেৱান জয়নাল আবেদিন : যি ঠাইত সমবায় সমিতি পঞ্চায়ত আৰু ব্যক্তিগত ব্যৱসায়ীসকল আছে, তেনে ঠাইত সমবায় সমিতি সমূহৰ বিতৰণৰ দায়িত্ব দিয়াত গুৰুত্ব দিব লাগে আৰু যাতে ব্যক্তিগত ব্যৱসায়ীসকলক গুৰুত্ব দিয়া নহয়। এই সম্পৰ্কে স্পষ্ট নীতিৰ আশ্বাস দিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : চৰকাৰৰ নীতিয়েই সমবায় সমিতিৰ জৰিয়তে ৰাইজক সুবিধা দিব লাগে। সমবায়ৰ মূল লক্ষ্য আৰু উদেশ্যত উপনীত হবৰ কাৰণে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছো।

**Shri A. F.Gulam Osmani**— Sir, we would like to know from the Hon. Supply Minister what are the norms of distribution of kerosene oil in the State ? Not to speak of supply of keresene oil to our villages at fair rate, kerosene is being sold at the rate of Rs. 5/—per ltr. literally even in Gauhati and people here are seen standing in long queues to procure kerosene oil,

**শ্ৰীললিতচন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী )** — আমাৰ তৰফৰ পৰা নিশ্চয় ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে।

তেখেতে যিটো পৰামৰ্শ আগবঢ়াইছে আমি তাৰ কাৰ্য্যকৰী কৰিবৰ বাবে ব্যৱস্থা গ্ৰহন কৰিম।

**অধ্যক্ষ :** এতিয়া ২৬ নং দাবী মঞ্জুৰীৰ ওপৰত আলোচনা হব।

**Re : Distribution of Salt, Oil, etc.**

**Shri PABIN CHANDRA DEKA** asked :

*66. Will the Minister, Supply be pleased to state—

(a) Whether the Government has taken steps to distribute salt. oil. kerosene and green vegetables equally at controlled prices to the people of Assam ?

(b) If so, please mention the steps so taken ?

**Shri LALIt CHANDRA RAJKHOWA (Minister, Food and Civil Supplies)** replied :

66. (a)—Yes, salt, imported edible oil and kerosene oil are distributed through Public Distribution System at Government fixed prices. Green vegetables are, however, not supplied through Public Distribution System. Neither is there any controlled price for green vegetables.

(b)—The Public Distribution System consists of the Fair Price Shops including Co-operative Fair Price Shops in the urban areas, the G.P.S.S. and their agents in the rural areas of plains districts and the Large Area Multipurpose Cooperative Societies and their agents in hill districts. Salt, Kerosene and imported edible oil are distributed through these agencies at fixed prices. All out efforts are taken for fair distribution of the items through the Public Distribution System.

**Re : Murder and Dacoity**

**Shri ABDUL JABBAR** asked :

*97. Will the Minister, Home be pleased to state—

(a) The number of murders and dacoities took place under Dalgaon P.S. in 1986 ?

(b) What precautionary measures have been taken by the present Government to curb crimes ?

(c) Is it a fact that most of the arrested persons are "shown arrested" against the cases where they are not involved at all ?

(d) If so, whether the Government will stop this type of arrest immediately ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৬৭। (ক)—হত্যাকাণ্ড নাই। ১৯৮৬ চনত দল গাওঁ থানাৰ অধিনৰ চাৰিটা ডকাইতি হৈ যায়।

(খ)—প্ৰয়োজনীয় সতৰ্কতা মূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ডকাইতি সংঘটিত হৈ থকা ঠাইবোৰত সশস্ত্ৰ আৰক্ষী বাহিনী নিয়োগ আৰু নিয়মিয়াকৈ নৈশ আৰক্ষী পহৰাৰ ব্যৱস্থা কৰা হৈছে।

(গ)—তদন্তৰ সময়ত কিছু কুখ্যাত ডকাইত আৰু কিছু জনাজাত অপৰাধীক গ্ৰেপ্তাৰ কৰি হাজোতলৈ চালান দিয়া হৈছে।

(ঘ)—সোনকালে তদন্ত সমাপ্ত কৰিবলৈ আৰু প্ৰকৃত দোষীক চিনাক্ত কৰাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে।

### Re : Taking over of Ferry

**Shri ALTAF HUSSAIN MAZUMDAR** asked :

* 68. Will the Minister, Transport be pleased to state—

(a) Whether the Government is aware that is consistent public demand for taking over the following ferries of River Borak of Cachar for public convenience by Inland Water Transport :

(1) Buribial

(2) Bharai Bazar

(3) Muchimukh ?

(b) If so, whether the Government will take early step to take over these ferries ?

**Shri LALIT CHANDRA RAJKHOWA (Minister, Transport)** replied

68. (a)—Yes.

(b) - Government will consider this in future.

### Re : Rural Electrification Circle

**Shri ABDUL MUQTADIR (CHOUDHURY** asked :

*69. Will the Minister, Power be pleased to state—

(a) The jurisaiction of Rural Electrification Circle Office at Hailakandi ?

(b) When the Rural Electrification Circle Office and Rural Ele: trification Division was set up at Hailakandi ?

(c) Whether there is any proposal for setting up a Rural Electrification Division Office at Karimganj for looking after the rural electrification of the entire Karimaganj District ?

**শ্ৰীদিগেন চন্দ্ৰ বৰা (শক্তি মন্ত্ৰী) য়ে উত্তৰ দিছে :**

৬৯। (ক)—হাইলাকান্দি গ্ৰাম্য বৈদ্যুতি কৰণ চক্ৰ কৰ্যালয়ৰ অধিকাৰ ক্ষেত্ৰ সম্পূৰ্ণ কাছাৰ আৰু কৰিমগঞ্জ জিলা সাঙুৰি আছে।

(খ)—হাইলাকান্দিত গ্ৰাম্য বৈদ্যুতিকৰণ চক্ৰ কাৰ্য্যালয় ১৯৮৫ চনৰ জানুৱাৰী মাহত প্ৰতিষ্ঠিত হয়। গ্ৰাম্য বিদ্যুতিকৰণ সংমণ্ডল কাৰ্যালয় ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহত হাইলাকান্দিত প্ৰতিষ্ঠিত হয়।

(গ)—কৰিমগঞ্জত গ্ৰাম্য বৈদ্যুতিকৰণ সংমণ্ডল কাৰ্য্যালয় স্থাপনৰ বাবে এটি প্ৰস্তাৱ বৰ্ত্তমান অসম বিদ্যুত পৰিষদৰ বিবেচনাধীন হৈ আছে।

### Re : Sonai R. C. C. Bridge

**Shri Abdul Rob Laskar** asked ;

* 70 Will the Minister, p, W. D, be pleased to state |

(a) Whether the Government is aware that due to the damage of Sonai R. C. C. Bridge caused by the last earthquake, communication of a very big area disrupted ?

(b) Is it a fact that the Government of India has sanctioned a sum of Rs. 63,00,000 for the construction of new Bridge over Sonai River ?

(e) If so, whether the Government will immediately start the construction work ?

**Shri Atul Bora (Minister, P, W, D, )** replied :

70. (a)—Yes.

(b)—The Government of India had sanctioned an amount of Rs. 107.06 lakhs for restoration of damages to roads and bridges including Sonai Bridge caused by earthquake.

(c)- The matter is under technical investigation.

**Re : Fateha-I-Duaz-Daham**

**Shri Altaf Hussain Mazumdar** asked :

* 71. Will the Chief Minister be pleased to state—

(a) Is the Government aware that the Muslim community of Assam like the Muslims of all over world celebrate Fateha--I-Duaz-Daham ?

(b) Is it a fact that 26th November, 1985 was in the list of public Holidays for 1985 in Assam due to Fateha-I-Duaz-Daham ?

(c) Is it a fact that Fateha-I-Duaz-Daham day has been excluded from the list of public Holidays for 1986 in Assam ?

(d) If so, will the Government be pleased to include it in the list of Public Holidays for the year 1986 ?

Shri **Prafulla Kumar Mahanta, (Chief Minister** ) replied :

71. (a)—Yes,

(d)—Yes.

(c) & (d)—13 holidays including Fateha-I-Duaz-Daham have been declared as restricted holidays of which two can be availed of by a Government employee in the Calendar year of 1986 in addition to the regular holidays.

# ASSAM LEGISLATIVE ASSEMBLY

## UNSTARRED

### QUESTIONS AND ANSWERS

Date : 20th March, 1986

**Re : Muslim Marriage Registrars**

**Shri Altaf Hussain Mazumdar** asked :

* 6. Will the Minister, Registration be pleased to state—

(a) The functions of Muslim Marriage Registrars and how they are selected and the scale of fees they are entitled to for registration of each marriage ?

(b) Are they entitled to T.A. etc. in case of Registration on Commission and if so what are the rules ?

**Shri THANESWAR BORO (Minister, Registration)** replied :

6. (a) The function of Muslim Marriage Registrars is to register Muslim Marriages and divorces on application being made for such registration.

The Muslim Marriage Registrars are selected by a committee constituted under the Assam Muslim Marriages and Divorces Registration Act, 1935.

The scale of fee for Registration of each marriage or Divorce as entitled by them, is as follows :

| | Rs. paise |
|---|---|
| When the dower does not exceed Rs. 50— | 0—75 |
| When the dower exceed Rs. 50 but does not exceed Rs. 100— | 1—00 |
| When the dower exceeds Rs. 100 but does not exceed Rs. 250-- | 1—50 |
| When the dower exceeds Rs. 250 but does not exceed Rs. 500 -- | 2—00 |
| When the dower exceeds Rs. 500 but does not exceed Rs. 1000— | 3--00 |
| For every additional Rs. 1,000 or part thereof— | 1--50 |
| For a divorce of any kind | 1--00 |

(b) They are entitled to T.A. at a rate not exceeding 18 paise per mile for a distance actually travelled, they are also entit, led to charge a fee not exceeding Rs. 3.00 for visiting a place for the purpose of attending the registration of a marriage or other ceremony.

**Re : Electrification in Dalgaon Constituency,**

**Shri ABDUL JABBAR** asked :

7. Will the Minister, Power be pleased to state—

(a) The number of villages electrified so far in Dalgaon Constituency ?

(b) The number of villages are still to be electrified ?

(c) When the unelectrified villages are going to be electrified ?

শ্ৰীদীগেন চন্দ্ৰ বৰা (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ডলগাওঁ বিধান সভা সমষ্টিৰ অন্তৰ্গত ৫১ খন গাৱঁত এতিয়ালৈকে বৈদ্যুতিকৰণ কৰা হৈছে।

(খ) এই সমষ্টিৰ ১১২ খন গাৱত এতিয়াও বৈদ্যুতিকৰণ হবলৈ বাকী আছে।

(গ) ৭ম পাচঁ বছৰীয়া পৰিকল্পনাৰ শেষৰ ফাললৈ ৰাজ্যৰ প্ৰায় সকলোবোৰ গাওঁ বৈদ্যুতিকৰণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

**Re : FDR work**

**Shri ALTAF HUSSAIN MAZUMDAR** asked :

8. Will the Minister, Irrigation be pleased to state—
The total amount spent for FDR work for West Silchar Irrigation (Sub-division) Borjatrapur for the years 1984-85 and 1985-86 ?

(Estimatewise work. nature of work done, location of work name of the Contractor and amount of payment made workwise with dates)

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৮। শিলচৰ পশ্চিম উপ সংমণ্ডলত (জলসিঞ্চন) ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনত বান পানীত ক্ষতি গ্ৰস্ত হোৱা কামৰ মেৰামতিৰ বাবে খৰচ কৰা

ধনৰ পৰিমাণ এনে ধৰণৰ

(ক) ১৯৮৪-৮৫-৩,৩৫,৩৪৫·০০ টকা

(খ) ১৯৮৫-৮৬-এতিয়ালৈ হোৱা নাই (ইয়াৰ সম্পূৰ্ণ বিৱৰণ এখন সদনৰ মেজত থোৱা হল)

বি : গোলাঘাট চৰকাৰী চিকিৎসালয়।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

৯। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট চৰকাৰী চিকিৎসালয়ক upgrade কৰাৰ বাবে কিবা চিন্তা কৰিছে নেকি ?

(খ) যদি কৰিছে সি কেনে ধৰণৰ ?

শ্ৰীযতীন মালি (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

৯। (ক) চিন্তা কৰা নাই।

(খ) প্ৰশ্ন নুঠে।

Re : Electrification of Dudpatil etc,

**Shri ALTAF HUSSAIN MAZUMDAR** asked :

10. Will the Minister, Power be pleased to state—

(a) Which Revenue villages of

1) Dudpatil
2) sonapur
3) Rajnagar
4) Joynagar-Jatrapur
5) Jatinga and
6) Tarapur

Gaon Panchayat of Cachar have been fully electrified and which are partially electrified ?

(b) Which of the uncovered villages of the above Gaon Panchayat of Cachar will be electrified in next year i.e. 1986-87 ?

শ্ৰীদীগেন চন্দ্ৰ বৰা (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে :

১০(ক) প্ৰত্যেক গাওঁ পঞ্চায়তৰ পিয়লভুক্ত ৰাজহ গাৱৰ আংশিক বৈদ্যুতিকৰণৰ সংখ্যা তলত উল্লেখিত কৰা হল। কোনো গাওঁ সম্পূৰ্ণৰূপে বিদ্যুতিকৰণ হোৱা নাই।

| গাওঁ পঞ্চায়ত | মুঠ গাৱৰ সংখ্যা | মুঠ বৈদ্যুতিকৰণ কৰা গাৱৰ সংখ্যা |
|---|---|---|
| ১। ডুধপাতিল | ১৭ | ১১ |
| ২। ৰাজনগৰ | ১৭ | ১২ |
| ৩। সোণাপুৰ | ২৪ | ১৪ |
| ৪। জয়নগৰ-যাত্ৰাপুৰ | ২০ | ১২ |
| ৫। জাতিঙ্গা | ৩৩ | ১৬ |
| ৬। তাৰাপুৰ | ১৪ | ৭ |

বৈদ্যুতিকৰণ হোৱা গাৱৰ নামৰ তালিকা সদনৰ মেজত ৰখা হল।

(খ) ওপৰত উল্লেখিত (ক) গাওঁ পঞ্চায়ত বোৰৰ ১৩ খন গাৱঁত বৈদ্যুতিকৰণৰ কাম চলি আছে আৰু ১৯৮৬-৮৭ চনত সম্পূৰ্ণ হোৱাৰ সম্ভাবনা। গাওঁ পঞ্চায়তৰ অন্তৰ্ভুক্ত বৈদ্যুতিকৰণৰ কাম চলি থকা গাওবোৰৰ নাম তলত দিয় হল।

১। সোনাপুৰ গাওঁ পঞ্চায়ত :—

টিবং চেবা, খাছীপুঞ্জী : হীৰাবন্দ ১ম খণ্ড আৰু হীৰাবন্দ ২য় খণ্ড।

২। ৰাজনগৰ গাওঁ পঞ্চায়ত :—চালচাপৰা গ্ৰেন্ট, শ্ৰীধৰপুৰ, শ্ৰীকোনা ২য় খণ্ড।

৩। জয়নগৰ যাত্ৰাপুৰ গাওঁ পঞ্চায়ত :—ডুৰাগ, ৰায়পুৰ।

৪। জাতিঙ্গা গাওঁ পঞ্চায়ত :—

কাশীপুৰ, উজানগ্ৰাম, বদৰপুৰ ১ম খণ্ড আৰু বদৰপুৰ ২য় খণ্ড।

## Voting on Demands For Grants

*শ্ৰীপ্ৰবীন চন্দ্ৰ ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী আনিছে শিক্ষাৰ শিতানত আৰু আমাৰ বিৰোধী পক্ষৰ ভালেকেইজনমান বন্ধু সদস্যই ইয়াৰ বিৰোধীতা কৰি কৰ্ত্তন প্ৰস্তাৱ আনিছে, এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দাবী মঞ্জুৰীৰ সমৰ্থন কৰিছোঁ।

অধ্যক্ষ মহোদয়, আমাৰ ভালেমান বিৰোধী পক্ষৰ সদস্য বন্ধুৱে এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি অসমৰ শিক্ষা সম্পৰ্কত আৰু শিক্ষা নীতি সম্পৰ্কীয় ভালেমান বক্তব্য দাঙি ধৰিছে। আমি সকলোৱে এই কথা জানো যে আজি আমাৰ অসমত আটাইতকৈ শিক্ষা বিভাগটো বেছি দুৰ্নীতি গ্ৰস্ত হৈ পৰিছে। অথচ যিটো বিভাগ সমাজৰ মুল গাঠনি গণতন্ত্ৰৰ মুল ভেটিৰ গাঠনি কৰোঁতে সহায়ক হব লাগে, সেই বিভাগটো দুৰ্নীতিৰ কৰাল গ্ৰাসত পৰিছে। ১৯৪৫ চনৰ পৰাই ভাৰত-বৰ্ষত বহুতো কমিছন বহুৱা হৈছে যেনে চেকেণ্ডৰী কমিছন, ৰাধা-গোবিন্দ কমিছন আৰু কোঠাৰী কমিছন আদি। এইদৰে চৰকাৰে বিভিন্ন কমিছন আদিৰ দ্বাৰাই শিক্ষানীতি চলাই অহা দেখা গৈছে। আৰু অসমো তাৰ ব্যতিক্ৰম নহয়। এই শিক্ষানীতি বোৰৰ ক্ষেত্ৰত কোৱা হৈছে যে এইবোৰ পৰীক্ষামূলক হিচাপেহে গ্ৰহণ কৰা হৈছে। তাৰ ফলত সমাজ গঢ়াত গণতন্ত্ৰৰ ভেটি পৰ্বত যি সুদৃঢ় বক্তব্য বা নীতি লব লাগিছিল সেইটো লোৱা হোৱা নাই। তাৰ ফলত শিক্ষা ব্যৱস্থাটো এটা পয়া লগা অৱস্থালৈ ৰূপান্তৰ হৈছে। এটা আচৰ্য্যজনক কথা যে এই শিক্ষা এনেকুৱা হৈছেগৈ যে আজি এবছৰত যি এটা শিক্ষা নীতি লোৱা হৈছে অহা বছৰত আকৌ আন এটা শিক্ষা নীতি লোৱা হৈছে। এই শিক্ষা নীতি গ্ৰহণ কৰোতে জনসাধাৰণৰ স্বাৰ্থ, সামাজিক স্বাৰ্থ বা অৰ্থনৈতিক স্বাৰ্থ কোনো ক্ষেত্ৰকে অগ্ৰাধিকাৰ নিদিয়াকৈ ইয়াক গ্ৰহণ কৰা হৈছে বুলি মই বিবেচনা কৰিছোঁ। সেই কাৰণেই মই আমাৰ নতুন চৰকাৰক গণপৰিষদৰ চৰকাৰক নতুন শিক্ষানীতি প্ৰৱৰ্ত্তন কৰাৰ ক্ষেত্ৰত ইয়াক পৰীক্ষামূলক ভিত্তি হিচাপে গ্ৰহণ নকৰি সমাজৰ গঠনৰ ওপৰত ভিত্তি কৰি সুষ্ঠভাৱে নীতি গ্ৰহণ কৰিবলৈ মই শিক্ষামন্ত্ৰী মহো-

দস্থৰ লগতে শিক্ষা বিভাগকো অনুৰোধ কৰিছো । আচৰিত কথা যে চৰকাৰৰ শিক্ষা বিভাগটো এনে ধৰণে দুৰ্নীতি গ্ৰস্ত হৈছে, শিক্ষাবিভাগত যি ২৬ কোটি টকা ধাৰ্য্য কৰা হৈছে এই টকাৰে স্কুল কলেজ বোৰক যি অনুদান দিয়া হয় এই টকাৰে স্কুল, কলেজবোৰক যি অনুদান দিয়া হয় এই টকাবোৰ প্ৰকৃত অৰ্থত খৰছ কৰা হৈছে নে নাই সেইটো কেতিয়াও চোৱা নহয় । এইটো দুৰ্ভাগ্যজনক কথা । এনেকুৱা স্কুলো আছে য'ত হয়তো এইদৰে অনুদান আদি পোৱাই নাই । আগতে মেনেজিং কমিটি আছিল আজি কালি প্ৰধান শিক্ষক বা কলেজৰ অধ্যক্ষ আদিয়ে এই টকা দিব লাগে আৰু তেওঁলোকে কিবা এটা হিচাপ দেখুৱাই বাকী বোৰ টকা আত্মসাত কৰে এনে উদাহৰণো আছে । গতিকে মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ এই যি ২৬ কোটি টকা ধাৰ্য্য কৰা হৈছে এইটকাতো যাতে প্ৰকৃত অৰ্থত খৰছ হয় তালৈ যেন দৃষ্টি দিয়ে । লগতে শিক্ষানীতি প্ৰৱৰ্ত্তন কৰোতে পৰীক্ষামূলক হিচাপে নকৰি এটা সুন্দৰ আৰু সুঠাম সমাজ গঢ়াৰ উপযোগী কৰাকৈ কৰি যাতে অহা ১০০ বছৰৰ পিচতো ইয়াৰ সুফল লাভ কৰিব পাৰি । আজি বহুতো স্কুল এই দূৰ্নীতিৰ কাৰণেই ভাঙি যাব লগীয়া হৈছে । ১৯৩৫ চনৰে আমাৰ যি টিহু হাইস্কুল আছে তাৰ দুনীতিগ্ৰস্ত কেৰাণী এজনৰ কাৰণেই এই স্কুলখন আজি ধ্বংসৰ মুখত পৰিব লগীয়া অৱস্থা হৈছে । কেৰাণী জনক অৱশ্যে বৰ্খাস্ত কৰা হৈছে, কিন্তু এই বিভাগে আজিলৈ কিয় এজন প্ৰধান শিক্ষকে তেওঁ অৱশেষত তেওঁ সচাঁয়ে প্ৰধান শিক্ষক নহয় বুলি লিখি দিব লগা হ'ল তাৰ অনুসন্ধান নকৰিলে । সেয়ে মই আশা ৰাখিছোঁ আমাৰ চৰকাৰে নতুন শিক্ষানীতি গ্ৰহণ কৰোঁতে প্ৰৱৰ্ত্তন কৰোঁতে এই সকলোবোৰ দিশ খৰচি মাৰি চাই সকলো বিবেচনা কৰি কৰিব । আমি আজি সাধাৰণ শিক্ষা গ্ৰহণ কৰি বহু বি, এ, এম, এ, বা এম, এছ, চি আদি ওলাইছোঁ । কিন্তু চাকৰি পোৱা নাই । এই প্ৰাই ২০ লাখ মান লৰা নিবনুৱা হৈ বহি আছে । আমি তেওঁলোকক কৰ্ম্মমুখী কৰি তুলিব পাৰিব লাগিব । তাৰ কাৰণে আমি কৰ্ম্মমুখী শিক্ষা নীতি গ্ৰহণ কৰিব লাগিব । টেকনিকেল শিক্ষাৰ ক্ষেত্ৰত

আমাৰ অসম বেচ পিচপৰা। আজি যদি এটা উদ্যোগ বা ৰিফাইনেৰী আদিত আমাৰ লবাই চাকৰি বিচাৰে তেতিয়া তেওঁলোকে কয় আমাৰ লবাৰ অৰ্হতা নাই। সেই কাৰণেই মই কৈছো আজি সাধাৰণ শিক্ষাতকৈ টেকনিকেল শিক্ষাক বেছি গুৰুত্ব দিব লাগে আৰু মই এই বিষয়ে শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ।

মই বিৰোধীপক্ষক এই কৰ্ত্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনায় মই মোৰ বক্তব্য সামৰনী মাৰিলো ।

**Shri Binoy Khungur Basumatari** : Mr Speaker Sir, you are aware, education has a special importance, it touches all of us and yesterday we had seen the performance of our tribal members of this August House. I am very much grateful that this House had listen to them. I am also very grateful because I have been observing since yesterday the Hon'ble Education Minister has been wearing Boro scurf on his neck and I am very happy, may be that is a sign of his kindness to our tribal people. But Sir, we had expected a lot of improvement under his leadership on the allocation of the budgetary funds under this Deptt of Education. Sir, out of the annual total allocation of about 500 crores of rupees more than half of it, ie. 260 crores of rupees are ear-marked for this Education Deptt. Out of the total 500 crores of rupees, per capita allocation for general budget is about Rs 250. 00. But if we take into consideration the Tribal Sub-Plan allocation, we find that allocation for every tribals is only Rs 30 per head Similarly. Sir, If you go through this allocation for the Education Department out of 260 crores, I am afraid Sir, only to the tune of approximately 8 crores have been provided for Tribal Sub Plan, If there is a population of 11% of tribal in the State I think it would have been reasonable if 11 % of the allocation of the total budget have been provided under the tribal Sub-plan it would have done minimum justice to

the tribal. For such haphazard plan there is a great imbalance. For instance, in my district, there are only two colleges for a population of about 5 lakhs of people and there are hardly about 5 Higher Secondary School for a population of 5 lakhs of people, whereas in Upper Assam or in Kamrup District, I think the number of Schools and colleges are much more and that indicates the concentration of education in developed areas only. Now, Sir if this government really wishes to look after the well being of the tribal people, then I would request for more funds for the tribal education in the tribal areas. Sir, I would also like to mention that the government will also have to initiate certain measures. For instance Mr. Narzary, an hon'ble members has said about this Bodo as major Indian language. But I would like to improve upon his stand. Because, Sir, even to-day there is not a full section or a full course for Bodo language in Gauhati and Dibrugarh Universities and till a full course in Bodo language is introduced in the University level, we will not have any person capable of teaching the Bodo language in the college in Assam as a major Indian language. So till that stage arrives, the University has probably started an one year Diploma course and in this one year Diploma course students from any stream has been accepted particularly those who belong to the Bodo community. It is a stop gap measure. So, Sir till a full course in Major Indian Language in Bodo is introduced, we will have to arrange some stop gap arrangement and that will be limited to 2 or 3 years i. e. till they attain full degree in Bodo language. Till that is done, the provision or rules for appointing lecturers in Bodo MIL must be realised. Whea the Gauhati University was started there was some process of linguistic development of the Assamese language. I think it will be just on the part of the Assamese leadership to allow us to

follow their foot step. Now, Sir, with regard to the circular which Mr. Altaf Hussain Majumdar has referred. This circular is a very smart way of expressing the policy of the government. This circular is with regard to the syllabus in the Secondary Schools. This circular tries to enforce a syllabus which has stated that Assamese would be the 3rd language for the Bodo medium students. But whereas the present state of the situation of the Bodo is that the Bodo stndents should be allowed to study in Bodo, English and Hindi and Assamese will be allowed to have as an elective subject on a spontaneous measures without taking into consideration whether they pass or fail in the Annual Examination. This spontaneous measure which is accepted by the Bodos and as a result of which a friendship amongst the Bodos and Assamese now is continuing. So that is the status quo position. The other day I requested that there should be a promise that status quo should be maintained and the sentiment of the Bodo people should not be charged with the enforcement of the syllabus. Therefore, Sir, I would request that this circular which has already created a lot of misunderstanding should be withdrawn. Now, Sir, the last government have instituted the Council for Higher Education and after that the Council has acted in a manner which the Council was not supposed to have done. Therefore, Sir, the Council went against the wishes of the government. The government decided that certain number of High Schools should be upgraded to Higher Secondary Schools and as a result there was a shortage of teachers in Higher Secondary Schools. Because the Dibrugarh and Gauhati Universities have failed to provide teachers with requisite qualifications. Now this decision of the government should be withdrawn. The Council has failed to appoint teachers and upgraded Higher Secondary Schools should be downgraded agai n due to failure of teaching staff by the Council. Therefore, Sir in actual position the Council has gone against the wishes

of the government. Now, Sir if this government also wishes to work jointly along with the Council I think the act for the Higher Secondary Council should be amended. Otherwise there will always be a conflict between the Council and the government. Sir, I do not wish to lengthen my discussion on the budget. But I would request again that for maintenance of peace and tranquility amongst various ethnic groups this circular should be withdrawn. With this, Sir, I would conclude.

শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত যি কৰ্ত্তন প্ৰস্তাব মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমাতাৰী দেৱে উত্থাপন কৰিছে এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ কবলৈ উঠিছোঁ। শিক্ষাই এজন নাগৰিকৰ প্ৰথম অধিকাৰ বুলি কোৱা হৈছে) According to John Stuant Mill Education is man's first right. গতিকে মই সন্তোষ প্ৰকাশ কৰিছোঁ যে এই চৰকাৰে এইবাৰ বাজেটত শিক্ষাৰ শিতানত যোৱাবাৰতকৈ বেছি ধন ধাৰ্য্য কৰিছে। আমি চাব লাগিব যাতে এই ধন কাৰ্য্যত : অৰ্থপূৰ্ণ কৰি তুলিব পাৰো, লগতে আমি দাবী কৰো যে অকল শিক্ষাৰ শিতানত আৰু বেছি ধন ধাৰ্য্য কৰাৰ প্ৰয়োজন আছে ।

অধ্যক্ষ মহোদয়, আমাৰ দেশত এতিয়ালৈকে শতকৰা ৭০ জন মানুহে নিৰক্ষৰ হৈ আছে। স্বাধীনতাৰ পিছে পিছে পৰিকল্পনা কৰা হৈছিল যে প্ৰথম ১০ বছৰৰ ভিতৰত ১৪ বছৰৰ তলত থকা লৰা-ছোৱালীৰ ক্ষেত্ৰত প্ৰাইমেৰী শিক্ষা সাৰ্ব্বজনীন কৰি চালু কৰা হব আৰু আজি ৩৮বছৰৰ পিচতো আমি অতি দুখেৰে লক্ষ্য কৰিব লগা হৈছো যে এতিয়ালৈকে আমি সেই একে দাবীকে দোহাৰি আছোঁ । এই ক্ষেত্ৰত আমি একো উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিব পৰা নাই। আমাৰ শিক্ষা ব্যৱস্থালৈ বহুতো পৰীক্ষ,-নিৰিক্ষা, জল্পনা-কল্পনা হৈ আছে আৰু আমাৰ ছাত্ৰ-সকলক গিনিপিগ'ত ৰূপান্তৰিত কৰা হৈছে। ইয়াৰ ফলত শিক্ষাৰ মান দণ্ডত ক্ৰমাগত ভাবে তললৈ নামি আছে। ইয়াৰ কাৰণে অকল আমাৰ শিক্ষা ব্যৱস্থাই দায়ি নহয় । ইয়াৰ লগত বহুটা কথা জড়িত আছে । শিক্ষাৰ এটা 'ক'অপাৰেটিভ' য'ত শিক্ষাবিদ অভিভাৱক, ছাত্ৰ

সমাজৰ সাধাৰণ মানুহ সকলৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ প্ৰশ্ন নাহে। অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছোঁ যে আমাৰ শিক্ষাৰ যিটো তুখলগা অৱস্থা হৈছে বিশেষকৈ আমাৰ প্ৰাথমিক পৰ্য্যায়ৰ যি শিক্ষা ব্যৱস্থা দেখিবলৈ পাইছো আমাৰ শিক্ষা অনুস্থান বোৰত কি আছে। বেছিভাগ স্কুলৰে ঘৰ-দুৱাৰ নাই, শিক্ষাৰ সজুলী নাই। মই নিজেও এজন শিক্ষক আছিলো, শিক্ষকৰ পেশা এই কাৰণে লৈছিলো যে এইটো এটা ভাল পেসা। কিন্তু আজি যি দেখা পাইছো এই শিক্ষা ব্যৱস্থাতেই আটাইতকৈ বেছি দূৰ্নীতি সোমাই আছে। ইয়াৰ এটা প্ৰতি বিধান চৰকাৰে সোনকালে কৰা প্ৰয়োজন। অধ্যক্ষ মহোদয়, বহুতৰে ধাৰণা যে শিক্ষা ব্যৱস্থাটো চৰকাৰে কটকটীয়া কৰিলে ইয়াৰ সকলো দুৰ্নীতি দূৰ হব আৰু খেলি-মেলি ভুল আঁতৰ হব। কিন্তু এইটো অত্যন্ত ভুল ধাৰণা। এই ব্যৱস্থাই আমাৰ শিক্ষা নীতিত কুঠাৰাঘাত কৰিছে। আমাৰ শিক্ষা ব্যৱস্থাত আৰু শিক্ষানীতি পৰিচালনা কৰাৰ ক্ষেত্ৰত শিক্ষাবিদ, শিক্ষক, অভিভাৱক, সমাজৰ সাধাৰণ ৰাইজ আদি সকলোকে যাতে জড়িত কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে। কিছু দিনৰ পৰা কংগ্ৰেছ চৰকাৰে এনে এটা নীতি অনুসৰণ কৰি আহিছিল যে শিক্ষা ব্যৱস্থা কটকটীয়া কৰিবলৈ গৈ শিক্ষাৰ পৰিচালনা সমিতিসমূহ ভাঙি দিয়া হৈছে। ফলত অধিক সংখ্যক চৰকাৰী সদস্য তাত সুমোৱাই দিয়া হৈছে আৰু পৰিচালনা ব্যৱস্থাটো আমোলাতান্ত্ৰিক হৈ পৰিছে। ফলত শিক্ষাৰ মানদণ্ড তললৈ গৈছে আৰু শিক্ষা ব্যৱস্থা দূৰ্নীতি পূৰ্ণ হৈ পৰিছে। শিক্ষা অনুষ্ঠানৰ, মেনেজিং' কমিটি বিলাক আজি-কালি নাইকীয়া হৈ পৰিল। তাৰ ঠাইত কোনোবাই ৰাজনীতিবিদ, কোনোবা ঠিকাদাৰ আৰু কোনোবা দোকানদাৰী সোমাই পৰিছে। শিক্ষা ব্যৱস্থা এনেদৰে আমোলাতান্ত্ৰিক হোৱাৰ ফলত লৰাছোৱালীৰ পঢ়া শুনা নোহোৱা হ'ল। অফিচাৰ সকলে কয় আমি কি কৰিম। যি সকল অবিভাৱকৰ আৰ্থিক সামৰ্থ আছে তেওঁলোকে 'টিউচন' দিছে আৰু যি সকলৰ সামৰ্থ নাই, তেওঁলোকৰ শিক্ষাৰ কোনো ব্যৱস্থা নাই। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই এটা জৰুৰী প্ৰস্তাৱ কৰো যে শিক্ষাৰ পৰিচালনা ব্যৱস্থাৰ লগত শিক্ষাবিদ, শিক্ষক, সমাজৰ

সাধাৰণ ৰাইজ আৰু অভিভাবকক অধিক ভাবে জড়িত কৰি পৰিচালনাৰ দায়িত্ব দিব লাগে । শিক্ষাৰ পৰিচালনাৰ ব্যৱস্থাটো গণতান্ত্ৰিক কৰা দৰকাৰ । তাকে নকৰি শিক্ষাৰ ব্যৱস্থা আগৰ দৰে আমোলাতান্ত্ৰিক হৈ থাকিলে শিক্ষাৰ মানদণ্ডত ক্ষতিগ্ৰস্ত হ'ব আৰু দুৰ্নীতি অধিক ভাৱে শিপাব । আমি দেখা পাইছো যে স্কুলৰ প্ৰধান শিক্ষক জনে মাহটোৰ ভিতৰত প্ৰায় ১৫ দিনেই দৰমহা বা অন্যান্য কাৰণত ডি, আই আৰু ডি, পি, আই অফিচলৈ আহিব লগা হয় । প্ৰধান শিক্ষক নথকা দিনবোৰত স্কুলৰ পঢ়া-শুনা কেনে হয় সেইটো সহজে অনুমান কৰিব পাৰি । প্ৰধান শিক্ষক নেথাকিলে সাধাৰণতে স্কুলত পঢ়াশুনা নহয় । এনেধৰণেৰে আমি স্কুলৰ ছাত্ৰ-ছাত্ৰীক কি নিৰ্দশন দেখুৱাব পাৰো । এই ক্ষেত্ৰত চৰকাৰে এটা ষ্টেণ্ড লব লাগিব । শিক্ষা পৰিচালনা নীতিৰ লগত জনসাধাৰণক অধিক ভাবে জড়িত কৰিব লাগিব । জনসাধাৰণ জড়িত হলে শিক্ষা ব্যৱস্থাৰ ফালে চকু দিব পাৰিব ।

মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰসংগত এটা কথা কব বিচাৰিছো, সেইটো হৈছে কেন্দ্ৰীয় চৰকাৰে নতুন শিক্ষা-নীতিৰ নামত এটা মাৰাত্মক শিক্ষা-নীতি চালু কৰিব বিচাৰিছে । এই নীতিটোৰ সবিশেষ এতিয়ালৈকে জানিব পৰা গৈছে তাৰপৰা এইটো কথা বুজি পাইছো যে এইটো এটা মাৰাত্মক শিক্ষা-নীতি হব । এই নীতি যদি আমাৰ ৰাজ্যত প্ৰচলিত হবলগীয়া হয় তেতিয়াহলে ৫।৬ বছৰৰ পিছত শিক্ষা নামৰ কোনো এটা বস্তুৱেই নাথাকিব । জানিবপৰা মতে ৮ম-মান শ্ৰেণীলৈকে পৰীক্ষা নাথাকিব । ৮ম-মান শ্ৰেণীতে পৰীক্ষা লোৱা হব । তাত যিসকলে পাচ কৰিব সেই-সকলে পঢ়িব পাৰিব আৰু যিসকলে পাচ কৰিব নোৱাৰিব সেইসকলৰ শিক্ষা জীৱন সমাপ্ত হব । তাৰোপৰি কিছুমান ইংৰাজী মাধ্যমৰ স্কুল খোলা হব যিবিলাকত ডাঙৰ ডাঙৰ মানুহৰ লৰা-ছোৱালীহে পঢ়িব পাৰিব । তাত সৰ্ব্বসাধাৰণৰ লৰা-ছোৱালী পঢ়ুৱাৰ কোনো সুবিধা নাই । চাকৰিৰ লগত শিক্ষাৰ ব্যৱস্থা নাই বুলি কোৱা হৈছে । এই নীতিয়ে শিক্ষা নিৰোৎসাহিতহে কৰিব । এই ব্যৱস্থাৰ দ্বাৰা শিক্ষা সংকোচন কৰা হৈছে । মই ভাবো এইটো এটা মাৰাত্মক শিক্ষা ব্যৱস্থা । আশা কৰো আমাৰ এ জি পি চৰকাৰে এই মাৰাত্মক শিক্ষা ব্যৱস্থাৰ পৰা

আগতীয়াকৈ সচেতন হব, আৰু আমাৰ ৰাজ্যত যাতে এই শিক্ষা ব্যৱস্থা চলিব নোৱাৰে তাৰ কাৰণে প্ৰয়োজনীয় সাৱধনতা অৱলম্বন কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কালিৰ পৰা লক্ষ্য কৰিছো যে আমাৰ বহুতো মাননীয় সদস্যই এই সদনত মনোভাব ব্যক্ত কৰিছে ভাষানীতিৰ সম্পৰ্কৰ। ভাষা বস্তুটো অতি স্পৰ্শকাতৰ। এই ক্ষেত্ৰত আমি সকলোৱেই অতি সাৱধানেৰে আগবাঢ়িব লাগিব। আমি এটা কথা কিছু দিনৰ পৰা দাবী কৰি আহিছো। অসম আন্দোলনৰ সন্দৰ্ভত কৈ আহিছো যে ৰাজ্যিক ভাষা হিচাবে অসমীয়া ভাষাৰ মান-মৰ্য্যদা স্থায়ী কৰিবৰ কাৰণে সংবিধানত ব্যৱস্থা কৰিব লাগিব। অসমীয়া ভাষা ৰাজ্যিক ভাষা কৰাৰ কথাত কাৰো দ্বিমত নাই। ৰাজ্যিক ভাষা হিচাবে অসমীয়া ভাষাৰ মৰ্য্যদা দিবৰ কাৰণে প্ৰয়োজন হলে সংবিধান সংশোধন কৰিব লাগিব বা প্ৰয়োজন হলে সংসদত বিল আনিব লাগিব। কিন্তু এই কথাটোতে কিছুমানৰ মনত ভুল বুজাবুজি হৈছে। ৰাজ্যিক ভাষা অসমীয়া কৰাৰ লগতে, অসমত বসবাস কৰা বিভিন্ন ভাষা গোষ্ঠীক তেওঁলোকৰ মাতৃ ভাষাত শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত কৰিব নালাগিব। ৰাজ্যিক ভাষা অসমীয়া হলে সকলোৱেই অসমীয়া ভাষা শিকিব। কিন্তু অসমীয়া 'ইমপ'জ' কৰা ভাল নহব। ভাষা শিকিবলৈ, ভাষা গ্ৰহণ কৰিবলৈ স্বেচ্ছা প্ৰনোদিত ভাবে আগবাঢ়ি আহিব লাগিব. কিন্তু জাপি দিলে মানুহৰ মনত 'চেন্টিমেন্ট ক্ৰিয়েট' হব। গতিকে যিখন চাৰকুলাৰ দিছে সেইখন বাধ্যতামূলক কৰি দিছেনেকি ? যদি বাধ্যতামূলক কৰি দিছে তেন্তে সেইখন উঠাই লবলৈ মই অনুৰোধ জনাইছো।

মই এইখিনিতে আৰু এটা কথা কব বিচাৰিছো যে বিশ্ব বিদ্যালয় মঞ্জুৰী অয়োগৰ মহাবিদ্যালয় বিলাকত নিযুক্তি দিয়াৰ কিছুমান 'নৰ্মচ' আছে। শতকৰা ৫২'৫ ভাগ নম্বৰ পাব লাগিব। কিন্তু এই কথা আমি জানো যে ভাৰতবৰ্ষৰ বহুত বিলাক ৰাজ্যত ভাষিক পৰীক্ষা বিলাকত সিমান নম্বৰ নোপোৱাৰ কাৰণে 'নৰ্ম'চ, কিছু সিথিল কৰিছে। কিন্তু আমাৰ ৰাজ্যত এই নিয়ম এতিয়াও হোৱা নাই। সাধাৰণতে অসমীয়া, ইংৰাজী, হিন্দী, বৰো, আদি পৰীক্ষাৰ কাকত সমূহত শতকৰা ৪২. ৫ নম্বৰ পোৱা নাযায়। আমাৰ চৰকাৰে এই

ক্ষেত্রত ৰিলাকচেচন দিয়া নাই। গতিকে মই আমাৰ এ জি পি চৰকাৰক এই বিলাক ভাষিক পেপাৰত শতকৰা ৫০ ভাগ নম্বৰলৈ ৰিলাকচেচন দিবলৈ অনুৰোধ জনালো। যাতে আমাৰ চৰকাৰে এই ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বিষয়লৈ উত্তাপৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। ব্যক্তিগত ভাৱে মই ভাবো যে বিশ্ববিদ্যালয়ৰ আকাৰে সৰু হলে মৰ্য্যাদা কমি যায়। গতিকে জিলাই জিলাই ৰিশ্ববিদ্যালয় হোৱাৰ কথাটো কেতিয়াও মই মানি লব নোৱাঁৰো। এই কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ স্থান লৈ এটা সমস্যাৰ সৃষ্টি হৈছে। অৱশ্যে এইটো কথা সচঁা যে কাছাৰৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে ব্ৰহ্মপুত্ৰ উপত্যকাৰ গুৱাহাটী বিশ্বৰিদ্যালয় বা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়াটো অসুবিধাজনক। তথাপি কাছাৰ জিলাৰ ছাত্ৰ বন্ধু আৰু জনসাধাৰণক অনুৰোধ জনাও যে তেওলোকে স্বকীয়া বিশ্ববিদ্যালয়ৰ কাৰণে আন্দোলন নকৰি, বৰং গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেম্পাচ যাতে পুৰণা কলেজ বিলাকত কৰিব পৰা যায়, তাত পি জি ক্লাচৰ ব্যৱস্থা কৰিব পৰা যায়, সেইটো কৰিব পাৰিলেই ভাল হব। কাৰণ গুৱাহাটী বিশ্ববিদ্যালয়ৰ মানদণ্ডৰ যি খ্যাতি, সেই খ্যাতি গোটেই ভাৰত বৰ্ষতেই আছে। গতিকে মই ভাবো আন্দোলন বন্ধ কৰি এনে কৰাৰ কাৰণে প্ৰস্তাৱ দিব লাগে।

মাননীয় অধ্যাক্ষ মহোদয়, মই আৰু এটা কথা কব বিচাৰিছো যে আমাৰ বৰ্ত্তমান চৰকাৰে কিছুমান মজলীয়া স্কুল প্ৰাদেশীকৰণ কৰিছে। কিন্তু এইটো কৰিবলৈ যাওতে আৰবিক, হিন্দী, বৰো, আদি শিক্ষক বাদ পৰি গৈছে। এইটো অতি দুখৰ কথা যে স্কুল আৰম্ভ হোৱাৰ দিন ধৰি ৮, ১০ বছৰ ধৰি বিনা দৰ্মহাই কাম কৰি অহাৰ পিছত স্কুল প্ৰাদেশীকৰণ হোৱাৰ লগে লগেই এই সকল শিক্ষকৰ চাকৰি নাইকীয়া হল। এতিয়া এম ই স্কুল বিলাকত আৰবিক আৰু সংস্কৃতৰ পদ নাইকীয়া কৰিছে।

এতিয়া হেনো কৈছে যে এম ই স্কুল বিলাকত আৰবিক আৰু সংস্কৃত পদ বিলাক নাথাকে সেই কাৰণে তেওঁলোকক ড্ৰপ কৰি দিয়া হৈছে।

চৰকাৰৰ নীতি এই ক্ষেত্ৰত বৰ ঠিক হোৱা নাই বা চৰকাৰে এই নীতি ললেও অতিতত গত ১০ বছৰে যি সকল শিক্ষকক কাম কৰিবলৈ দিয়া হৈছে এঢক বা ৰিকগনিচনৰ সময়ত এতিয়া তেওঁলোকক ড্ৰপ কৰা বৰ অন্যায় হব। তেওঁলোক আমাৰ ওচৰলৈ আহি থাকে সেয়ে মই শিক্ষা মন্ত্ৰী মহোদয়ক অনু ৰোধ কৰিছো যাতে এই বিষয়টো পুনৰ বিবেচনা কৰে আৰু ড্ৰপ আউট যিবিলাক পোষ্ট আৰবিক হওঁক বা সংকৃত হওঁক বা অসমীয়াই হওঁক অবিলম্বে তেওঁলোকক নিযুক্তি দিয়াৰ ব্যৱস্থা শিক্ষা মন্ত্ৰীয়ে কৰে।

অধ্যক্ষ মহোদয়, মই সদৌ শেষত এটা কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিম সেই টো হৈছে প্ৰাপ্ত বয়স্ক শিক্ষাৰ আচনিৰ কথা। এইটো এটা বৰ ভাল আচনি কিন্তু আমি দেখিবলৈ পাইছো যে এই বিষয়টোতো দুৰ্নীতিয়ে গা কৰি উঠিছে। যদি ভালকৈ নিয়ন্ত্ৰন কৰা নাযায় গণতান্ত্ৰিক প্ৰকিয়ালৈ লক্ষ্য কৰা নাযায় তেনেহলে এই আচনি কাগজে পত্ৰই থাকিব ইয়াৰ সুফল ৰাইজে নাপায় পইছাখিনিও অপব্যয় হব। মই শিক্ষা মন্ত্ৰী মহোদয়ক এটা কথাত অনুৰোধ কৰিব বিছাৰিছো বিভিন্ন মহকুমাত যিবিলাক মহকুমা শিক্ষা বোৰ্ড আছিল সেই বোৰ্ড সমূহ অবিলম্বে পুণৰগঠণ কৰিব লাগে, বোধকৰো এতিয়ালৈকে গঠণ কৰা হোৱা নাই। এই বোৰ্ড বিলাক নোহোৱাৰ কাৰণে বহুত অসুবিধা হৈছে। যিবিলাক স্কুলত এজনীয়া শিক্ষক আছে আৰু কিছুমান স্কুলত শিক্ষকজন ট্ৰেইনিংত গৈছে এতিয়া শিক্ষক নিযুক্তি দিব পৰা নাই যাৰ ফলত ছাত্ৰছাত্ৰী সকলে ভুগী থাকিবলগীয়া হৈছে এই বোৰ্ড গঠণ কৰাৰ লগে লগে নিযুক্তি বিলাকো মুকলি কৰি দিব লাগে। মহকুমা বোৰ্ড বিলাকক দায়িত্ব দিয়া ভাল হব নেকি যে আগৰ চৰকাৰে যিবিলাক শিক্ষক নিয়োগ কৰিলে সেই বিলাক পুনৰ পৰীক্ষা কৰা কাৰণে যি কাৰণ আমি দেখিবলৈ পাইছো আগৰ চৰকাৰে বহুত অৰ্হতা সম্পৰ্ক নোহোৱা বা নম্বৰ নোচোৱাকৈ টকা পইচা লৈ স্বজন তোষণ নীতিৰে শিক্ষক নিয়োগ কৰিছিল আমি সেইবিলাক পুনৰ বিবেচনা কৰি চোৱা দৰ্কাৰ।

এইখিনিতে কৈ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিছাৰিছো যে শিক্ষাৰ ক্ষেত্ৰত যিবিলাক অসুবিধা আছে

Voting on Demands For Grants

সেই অসুবিধাবিলাক অবিলম্বে দূৰ কৰি বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰক। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীছামছিং হান্সে :—

মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনৰ বাবে শিক্ষা মন্ত্ৰী মহোদয়ে যি শিক্ষা মঞ্জুৰী দাবি ধৰিছে তাক মই সমৰ্থন কৰিছো আৰু যি সকল সদস্যই এই দাবী মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাক মই বিৰোধীতা কৰিছো আৰু যাতে প্ৰস্তাৱটো তেওঁলোকে উঠাই লয় তাৰ বাবে অনুৰোধ কৰিছো।

আমাৰ অসমৰ দৰে ঠাই এখনৰ কাৰণে শিক্ষা বিভাগত উদ্গতি সাধিবলৈ নতুন চৰকাৰৰ যথেষ্ট কষ্ট হব আৰু কিছুমান নতুন দৃষ্টিভঙ্গী লোৱাৰ দৰ্কাৰ হব আৰু হয়তো বহুতো বিষয়ৰ সাল সলনি ঘটাব লাগিব পাৰে। এইখিনি ক্ষেত্ৰতে মই যি ঠাইৰ পৰা নিৰ্ব্বাচিত হৈ আহিছো সেই ঠাইৰ শিক্ষাৰ বিষয়ে কিছুমান কথা অৱগত কৰিব খুজিছো। মোৰ জিলাখনত যোৱা ৩৫ বছৰৰ ভিতৰত ১৫৬ খন প্ৰাথমিক স্কুল আছে তাৰ ভিতৰত ৫ খন চাহ বাগিছাৰ স্কুল বাকীখিনি কাৰ্বিআংলং জিলা পৰিষদৰ অধীনৰ। মোৰ ৩৫ বছৰীয়া অভিজ্ঞতাৰ পৰা কৈছো এই শিক্ষাৰ উন্নয়নৰ কাৰণে কোনো ধৰণৰ আচনি নললে যি ধৰণে টকা পইচা খৰচ নকৰক কিয় সেই টকা পইচাৰ সৎ ব্যৱহাৰ নহয়। নিৰ্ব্বাচিত হৈ অহা দিন ধৰি তেনে ব্যয়ৰ পৰা চৰকাৰী তদন্ত দাবি কৰি আহিছো। এই ৯৫৬ খন প্ৰাইমাৰী স্কুলৰ অৱস্থা যি সকল সদস্যলোকে বা মাননীয় সদস্য তালৈ গৈছে তেওঁলোকে নিশ্চয় মোৰ কথাত পতিয়ন যাব এই স্কুল বিলাকৰ অৱস্থা আটাইতকৈ বেয়া। বিভিন্ন উন্নয়নৰ কাৰণে চৰকাৰে টকা খৰচ কৰিছে কিন্তু কি লাভ হ'ল ? সেই অঞ্চলত ১৮৮৫ চনৰ পৰা খৃষ্টান মিচনেৰী সকলে শিক্ষানুষ্ঠান বিলাকত শিক্ষাৰ সম্প্ৰসাৰণ ঘটাইছে। তুলনামূলকভাৱে সেই বিলাক স্কুল আমাৰ চৰকাৰী স্কুল বিলাকতকৈ বহুত ভাল। যিবিলাক সুবিধা তেওঁলোকে দি আহিছে আমি দিব পৰা নাই। অকল জিলা পৰিষদলৈ টকা পঠালেই নহয়, জিলা পৰিষদে এই টকা বিলাকৰ কেনেকৈ অপব্যয় কৰিছে ব

দুৰ্নীতি কৰিছে সেইটো চোৱা উচিত। উদাহৰণ স্বৰূপে মই এটা কথা কব পাৰো অসম চৰকাৰৰ পাৰ্ব্বত্য অঞ্চলৰ উন্নয়ন বিভাগৰ পৰা কিছু টকা অনুদান গৈছিল প্ৰাইমেৰী স্কুলৰ গৃহ নিৰ্ম্মানৰ কাৰণে। জিলা পৰিষদৰ কেইজনমান ঠিকাদাৰৰ প্ৰৰোচনাত পৰি এই টকা গৃহ নিৰ্ম্মাণত খৰছ নকৰি স্কুল বিলাকত টেবুল ঘড়ী কিনাৰ ব্যৱস্থা কৰিলে সেই হিচাবে জয়কো কোম্পানীৰ পৰা ঘড়ী কিনাৰ ব্যৱস্থা কৰিলে। এই ঘড়ীৰ দাম গুৱাহাটীত ৮৫ টকাৰ পৰা ৯০ টকাৰ ভিতৰত হব। জিলা পৰিষদে যোৱা বছৰ ৮০০ টা ঘড়ী নিয়াৰ ঠিক কৰিলে। ঠিকাদাৰে ঠিকা ঠিকেই পালে ৯০ টকাকৈ ৭২ হাজাৰ টকা ঠিকাদাৰক দিয়া হ'ল ঘড়ী বাবদ, কিন্তু জিলা পৰিষদে ঘড়ী কিনা বাবদ প্ৰতিটো ঘড়ীত ৬৯৫ টকা খৰচ কৰিলে আৰু সেই কাৰণে ৫ লাখ ৫৬ হাজাৰ টকা আদায় দিয়া দেখুওৱা হ'ল। য'ত ৭২ হাজাৰ টকা দিব লাগে সেই ঠাইত ৫ লাখ ৫৬ হাজাৰ খৰচ কৰা হ'ল অৰ্থাত অতিৰিক্ত ৪ লাখ ৮৪ হাজাৰ টকাৰে দুৰ্নীতি কৰিলে। জিলা পৰিষদৰ এনে দুৰ্নীতিৰ কথা আগতেওঁ কৈছো কিন্তু আমাৰ চৰকাৰে কব যে আমাৰ দায়িত্ব নাই তেওঁলোকক স্বকীয়া প্ৰশাসনৰ দায়িত্ব দিয়া হৈছে। আজি আমি ৩৫ বছৰে অভিজ্ঞতাৰ পৰা দেখিছো জিলা পৰিষদ দুৰ্নীতিৰ বাহৰ হৈ পৰিছে। আমি এই দুৰ্নীতি নিৰ্ম্মূল কৰিম বুলি প্ৰতিশ্ৰুতি দি আহিছো।

এনে ধৰণে জিলা পৰিষদে দুৰ্নীতিৰ আশ্ৰয় ললে আৰু অসম চৰকাৰে যদি চায় থাকে আমাৰ একো কৰলগীয়া নাই বুলি তেনেহলে আমি নিৰুপায়। সেই কাৰণে মই কৈছো যে কাৰবিআলং জিলা আৰু উত্তৰ কাছাৰ জিলাত স্বায়ত্ব শাসন দিলেও অসম চৰকাৰে চোৱা চিতা কৰা দায়িত্ব থাকিব লাগে। অসম চৰকাৰৰ পাৰ্ব্বত্য অঞ্চল উন্নয়ন বিভাগৰ এজন মন্ত্ৰী আছে। আৰু সেই জিলা দুখন লৈ টকা পইচাৰ মঞ্জুৰী দিব লগীয়া হলেও এই বিভাগৰ জড়িয়তে মঞ্জুৰী দিয়া হয়। গতিকে এই বিভাগৰ দায়িত্ব থকা মন্ত্ৰী জনে বিভিন্ন উন্নয়ণৰ দিশ চোৱা চিতাৰ দায়িত্ব লব লাগে। আৰু সকলো বিলাক খেলি মেলিৰ কাৰণে পাৰ্ব্বত্য অঞ্চল উন্নয়ন মন্ত্ৰী জনে জবাব দিহি হব লাগে। এই খিনিতে মই এটা কথা

উন্নুকিয়াব খুজিছো ৰাজ্য চৰকাৰ আৰু স্বায়ত্ব শাসিত জিলা তুখনত চৰকাৰৰ সম্পৰ্ক চাৰ্কাছৰ ৰিং-মাষ্টাৰৰ নিচিনা। চাৰ্কাচৰ ৰিং-মাষ্টাৰে কাম চলায়। তেত্তঁ যিমান ভালকৈ চাবুক ঘুৰাব পাৰিব সিমানেই ভালকৈ খেলা দেখুৱাব। আৰু তেওঁ চলাব নাজানিলে ধাইজে খেলাৰ পৰা বঞ্চিত হব। আমাৰ চৰকাৰৰো একে অৱস্থা। চলাব জানিলে ভাল ফল পাব। সেই কাৰণে মই কওঁ এই বিত্তীয় বছৰটোত পাৰ্বত্য অঞ্চলৰ কাৰণে ৩৫ কোটি টকা ধৰা হৈছে। কোনটো আচনিত কিমান টকা খৰছ কৰা হব অসম চৰকাৰে ভালকৈ নিৰ্দ্দেশ দিব লাগিব। নহলে ৰাজহুৱা ধনৰ পুণৰ অপব্যয় হব। আমাৰ নতুন চৰকাৰে স্কুল সমূহত বিনা মূলীয়াকৈ ইউনিফৰম আৰু কিতাপ পত্ৰ যোগান ধৰাৰ আচনি যুগুত কৰিছে। জিলা পৰিষদে স্কুল সমূহৰ কাৰণে এই ব্যৱস্থা বোৰ প্ৰবৰ্ত্তন কৰে নে নকৰে লক্ষ্য কৰিব লাগে। নহলে বেচিকৈ দাম দি কিতাপ কিনিব লগা হব পাৰে। তাৰ বাবত বস্তু বাহিনীৰ অনৰ্থক টকা খৰছ হব। গতিকে সেই একেই আয়াৰাম গয়াৰাম হব। তাক বন্ধ কৰিব নোৱাৰিলে শিক্ষাৰ কোনো উন্নতি কৰিব নোৱাৰে। গতিকে নতুন চৰকাৰে এক নতুন দৃষ্টি ভঙ্গিৰে এটা পৰিষ্কাৰ শিক্ষা ব্যৱস্থা গ্ৰহণ কৰি যাতে শৈক্ষিক বাতাবৰণৰ সৃষ্টি কৰিব পাৰি তেনেকুৱা আচনি আমি গ্ৰহণ কৰিব লাগিব। মই পুণৰ বাৰ এই দাবী মঞ্জুৰীক সমৰ্থন কৰিছো আৰু বিৰোধী দলে উতথাপন কৰা কৰ্ত্তন প্ৰস্তাবটো উঠাই লবলৈ অনুৰোধ কৰিছো। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীদুৰ্গা দাস বড়ো :**

মাননীয় অধ্যক্ষ মহোদয়, আৰু সদন শিক্ষাৰ শিতানত গোটেই বাজেটৰ আধাতকৈ বেচি টকা ধৰা হৈছে। শিক্ষাৰ দিশত নিকা আৰু সুস্থ পৰিবেশ গঠন কৰিবলৈ যি প্ৰচেষ্টা শিক্ষা মন্ত্ৰী মহোদয় হাতত লৈছে সেই প্ৰচেষ্টাত কিছু বাধা দেখুৱাবৰ কাৰণে বিৰোধী পক্ষৰ সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱ আনিছে। সেই কৰ্ত্তন প্ৰস্তাৱৰ মই বিৰোধীতা কৰিছো আৰু বাজেটত উল্লেখ কৰা দাবী মঞ্জুৰীলৈ মই সমৰ্থন আগবঢ়াইছো। বিৰোধী পক্ষৰ কেইজনমান মাননীয় সদস্য আৰু চৰকাৰী পক্ষৰো মাননীয় সদস্যই শিক্ষাৰ শিতানত আলোচনা আৰু সমালোচনাৰ অংশ গ্ৰহণ

কৰিছে আৰু আটাই কেইজনে বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়াইছে। স্বাধীনতাৰ পাচৰ পৰাই, মই স্বাধীনতাৰ পাচৰ কথাহে কৈছো আগৰ কথা উল্লেখ কৰা নাই। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছৰে পৰা দেখা গৈছে ভাৰতবৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা ব্যৱস্থাৱে এক পৰীক্ষাগাৰলৈ সামগ্ৰিকভাবে ছাত্ৰ ছাত্ৰীক লৈ আহিছে। স্বাধীনতাৰ ৩৮ বছৰ পাছতো ইয়াৰ ব্যতিক্ৰম নহ'ল, অসমতো তাৰ ব্যতিক্ৰম আমি দেখিবলৈ নাপালো। কিন্তু এইবাৰ বাজেটৰ মুঠ যিমান টকা আছে তাৰ আধাতকৈও বেছি টকা ধৰি যি আমুল পৰিবৰ্ত্তন আনিব বিছৰা হৈছে সেই পৰিবৰ্ত্তনৰ সাফল্য অকল চৰকাৰৰ ওপৰতে নিৰ্ভৰ নকৰে, চৰকাৰ পক্ষ, বিৰোধী পক্ষ মাননীয় সদস্যসকলৰ সহযোগিতাৰ লগতে ছাত্ৰ-ছাত্ৰী অভিভাৱক তথা সমগ্ৰ অসমৰ ৰাইজৰ ঐকান্তিকতা নিৰ্ভৰ কৰিব। এই ক্ষেত্ৰত মই উল্লেখ কৰিব পাৰো যে চৰকাৰে যি ৪৫ হাজাৰ টকা বা ৫০ হাজাৰ টকা মঞ্জুৰী হিচাবে দিয়ে সেই মঞ্জুৰী পোৱাৰ পাছত স্কুলখন স্থাপন কৰা অকল চৰকাৰৰে দায়িত্ব নহয় দায়িত্ব স্থানীয় ৰাইজৰো থাকে আৰু বিদ্যালয়ৰ যি কেইজন শিক্ষক তেওঁলোকৰো দায়িত্ব থাকে। বিদ্যালয়খন স্থাপন কৰোতে বিদ্যালয়ৰ ঘৰ নিৰ্মাণৰ কাৰণে শিল বালি লোহা আনি পেলালে তাক স্থানীয় ৰাইজেও চকুকান দিব লাগিল। এই ৰাইজ আৰু চৰকাৰৰ সহযোগৰ বিনিময়ত যিবিলাক স্কুলৰ কাৰণে ৪৫ হাজাৰ টকা এন আৰ ই পি আচনিত দিয়া হৈছিল সেই বিলাকৰ বহুতৰে কিছুমান ঠাইত টিনপাত বা খুটা হ'ল বাকী নহ'ল কিছুমান ভেটিটো কিছুমান ঠাইত ৱালখন হৈয়ে বাকীবিলাক পৰি থাকিল। এই বিলাক ক্ষেত্ৰত বিভাগীয় কৰ্মচাৰী সকলৰ সহযোগ নহলে কাম নহয়। যাতে সকলো স্তৰৰ পৰা সহযোগিতা পাব পাৰে তাৰ চিন্তা কৰিব লাগে। আমাৰ এজন বিৰোধী পক্ষৰ মাননীয় সদস্যই কৈছে যে কাছাৰ জিলাই স্বকীয়া বিশ্ববিদ্যালয় দাবী নকৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনৈতিক দিশ উন্নতি কৰা আৰু কলেজ বিলাকত পি,জি ক্লাচ কৰাৰ পৰামৰ্শ দিছে।

**Voting on Demands for Grants**

অধ্যক্ষ মহোদয়, মই আৰু এটা পৰামৰ্শ শিক্ষা মন্ত্ৰী মহোদয়ক আগবঢ়াব বিচাৰিছো যে বহুত দুখীয়া আৰু অৱস্থাহীন অভাৱগ্ৰস্ত বহুতো ছাত্ৰ ছাত্ৰীয়ে আসনৰ অভাৱত বিশ্ববিদ্যালয়ত স্থান নাপায় বা পঢ়িব নোৱাৰে অৰ্থাত উচ্চ শিক্ষাৰ পৰা বঞ্চিত হবলগীয়া হৈছে। সেই কাৰণে পৰা নৰ্ম্চ সম্পূৰ্ণ কৰিব পৰা কলেজ বিলাকৰ পৰা অন্ততঃ পক্ষে প্ৰতি মহকুমাতে একোখনকৈ কলেজত বিশ্ববিদ্যালয়ৰ শ্ৰেণী খোলাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। তাৰ দ্বাৰা দুখীয়া ছাত্ৰ ছাত্ৰীসকলৰ উপকাৰ নিশ্চিত কৰিব পৰা যাব। ভাৰতবৰ্ষৰ আন আন উন্নত ৰাজ্যসমূহত ইতিমধ্যে এনেকুৱাকৈ মহকুমা পৰ্য্যায়ৰ কলেজত বিশ্ববিদ্যালয় শ্ৰেণী খোলা হৈছে। শিক্ষাৰ শিতানত যিখিনি টকা ধৰা হৈছে সেই ক্ষেত্ৰত প্ৰাথমিক স্কুল পৰ্য্যায়ত যাতে এই ধন খৰচ কৰাত প্ৰাধান্য দিয়া হয় তাৰ কাৰণে ব্যৱস্থা কৰিবলৈকো এই খিনিতে পৰামৰ্শ আগবঢ়ালো। কিয়নো গুৰিতে যদি শিক্ষাৰ ক্ষেত্ৰত জোৰ দিয়া নহয় তেনেহলে কেৱল কলেজ বা বিশ্ববিদ্যালয় পৰ্য্যায়ত জোৰ দিলেই শিক্ষাৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা নহব বুলি ভাবিবৰ যথেষ্ট থল আছে। প্ৰাথমিক বিদ্যালয় গোটেই অসমতে পচিশ হাজাৰৰো বেছি আছে বুলি সিদিনাখন শিক্ষামন্ত্ৰী মহোদয়ে উত্তৰ প্ৰসঙ্গত কৈছেই। ইতিমধ্যে চৰকাৰী কৰা এজনীয়া স্কুল সমূহত আৰু অধিক শিক্ষক নিয়োগ নিশ্চিত কৰি দুজনীয়া কৰাতো নিশ্চিত কৰা কাৰণে আমি ধন্যবাদ জনাইছো। তাৰ লগতে আৰু এটা পৰামৰ্শ আগ বঢ়াব খুজিছো যে বেচৰকাৰী হৈ থকা প্ৰাথমিক বিদ্যালয় সমূহৰ কথাও সম্যক ভাৱে দৃষ্টি ৰাখি পৰ্য্যায় ক্ৰমে চৰকাৰী কৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। অহা পাচ বছৰৰ ভিতৰত এই ব্যৱস্থাৰে নিশ্চয় ভাল ফল পোৱা যাব।

অধ্যক্ষ মহোদয়, শিক্ষা ব্যৱস্থাত থকা এটা কেৰোণৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছো। এখন স্কুললৈ গৈ ঘুৰি আহি এজন ছাত্ৰ বা ছাত্ৰীয়ে প্ৰথম দিনাই মাক-দেউতাকৰ আগত স্কুল খনৰ বিষয়ে যি অভিজ্ঞতা বৰ্ণনা কৰে সেই বৰ্ণনা গাওঁ অঞ্চলত হয়গৈ ৰবযুণ বতৰত শ্ৰেণী নবহে, খৰ বতৰত ৰ'দ

খৰ বতৰত ব'দ গোকা হ'লে শ্ৰেণী নবহে বেঙ মাতিলে বা জপিয়ালে স্কুলৰ ভিতৰলৈ আহে ইত্যাদিহে হয়। কিন্তু গুৱাহাটী বা তেজপুৰ আদি চহৰৰ ল'ৰা ছোৱালীয়ে প্ৰথম দিনা বিদ্যালয়লৈ গৈ ঘূৰি আহিমাক-বাপেকৰ আগত তেনে অভিজ্ঞতাৰ কথা কব নালাগে। ইয়াতকৈ কিছু উন্নত অভিজ্ঞতাৰ কথা কব পাৰে। চহৰাঞ্চলৰ প্ৰায়বোৰ স্কুলেই কম বেছি পৰিমাণে এটা মানদণ্ড পৰ্য্যায়ত আছে। গতিকে মই অসম গণপৰিষদ তথা অসম চৰকাৰক পৰামৰ্শ আগবঢ়াব খুজিছো যাতে যিবিলাক পিচপৰা অঞ্চল আছে সেই বিলাকত অধিক গুৰুত্ব দিয়া হয় আৰু অলপ আগবঢ়া অঞ্চলৰ সমানে সমকক্ষ কৰি আগবঢ়াই আনিবলৈ চেষ্টা কৰা হয়। আন এটা কথা উল্লেখ কৰিব খুজিছো। বিদ্যালয় বিলাকত টেবুল টেনিচ খেলৰ কাৰণে বোৰ্ড আদি সৰঞ্জাম দিয়াৰ কথা ঘোষণা কৰিছে প্ৰথম পৰ্য্যায়ত এশ স্কুলৰ কাৰণে কিন্তু মই ভাবো ইতিমধ্যে পাৰদৰ্শিতা দেখুৱাব পৰা তেনে বিধৰ খেলৰ কাৰণে চেষ্টা নকৰি ইমানদিনে পাৰদৰ্শিতা দেখুৱাব নোৱাৰা যি বিলাক খেল আছে সেই বিলাকৰ কাৰণে সুবিধা আগ বঢ়োৱাহে বেছি যুক্তি সংগত হব। মই মোৰ এলেকাৰ কথা কব পাৰো কিছুমান স্কুলত এই টেবুল টেনিচ বোৰ্ডখন শিক্ষকে ক্লাচ লোৱা কামতহে ব্যৱহাৰ হব। খেলৰ কাৰণে ব্যৱহাৰ নহব। গতিকে তেনে কামৰ কাৰণে কেবাহাজাৰ টকা খৰচ কৰি একোখনকৈ টেবুল টেনিচ বোৰ্ড দিয়াতো উচিত নহব বুলিয়েই ভাবো। তাৰ সলনি পাৰ-দৰ্শিতা দেখুৱাব নোৱাৰা খেলত প্ৰাধান্য দিব লাগে। কেইবাগৰাকী মাননীয় সদস্যই বক্তৃতা প্ৰসঙ্গত শিক্ষা বিভাগটো দুৰ্নীতিৰ ক্ষেত্ৰত অলপ আগবঢ়া বুলি ক্ষোভ প্ৰকাশ কৰিছে। মই ভাবো যদি দুৰ্নীতি চালনিৰে চালিব খোজা যায় তেতিয়াহলে শিক্ষা বিভাগৰ প্ৰায়ভাগ কথাই তলত নপৰিব চালনিৰ ওপৰত থাকিব। শিক্ষা বিভাগ পহিলা নম্বৰত থাকিব। এই দুৰ্নীতি যোৱা আঠত্ৰিশ বছৰে আগৰ চৰকাৰ সমূহে দুৰ্নীতিৰ আগভাগ দি প্ৰাধান্য দি আহিছিল আৰু এতিয়াৰ চৰকাৰে আজি পাচ বছৰ বা বছৰটোৰ ভিতৰতে সেই সমূহ দুৰ্নীতি আঁতৰোৱাৰ কথাটো সম্ভৱপৰ নহয়। কিন্তু খৰতকীয়া ভাৱে বিশেষকৈ ডি-পি-আই অফিচ, জিলা পৰ্য্যায়ৰ কাৰ্য্যালয় ইত্যাদি দুৰ্নীতিযুক্ত

কৰিবলৈ ব্যৱস্থা গ্ৰহন কৰিব লাগে। বিশেষকৈ ওদালগুৰিত মই নিজে এখন স্কুলৰ এটা দূৰ্নীতিৰ সংক্ৰান্তত গৈ যিটো অভিজ্ঞতা হৈছে সেয়ে হ'লঃ বকুৱাকাৰ নামৰ সেই স্কুল খনৰ হেডমাষ্টৰ তথা চেক্ৰেটাৰীজনে সভাপতিৰ লগত লগ হৈ স্কুলৰ টকাৰ খেলি-মেলি কৰিছে। মই খবৰ কৰিবলৈ যোৱাত চিনাকী দিয়া নাছিলো আৰু কেৰাণী জনে কৈছিল যে সেইবিলাক তেখেত সকলৰহে দায়-দায়িত্ব আন মানুহৰ নহয়। কেৰাণী জনৰ পিচত আনজন হেড্‌ক্লাৰ্ককো লগ পাইছিলো। তেওঁ আকৌ ধমক হে দিছিল মোক। পিচত মোৰ চিনাকী দিয়াত তেওঁলোক ভয়তে যে পেপুৱা খাইছিল। তাত একো কোৱা নাছিলো যদিও কথাটো শিক্ষামন্ত্ৰী মহোদয়ক জনাইছো। দূৰ্নীতি পৰায়ণ অফিচাৰ বিলাকে ৰাইজৰ সহ-যোগত দূৰ্নীতি কৰে। যোৱাবাৰৰ বিধায়ক সকলে প্ৰাথমিক স্কুলৰ চাকৰিৰ কাৰণে পাচ হাজাৰৰ পৰা বাৰ তেৰ হাজাৰলৈকে টকা দিয়া বুলি শুনিছিলো। দূৰ্নীতি কেৱল অফিচাৰ, বিধায়ক বা মন্ত্ৰীয়েই নকৰে ৰাই-জেও দূৰ্নীতি কৰিবলৈ ইন্ধন যোগায়। ৰাইজে যদি ঘোষ নিদিয়ে তেনেহলে অফিচাৰে তেনে উত্‌কোচ লব পৰা পৰিবেশ হব কেনেকৈ?

মাননীয় অধ্যক্ষ মহোদয়,

এই দূৰ্নীতি হবলৈ পাইছে কৰ্ম্মচাৰী, বিধায়ক মন্ত্ৰী আদি সকলোৰে সহযোগত। অকল বিষয়া সকলক দোষ দিলেই নহব। আমাৰ ৰাইজো ইয়াৰ বাবে জগৰীয়া। ৰাইজে ঘোচ দিয়ে কাৰণেই বিষয়াই লয়। ইয়াৰ কাৰণে বিষয়া জন যিমান দোষী ৰাইজো সিমানেই দোষী। কাৰণ ঘোষ দিয়া লোকে যদি ঘোষ নিদিয়ে তেনেহলে দূৰ্নীতি হব নোৱাৰে। সেয়ে ইয়াৰ কাৰণে ৰাইজ আৰু বিষয়া সমনে ফিপটি ফিপ্‌টি জগৰীয়া। আজি এই বিভাগৰ পৰা দূৰ্নীতি দূৰ কৰাৰ কাৰণে ৰাইজৰ সহযোগ নিতান্ত দৰ্কাৰ হৈছে। ঘোচ দিয়াই দিয়ে কাৰণে লওতাই লয়।

মাননীয় অধ্যক্ষ মহোদয়,

মই এই সদনৰ সকলো বিষয়াকে শিক্ষাৰ শিতানত যি ২৬০ কোটি টকা মঞ্জুৰী বিচাৰিছে তাক সমৰ্থন কৰি এই টকা পাছ কৰাত সহায় কৰি-বলৈ অনুৰোধ জনাইছো। এই ২৬০ কোটি টকা যাতে ভাল ধৰণে খৰচ

হয় তাৰ কাৰণেও তেখেত সকলে সহায় কৰিব লাগিব। এই টকা কেনেকৈ খৰচ হব সেই কথাও কিছুদিনৰ পিচত দেখ দেখকৈ ওলাই পৰিব। সে'য় মই মাননীয় সদস্য সকলক এই ২৬০ কোটি টকা শিক্ষাৰ শিতানত য মঞ্জুৰী বিচাৰিছে তাক পাছ কৰাত সহযোগ কৰিবলৈ পুণৰ অনুৰোধ জনাইছো।

আমাৰ বিভিন্ন স্কুলত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বিভিন্ন বেমেজালি কৰা আমি দেখিবলৈ পাইছো। বি, এ, লগাত বি, এচ, চি নিয়োগ কৰিছে আৰু বি, এচ, চি লগ্যত বি, এ নিয়োগ কৰা কথা প্ৰায়েই শুনা যায়। মই জনাত ভবানীপুৰ ছোৱালী হাইস্কুলত বি এৰ ঠাইত বি, কম শিক্ষক নিযুক্তি দিছে। এই খিনিতে আৰু এটা কথা উল্লেখ কৰিছো সেইটো হৈছে বয়সৰ কথা। চৰকাৰৰ নীতি মতে এটা নিৰ্দ্ধাৰিত বয়সৰ সীমাৰ ভিতৰতহে চাকৰিত নিযুক্তি পাব পাৰি সেই বয়সৰ সীমা পাৰ হলে চাকৰিত নিযুক্তি পাব নোৱাৰি। কিন্তু মোৰ সমষ্টিত আগৰ চৰকাৰৰ বিধায়িকা গৰাকীয়ে এজন লোকক নিযুক্তি দিলে যাৰ বয়স ৩৬-৩৭ বছৰ হৈছিল। অথচ তাতকৈ কম বয়সীয়া বা বয়সৰ সীমাবৰ্দ্ধতাৰ মাজত থকা বহুতো প্ৰাৰ্থী তাত আছিল। এনেবোৰ অনিয়ম হোৱা ভাল কথা নহয়। বিৰোধী পক্ষৰ এজন বিধায়কে সদস্য সকল টিপ-টপত থকাৰ কথা কৈছে। কথাটো অৱশ্যে তেখেতে অৰ্থপূৰ্ণ ভাবে কৈছে। কিন্তু বিৰোধী পক্ষৰ সদস্য সকল যাতে আগৰ চৰকাৰৰ দৰে টিপ-টপৰ প্ৰলোভনত নপৰে আৰু শিক্ষাৰ শিতানত ইয়াত যিমানখিনি টকা শিক্ষা মন্ত্ৰীয়ে মঞ্জুৰী বিচাৰিছে তাত যেন তেখেত সকলে অনুমোদন জনায় আৰু লগতে সমৰ্থনৰ হাত আগ বঢ়ায় তাৰ কাৰণে আবেদন জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই শেষ কৰাৰ আগতে আৰু এটা কথা কব খুজিছো এইটো। হৈছে আমাৰ শিক্ষানীতি সলনি হোৱাটো। বাৰিষা হলে বৰষুণ অহাৰ দৰে আমাৰ এই শিক্ষা নীতিও সলনি হৈছে। ভাৰতবৰ্ষৰ বাহিৰত উন্নত দেশবোৰত এনে ধৰণৰ শিক্ষা ইতিমধ্যে প্ৰৱৰ্ত্তন কৰা হৈছে। মই সেইবোৰ উদাহৰণ দি দীঘলীয়া কৰিব খোজা নাই। কিন্তু আমাৰ সমাজত আজি যিবোৰ ইংৰাজী নামেৰে ইংৰাজী মিডিয়ামত যিবোৰ স্কুল খোলা হৈছে সেইবোৰত আনতকৈ সা-সুবিধা যথেষ্ট বেছি। তেনেধৰণে অসমীয়া মাধ্যমত স্কুল গঢ়ি তুলিব পাৰিলে আমাৰ উঠি অহা ছাত্ৰ ছাত্ৰীসকল লাভবান হব। সেয়ে মই চৰকাৰক পৰামৰ্শ আগবঢ়াও যাতে অসমীয়া

মাধ্যমত এনে স্কুল বেছিকৈ খোলাৰ ব্যৱস্থা হাতত লয়। আমাৰ চৰকাৰে আৰ্টচ, কমাৰ্চ আদি কলেজ খোলাতকৈ টেকনিকেল স্কুল-কলেজ খোলাত বেছি গুৰুত্ব দিব লাগে। ভাৰতৰ বিভিন্ন ৰাজ্য ইতিমধ্যে এনকুৱা স্কুল-কলেজ খোলা হৈছে। মই আশা কৰিছো আমাৰ ইয়াতো তেনে গুৰুত্ব দিব। ইয়াকে কৈ সদনত বিৰোধী পক্ষৰ সদস্য সকলে শিক্ষাৰ শিতানত দাবী মঞ্জুৰী বিচৰা যি ২৬০ কোটি টকাৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছেঁ সেই কৰ্ত্তন প্ৰস্তাৱ উঠাই লৈ চৰকাৰ পক্ষৰ লগত হাত মিলাই এই দাবী মঞ্জুৰীত সমৰ্থন জনাব বুলি অনুৰোধ জনাই মোৰ বক্তৃতা সামৰনি মাৰিছো।

মাননীয় অধ্যক্ষ :

এতিয়া মাননীয় সদস্য শেখ চমন আলিয়ে কব।

**Shri Sk. Saman Ali** :— Mr. Speaker, Sir, in supporting the cut motion moved by my friend Shri Muktar Hussain, I want to make a few observations. In the Budget speech of the Chief Minister as well as, as stated by the Education Minister 100 girls schools will be provided with Table Tennis sets. What about the rural level schools ? Because the girls schools are mostly located in towns and cities, the rural level schools will be deprived of this facility. That is why, I request the Minister, Education to think over this matter.

Sir, in the case of language, I want to say that it is a vital aspect, it is a very sensitive issue. It is found that if some one speaks in some other language it is not tolerated. Especially if some one speaks in Bengali it is not tolerated in the House. Why it is not tolerated ? It was seen all over Assam that during the last election campaign on the wall it was written এ, জি, পি, আপনাদেৰ, এ, জি, পি কে ভোট দিন It was written in Bengali and at that time it was tolerated. Why now in this House it is not tolerated ? It is a matter of regret. I would tell the hon'ble members of the House, particularly of the Treasury Benches that the Constitution has given right to other languages also. It is seen that when some one speaks in English it is tolerated. Then it follows that there is anti-Bengali sentiment prevailing in Assam. Constitution has given the right

**Voting on Demands for Grants**

to other languages. About medium of instruction it is propagated by the members of the Treasury benches as well as other members of the House that there should be safegurd to Assamese culture. In that case will all the Ministers and members of the House discontinue sending their children to Don Bosco school which is basically an English medium school ?

That was the position at the time of the previous government also. Who are the people who send their children to this Donbosco High School, an English medium school, to study there ? Common peoples' children cannot endeavour to study in this particular school. The moneyed class of people whether Assamese or Bengalee or any other communities send their children to study in English mediun. This government should either abolish such type of English medium schools or should set up such schools in rural areas also, if equality of opportunity for all is the govt. policy.

Hon. Speaker, Sir, in case of school building, it is generally seen, frequently the school buildings in Char elakas are washed away by erosion. This hampers the education of the children in char areas. As school buildings are damaged frequently by erosion in char areas frequently, a separate scheme should be adopted for providing school buildings in char elakas of Japan type which can be constructed at comparatively low cost and easily shiftable. That is why, through you, sir, I appeal to the Education Minister to look into this suggestion of mine.

Mr. Speaker, sir, in the matter of non-formal schools, we hope the State Government will definitely take steps to convert non-formal schools into formal schools which are suffering a long time.

Mr. Speaker, sir, in case of establishing an University, a Central University is going to be set up. There has been demand in Cachar to set up this University in Cachar, and AASU leaders demand that this should be established in Tezpur. but why not in Goalpara district ? It is the genuine demand of the people there because in respect of educational facilities,

**Voting on Demands for Grants**

Goalpara district has been totally deprived so far. I join with the people of the district in demanding establishment of the proposed Central University in the plains district of Goalpara.

With these few words, Sir, I conclude my speech. Thank you.

*শ্ৰীগণেশ কুটুম :

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত দাবীমঞ্জুৰীৰ যি প্ৰস্তাৱ উঠিছে তাক মই সমৰ্থন কৰিছো। শিক্ষা বিভাগটো সকলো জনসাধাৰণৰ প্ৰত্যেক জন মানুহৰ এটা স্পৰ্শকাতৰ বিষয়। কিন্তু আমাৰ মাননীয় সদস্যসকলে যি ধৰণেৰে মত প্ৰকাশ কৰিছে আৰু অনুভৱ কৰিছে বিগত বছৰ সাহুৰ অভিজ্ঞতাৰ পৰা শিক্ষা শিতানত যিমানে টকা ব্যয় নকৰক এই বিভাগটো দুৰ্নীতি গ্ৰস্তহে হৈছে। আমি সকলোৱে স্বীকাৰ কৰিছো। গতিকে আমাৰ নতুন চৰকাৰে এই দুৰ্নীতি গ্ৰস্ত বিভাগটো দুৰ্নীতি মুক্ত কৰিবৰ কাৰণে প্ৰচেষ্টা চলোৱা যেন অনুমান হৈছে। শিক্ষা বিভাগৰ নীতিৰ যিখিনি প্ৰচেষ্টা হাতত লোৱা হৈছে এইটো এটা আৰম্ভনিহে মাত্ৰ। আমাৰ অসম গন পৰিষদ চৰকাৰে শিক্ষাৰ শিতানত দাবী মঞ্জুৰী বিচাৰি এটা নতুন দিশত অগ্ৰসৰ হব খুজিছে। এই দাবী মঞ্জুৰী সম্পৰ্কত হোৱা মাননীয় সদস্যসকলৰ সমালোচনা আৰু পৰামৰ্শ আদিৰ পৰা নিশ্চয় আমাৰ চৰকাৰ উপকৃত হব। এই সুযোগতে মইও দুই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। যোৱা আন্দোলনৰ কালছোৱাত এটা কথা অনুভৱ হৈছিল যে অসমীয়া জাতিটোক নতুনকৈ গঢ় দিব লগা হৈছে। আমাৰ যি সকল আজিৰ লৰা-ছোৱালী কালিলৈ নাগৰিক হব সেই সকলক আৰম্ভনিৰে পৰা অসমীয়া জাতি আৰু জন-জাতিৰ সম্পৰ্কে আৰু অসমীয়া সংজ্ঞা সম্পৰ্কে আৰম্ভনিৰে পৰা শিকাব লাগিব। আমাৰ লৰা-ছোৱালীয়ে সকলো জাতিৰে বুৰঞ্জী জনাটো বাধ্যতামূলক হিচাবে ৰাখিব লাগিব। আমি প্ৰত্যেকে প্ৰত্যেকক জনাটো দৰকাৰি বুলি আমি সকলোৱে স্বীকাৰ কৰিছো। সেই কাৰণে আমাৰ শিক্ষা নীতিত নতুন বুৰঞ্জী ৰচনা কৰা দৰকাৰ হৈছে। অসমীয়া জনগোষ্ঠিত যি খিনি বুৰঞ্জী আছে সেই খিনি সন্নিবিষ্ট কৰিব লাগিব। এই খিনিতে মই আছল কথাৰ পৰা ফালৰি কাটি গৈ আন এটা

কথা ডাঙি ধৰিব খুজিছো। সেইটো হৈছে—ৰেডিয়ত ঘেতিয়া ঘোষনা কৰে এতিয়া টিওৱা প্ৰগ্ৰেম আহে” টিওৱা প্ৰগ্ৰেম বুলিলে আমাৰ মনলৈ এনে ভাব আহে যে টিওৱা অসমীয়া নে অসমৰ বাহিৰৰ এটা জাতি। গতিকে টিওৱা, কাৰ্বি, মিচিং জন জাতিৰ সম্পৰ্কে জনাৰ প্ৰয়োজন। আমাৰ লৰ-ছোৱালীক এনে জন-জাতি বোৰৰ সম্পৰ্কে আৰম্ভনিতে জ্ঞান দিব পাৰিলে অসমীয়া জাতিৰ ঐক সংহতি অটুট থাকিব।

(মধ্যান্ন ভোজনৰ বাবে ২·৩০ লৈ সদন স্থগিত থাকে)

( মধ্যাহ্ন ভোজনৰ পিচত )

শ্ৰীগনেশ কুটুম :—( ক্ৰমশঃ )

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰাইমেৰী স্কুলৰ অৱস্থা অতি বেয়া। আজি আমাৰ নতুন চৰকাৰে এই প্ৰাইমেৰী স্কুল বিলাকৰ গৃহ নিৰ্ম্মাণ কৰিবলৈ ওলাইছে আৰু ৪৫ হাজাৰ কৰি টকা খৰচ কৰিবলৈ বিচাৰিছে। এই স্কুল ঘৰবিলাক বনাবলৈ কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা কিবা মদেল আদি পাইছেনেকি নে আমাৰ ৰাজ্য চৰকাৰে কিবা মদেল আদি তৈয়াৰ কৰিছে? এই ঘৰবিলাক কৰিবলৈ নানা অসুবিধা আছে। মই আমাৰ নতুন চৰকাৰক পৰামৰ্শ দিব বিচাৰিছো। যদি ৪৫ হাজাৰ টকাৰে গৃহ নিৰ্ম্মাণ কৰে তেনে-হলে সেইটো অসম টাইপ ঘৰেই হব আৰু ব্ৰহ্মপুত্ৰৰ মথাউৰিত থকা অঞ্চলত সেইবিলাক ঘৰ প্ৰযোজ্য নহব। আৰু সেইবিলাক ঘৰৰ পৰা কাম নহব। মাজুলী আৰু ইয়াৰ আশে পাশে থকা আমাৰ মিচিং অঞ্চল বিলাকত বাৰিষা কালৰ প্ৰায় ৫ মাহ সময় বিদ্যালয় বিলাকত শিক্ষাদান নহয়, শিক্ষক সকল স্কুললৈ নাবায় আৰু লৰা-ছোৱালী বিলাকো স্কুললৈ যাব নোৱাৰে। তেওঁ বিলাকে সেই বিলাক ঠাইত যদি ৪৫ হাজাৰ টকাৰে যদি ঘৰ বনাবলৈ যায় তেনেহলে কাম নহব। এই বিলাক ঘৰ বনোৱাৰ বাহিৰে তাত চাং ঘৰ কৰিব লাগিব। নতুবা প্ৰয়োজনীয় হিচাবত মাটি ভেটি আদি তুলি লব লাগিব। এই কথাখিনিৰ প্ৰতি আমাৰ শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আমাৰ এই ডুৱেলিং হাউচ বিলাকৰ পেটাৰ্ণ বেলেগ। আগতেও আমাৰ মাননীয় সদস্য শ্ৰীশৰত সিংহদেৱে কৈছিল যে, আমি ব্ৰহ্মপুত্ৰ নদীৰ

লগতে জড়িয়াই থাকিব লাগিব। গতিকে আমাৰ নতুন চৰকাৰেও পানীৰ মাজত বা ষানপিড়িত অঞ্চল বিলাকৰ স্কুল বিলাকত যাতে শিক্ষাদান কাৰ্য্য ব্যাঘাট নহয় তাৰ বাবে দৃষ্টি ৰাখিব লাগিব। অন্যান্য অঞ্চলৰ লৰা-ছোৱালীয়ে শিক্ষা লাভ কৰাৰ দৰে আমাৰ এই অঞ্চল বিলাকতো শিক্ষাদান যাতে সমানে হয় তাৰ বাবে দৃষ্টি ৰাখিব লাগিব।

অধ্যক্ষ মহোদয়, ইমান কোটি কোটি টকা ব্যয় হব আৰু পিচতো আৰু টকাৰ খৰচ হব গতিকে এই বিভাগৰ নিজস্বভাৱে এটা কাৰিকৰী বিভাগ থকাটো অতি দৰকাৰ। এইবিলাক কাম কৰিবলৈ গড়-কাপ্তানী বিভাগক বা শিক্ষা বিভাগতে এটা চেল কৰি গৃহ নিৰ্ম্মাণ কৰিবলৈ দিব লাগে। এতিয়া দেখা গৈছে যে, এন, আৰ, পিৰ তলত ব্লক লেভেলত যি বিলাক কাম কৰা হয় সেইবিলাক কামত নাহে। সেই ৰকমে আমাৰ এই ৪৫ হাজাৰ টকাৰো কাম নহব। অকল ৪৫ হাজাৰ কৰি টকা দিলেই নহব কাম কৰি দিব লাগিব। ইয়াৰোপৰি আমাৰ স্কুলীয়া লৰা-ছোৱালী বিলাকক বিনামূলীয়াকৈ পাঠ্য-পুথি আৰু ইউনিফৰ্ম দিয়াৰ কথা আমাৰ চৰকাৰে ঘোষণা কৰিছে। এইটো আমাৰ চৰকাৰৰ নতুন পদক্ষেপ। এখন শ্ৰেণীহীন সমাজ ৰচনা কৰিবলৈ যাওঁতে আমাৰ প্ৰয়োজনীয় কথা হব সমাজৰ মাজত থকা ধনী দুখীয়াৰ মনোভাবে লৰা-ছোৱালীৰ মাজত বিভেদ আনিব নালাগিব। একে ইউনিফৰ্ম পিন্ধিলে সেই বিভেদ ভাব লৰা-ছোৱালীৰ মনৰ পৰা আতৰ হৈ যাব। আমাৰ বহুতো লৰা-ছোৱালীয়ে পিন্ধা কাপোৰৰ অভাৱত স্কুললৈ নাযায় আৰু লেতেৰা কাপোৰ পিন্ধি যাবলৈ লাজ কৰে। গতিকে চৰকাৰৰ ফালৰ পৰা শিক্ষা বিভাগে ইউনিফৰ্ম দিয়াৰ কথাটো ঘোষণা কৰা বাবে আমাৰ চৰকাৰ শলাগৰ পাত্ৰ। তেতিয়া হলে আমাৰ সমাজৰ মাজত চলি থকা ধনী দুখীয়াৰ ভাবটো সলনি হব। আৰু শুদ্ধ, নিকা শ্ৰেণীহীন সমাজ গঢ় উঠিব। আমাৰ জন-জাতিৰ শিক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্য চৰকাৰে যথেষ্ট টকা খৰচ কৰিছে আৰু ধাৰ্য্য কৰিছে। তাৰোপৰি বাজেট বিতৰ্কতো নানা আলোচনাৰ মাজেদি জন-জাতিৰ বাবে পৰিকল্পনাৰ ক্ষেত্ৰত গুৰুত্বৰ আৰোপ কৰা বুলি কৈছে। আশাকৰো আমাৰ চৰকাৰে আৱাসিক বিদ্যালয় কৰাৰ বাবে আচনি লোৱাৰ বাবে অনুৰোধ কৰিলো।

গতানুগতিক আঁচনি লৈ আজি দহ বছৰেও শিক্ষাৰ একো উন্নতি পৰিলক্ষিত নহল। গতিকে আমাৰ ট্ৰাইবেল চাব প্লেনৰ অধীনত আমাৰ আবাসিক স্কুল ঘৰ তৈয়াৰ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ কেইবাগৰাকী মাননীয় সদস্যই কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ বিষয়ে আলোচনা কৰিছে। কোনোৱে কৈছে গোৱালপাৰাত পাতিব লাগে, কোনোৱে কৈছে কাচাৰ জিলাত কৰিব লাগে। কিন্তু মই কব বিচাৰো যে কেন্দ্ৰীয় বিশ্ববিদ্যালয় সদৌ অসমে যত দাবী তুলিছে তাতেই হব লাগে। সদৌ অসম ছাত্ৰ-সন্থাৰ দাবী আমাৰ অসমৰ জনসাধাৰণৰ দাবী। আজি সদৌ অসম ছাত্ৰ-সন্থাৰ নেতৃত্বত আমি চৰকাৰ পাইছো। আৰু তেওঁলোকে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰতিনিধিত্ব কৰি আহিছে আমি মাথো আমাৰ নিজ নিজ সমষ্টিতহে প্ৰতিনিধিত্ব কৰিছো দুই এখন জিলাই ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি সেই সেই ঠাইত কেন্দ্ৰীয় বিশ্ববিদ্যালয় পাতিব লাগে বুলি ধৰ্ম্মঘট আদি কৰিছে। আজি আমাৰ সেই দাবী লৈ চৰকাৰে মূৰ দোৱাব নালাগে। সেই দাবীলৈ মূৰ দোৱালে ৰাজনৈতিক উদ্দেশ্য প্ৰনোদিত হোৱাৰ প্ৰশ্ন উঠিব। বৰাক উপত্যকাৰ ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়ৰ কথা লৈ ধৰ্ম্মঘট কৰি আইন শৃঙ্খলা ভংগ কৰিছে। গতিকে তেজপুৰৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই যি প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱৰ প্ৰতি মই অকুণ্ঠ সমৰ্থন আগবঢ়াইছো। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীগুণিন হাজৰীকা :—

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে দাবী মঞ্জুৰীৰ যিটো প্ৰস্তাৱ উত্থাপন কৰিছে তাক মই সমৰ্থন জনাইছো। শিক্ষাৰ শিতানত দাবী মঞ্জুৰী সৰ্ব্ববৃহত মঞ্জুৰীৰ দাবী বুলি জানিবলৈ পাই আমি সকলোৱে আদৰণি জনাইছো। আমাৰ শিক্ষা ব্যৱস্থাত এই কাৰণেই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে প্ৰাথমিক পৰ্য্যায়তেই শিক্ষাৰ গুৰুত্ব দিয়া হব বুলি কৈছে যাতে ইয়াৰ দ্বাৰা শিক্ষা ব্যৱস্থাৰ আগৰ উৰলি যোৱা আৰু দুখ লগা অৱস্থাৰ পৰা উন্নত অৱস্থালৈ পৰিবৰ্ত্তন হয় অসমৰ ৰাইজে তাকেই কামনা কৰিছে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া সম্পৰ্কে মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰতেই নহয় মাধ্যমিক শিক্ষাৰ পৰা আৰম্ভ কৰি একেবাৰে

**Voting on Demands for Grants**

উচ্চ শিক্ষা পৰ্যান্ত আমি এটা ভয়াবহ অৱস্থালৈ আগবাঢ়ি গৈছো । মাধ্যমিক শিক্ষা আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত অপৰিকল্পিত ভাবে কাম কৰাৰ কাৰণে আজি মানব সম্পদ অপচয় হৈছে । কিয়নো স্কুলৰ শেষান্ত পৰীক্ষাত মাত্ৰ শতকৰা ২৭ শতাংশ বা ১৮ শতাংশ ছাত্ৰ-ছাত্ৰীয়েহে উত্তীৰ্ণ হোৱা দেখা যায় ! এইদৰে মানবীয় সম্পদ অপচয় হৈছে । মই এটা বাস্তব অৱস্থাৰ কথা ডাঙি ধৰিবলৈ বিচাৰিছো সেইটো হ'ল মাধ্যমিক আৰু উচ্চ শিক্ষাৰ নিয়োগৰ ক্ষেত্ৰত, পৰিচালনাৰ ক্ষেত্ৰত আৰু ঘৰছুৱাৰৰ ক্ষেত্ৰত এটা বাস্তব অৱস্থাৰ সম্মুখীন হোৱাৰ উপক্ৰম দেখিছো । হায়াৰ চেকেণ্ডৰী স্কুলৰ শিক্ষক সকলৰ চাকৰি প্ৰাদেশীকৰণ হ'ল যদিও কিন্তু তেওঁলোকে চৰকাৰী চাকৰিয়ালৰ নিচিনা সা-সুবিধা বিলাক পোৱা নাই । আমি বহুতো শিক্ষক দেখিছো যি সকলে গোটেই জীৱন শিক্ষকতা কৰাৰ পাচত পেনচনৰ কাৰণে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে । ঠিক তেনেধৰণে কলেজ সমূহতো বা হায়াৰ চেকেণ্ডাৰী স্কুল সমূহতো নিয়োগ সমূহৰ ক্ষেত্ৰত বৈষম্য দেখিবলৈ পোৱা গৈছে । এই অৱস্থা চলি থাকিলে ভবিষ্যতে আৰু জটিল অৱস্থাৰ সৃষ্টি হব । আমাৰ মহা বিদ্যালয় সমূহত তিনি বছৰীয়া পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰাৰ কাৰণে তাত নতুন শ্ৰেণীৰ পাঠ্যক্ৰম খুলিব লাগিব । যিবিলাক উচ্চতৰ মাধ্যমিক স্কুল আছে তাত দুবছৰীয়া মহাবিদ্যালয়ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হৈছে । ফলত শিক্ষক সকলৰ মাজত দুটা শ্ৰেণীৰ সৃষ্টি হৈছে । মই যোৱাকালি কেইজনমান শিক্ষকক পাইছিলো তেখেত সকলে এখন কলেজত কাম কৰে । তেখেত সকলৰ পাঠ্যক্ৰম যিটো সেইটো উচ্চতৰ মাধ্যমিকত পৰে । গতিকে বিশ্ববিদ্যালয়ৰ যিটো নৰ্মচ্ সেইমতে কলেজখন যদিও মঞ্জুৰীপ্ৰাপ্ত হৈছে কিন্তু তেওঁলোকৰ পদ কেইটা মঞ্জুৰী প্ৰাপ্ত হোৱা নাই । তেওঁলোকে ৮৫০ টকা বেচিক স্কেলত দিবলৈ দাবী জনাইছে কিন্তু তেওঁলোকক ৭০০ টকাহে দিয়া হৈছে । ইউ, জি, চি ৰ নৰ্মচ্ মতে তেওঁলোকক নিয়োগ কৰা হৈছিল । কিন্তু দূৰ্ভাগ্যৰ বিষয় যে তেখেত সকলৰ স্বকীয়া বিষয়টো ডিগ্ৰী শ্ৰেণীত নথকাৰ কাৰণে পদ কেইটা মঞ্জুৰ নহ'ল । গতিকে এনেকুৱা দুতৰপীয়া প্ৰশাসনৰ মাজত সোমাই শিক্ষা ব্যৱস্থাটোৰ এটা দোদুল্যমান অৱস্থালৈ গৈ আছে । গতিকে বিশ্ববিদ্যালয়েই হওক বা বৰ্ড অব চেকেণ্ডাৰী কাউঞ্চিলেই হওক এই দুয়োটাতে

নিয়োগ সম্পৰ্কে চৰকাৰে এটা স্পষ্ট নীতি লব লাগে। পাঠ্যপুথিৰ ক্ষেত্ৰতো যোৱা দুবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰমৰ বহুতো পাঠ্যপুথি প্ৰকাশ হৈ নোলাল। এতিয়া তিনি বছৰীয়া পাঠ্যক্ৰম প্ৰবৰ্ত্তন হ'ল যদিও পাঠ্যপুথি এতিয়ালৈকে ওলোৱা নাই। এই পাঠ্যপুথি প্ৰকাশ ক্ষেত্ৰত চৰকাৰে এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কলেজ শিক্ষক সকলৰ প্ৰতি আগৰ চৰকাৰে অবিচাৰ কৰি আহিছিল। তেখেত সকলৰ প্ৰধান সমস্যা এৰিয়াৰ ডি, এ দিয়া হোৱা নাছিল। কিন্তু আমাৰ নতুন চৰকাৰে সেই এৰিয়াৰ ডি, এ দিবলৈ বিচৰাৰ কাৰণে আমি স্বাগতম জনাইছো। দাবীবোৰৰ প্ৰতি যেনেকৈ আগ্ৰহ প্ৰকাশ কৰিছে ঠিক তেনেধৰণে অন্যান্য শিক্ষা বিষয়ৰ কথা বিলাকো ত্ৰুটিপূৰ্ণ নোহোৱাৰ ব্যৱস্থা কৰাৰ কাৰণে শিক্ষা বিভাগৰ কাম কৰিব বুলি আশা কৰিছো। কলেজ শিক্ষক সকলক হাউচ ৰেণ্ট আৰু মেডিকেল এলাউৰেঞ্চ ইত্যাদি যিবিলাক দিবলগীয়া আছে সেইবিলাক শিক্ষক সন্থাৰ লগত আলোচনাৰ মৰ্ম্মে দিয়াৰ ব্যৱস্থা কৰিব লাগে। শিক্ষা ব্যৱস্থাটো সকলো ফালৰ পৰাই শক্তিশালী কৰি তুলিবৰ কাৰণে চেষ্টা কৰিব লাগে। অৱশ্যে কেতিয়াবা দুই এটা অভিযোগো পোৱা যায় যে শ্ৰেণী সমূহ ভালকৈ নবহে, অনিয়মিত ভাবে হয় ইত্যাদি। মাধ্যমিক শিক্ষাৰ পৰা প্ৰাথমিক শিক্ষালৈকে আগৰ দৰে পৰিদৰ্শন কৰাৰ ভাল ব্যৱস্থা হোৱা নাই। আগতে পৰিদৰ্শক কেইজন আছিল? মাত্ৰ নামনি অসমত এজন আৰু উজনি অসমত এজন। কিন্তু এতিয়া প্ৰতিখন জিলাতেই একোজনকৈ পৰিদৰ্শক আছে যদিও পৰিদৰ্শন নিয়মিত ভাৱে হোৱা নাই। ভিতৰুৱা অঞ্চল বিলাকত পৰিদৰ্শন নহয়েই। আমি স্কুলত পঢ়োতে পৰিদৰ্শন হব বুলি আমাক আগতেই সাবধান কৰি দিছিল আৰু চাফ চিকুণ হৈ আহিবলৈ কৈছিল। প্ৰশাসনৰ ক্ষেত্ৰত যদি এই পৰিদৰ্শন কটকটীয়া কৰা হয় তেতিয়াহলে শিক্ষাৰ ক্ষেত্ৰত কিছু উন্নতি হব বুলি আশা কৰিব পাৰি। আমাৰ আৰু এটা সমস্যা হ'ল ঘৰ সজোৱাটো শিক্ষমন্ত্ৰী মহোদয়ে প্ৰাথমিক স্তৰত যি ঘৰ বণোৱাৰ বাবদ্ বাজেটত টকা ধৰা হৈছে বুলি কৈছে সেইটো আমি ভাল পাইছো কিন্তু প্ৰাথমিক স্তৰতেই নহয় আজি মাধ্যমিক স্তৰত বা উচ্চতৰ স্কুল আৰু কলেজ সমূহতো ঘৰ

**Voting on Demands for Grants**

বনোৱাৰ কোনা সুব্যৱস্থা হোৱা নাই। স্বনামধন্য জগন্নাথ বৰুৱা ভাণ্ডৰীয়াৰ দিনৰ পৰা বাইজৰ পৰা দান বৰঙণি আদি লৈ বা থিয়েটাৰ ইত্যাদি পাতি তাৰ বাহি হোৱা পূজিৰে স্কুলঘৰ বা কলেজৰ ঘৰ নিৰ্মাণত ব্যৱহাৰ কৰিছে। এই দিশত চৰকাৰে চিন্তা কৰিব বুলি আশা কৰিলো। নহলে পুৰণা যিবিলাক ঘৰত শিক্ষাদান হৈ আছে সেইবিলাক ভাঙিচিঙি উৰলি যাব আৰু এনেকুৱা এটা অৱস্থা আহি পৰিব যে গছৰ তলতেই বহি শিক্ষা লব লাগিব। গতিকে এই অৱস্থালৈ অহাৰ আগতেই শিক্ষা-মন্ত্ৰী মহোদয়ে এটা আঁচনি লব বুলি আশা কৰিলো।

কলেজৰ ক্ষেত্ৰটো চৰকাৰৰ মঞ্জুৰীৰে ঘৰ বনোৱাৰ কোনো ব্যৱস্থা নাই। বিশ্ববিদ্যালয় অনুদান আয়োগে শতকৰা ৭৫ ভাগ মঞ্জুৰী আগ বঢ়ায় যদিও সেই মঞ্জুৰী মাত্ৰ চহৰ অঞ্চলত থকা মহাবিদ্যালয় সমূহেহে লাভ কৰি আছে। ১৯৭১ চনৰ জুলাই মাহৰ সময়লৈকে যি বিলাক কলেজ ডিগ্ৰী কলেজ হিচাবে এফিলিয়েটেড্ হৈছিল তাৰ আগৰ কলেজ বিলাকে এই মঞ্জুৰী পায়। কিন্তু ১৯৭১ চনৰ পাচত প্ৰায় ৩০।৪০ খন মান কলেজ অসমত হৈছে আৰু ডিগ্ৰী কলেজ হিচাবে পৰিগণিত হৈছে। কিন্তু এই কলেজ সমূহ বিশ্ববিদ্যালয় আয়োগৰ মঞ্জুৰী পোৱাৰ পৰা বঞ্চিত হৈ আছো বিশেষকৈ গ্ৰাম্যঞ্চলত থকা কলেজ সমূহে এই মঞ্জুৰীৰ পৰা বঞ্চিত হৈ থাকিব লগীয়া হ'ল। শিক্ষা মন্ত্ৰী মহোদয়ে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত এটা নীতি নিৰ্দ্ধাৰণৰ কথা কৈছে যে প্ৰতি ডেৰ কিলোমিটাৰ অন্তৰে অন্তৰে একোখন প্ৰাথমিক স্কুল আৰু প্ৰতি তিনি কিলোমিটাৰ অন্তৰে অন্তৰে একোখন এম, ই স্কুল প্ৰতিষ্ঠা কৰা হব। ঠিক তেনে ধৰণে উচ্চতৰ মাধ্যমিক আৰু কলেজৰ ক্ষেত্ৰটো তেনেধৰণৰ নীতি গ্ৰহণ কৰিব বুলি আশা কৰিছো। আজি চাওক নগাওঁৰ নিচিনা এখন ডাঙৰ জিলাত বিজ্ঞান কলেজ মাত্ৰ দুখনহে আছে। অথচ বিজ্ঞান শিক্ষা বৰ্ত্তমান অৱস্থাত অতি প্ৰয়োজনীয়। গতিকে বিজ্ঞান শিক্ষা আৰু কৰ্মাৰ্চত জোৰ দিবলৈ হলে এই টো দিশত বিবেচনা কৰিব লাগে। কেইবাগৰাকীও মাননীয় সদস্যই বিশেষকৈ ভাষা সম্পৰ্কত এটা প্ৰশ্ন উত্থাপন কৰিছে আৰু তেওঁলোকে কৈছে যে মাধ্যমিক শিক্ষা পৰিষদে যি নিৰ্দ্দেশ দিছে তাৰ দ্বাৰা বিভিন্ন জনগোষ্ঠীৰ ভাষা কাঢ়ি নিব খুজিছে।

কিন্তু মই ভাবো ইয়াৰ দ্বাৰা অসমীয়া ভাষা শিক্ষাৰ কাৰণে এটা সুযোগ দিয়া হৈছে। আমাৰ কাচাৰত থকা বহুতো ছাত্ৰ-ছাত্ৰীয়ে এতিয়া অসমীয়া ভাষা শিকাৰ কাৰণে সুবিধা লাভ কৰিব। অৱশ্যে তাত শিক্ষাৰ মাধ্যম অসমীয়া কৰিব বিচৰা নাই। কেৱল অসমীয়া ভাষা শিকিবলৈহে সুযোগ দিয়া হৈছে। অৱশ্যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে ৪ টা ভাষা শিকিবলগীয়া হোৱাত এটা অতিৰিক্ত বোজা হব। মই এই সম্পৰ্কত এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে যেনেকৈ অসমীয়া ভাষা অনা অসমীয়া মাধ্যমৰ স্কুলত শিকোৱাৰ কাৰণে ব্যৱস্থা কৰা হৈছে ঠিক তেনেকৈ অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহতো সেই ভাষা বিলাক শিকাৰ সুযোগ দিব লাগে। অসম এখন বিভিন্ন ভাষা ভাষীৰ লোকেৰে পৰিপূৰ্ণ ৰাজ্য। আমি আটাই বিলাকেই বৃহৎ অসমীয়া জাতি গঠনৰ কথা কৈছো। কিন্তু এতিয়াও আমাৰ প্ৰকৃত প্ৰতিশ্ৰুতিৰ ছবিখন ফুটি উঠা নাই। শিক্ষা বিভাগৰ প্ৰকৃত ছবিখন অসমত যাতে শুদ্ধভাৱে দেখা যায় সেইটো আশা ৰাখিলো। ভাষা সম্পৰ্কত বা মাধ্যম সম্পৰ্কত যিটো নিৰ্দ্দেশ দিছে সেইটো যাতে এটা ৰাজনৈতিক উদ্দেশ্য হিচাবে গণ্য কৰা নহয় তাৰ কাৰণেও আমি আশা ৰাখিলো। আমি বিভিন্ন ভাষা ভাষীৰ লোকে ইজনে সিজনৰ মাজত আদান প্ৰদান কৰি ভাষাৰ ভেটিটো কটকটীয়া কৰি তুলিব পাৰো আৰু ভৱিষ্যতে সুন্দৰ, সমৃদ্ধ অসম এখন গঢ়ি তুলিব পাৰো তাৰ কাৰণে সকলোৰে চেষ্টা কৰিব লাগে। আমি শিক্ষা সংক্ৰান্ত এই মঞ্জুৰীটো এই কাৰণেই সমৰ্থন কৰিছো যে ইয়াৰ দ্বাৰা অসমৰ শিক্ষা ব্যৱস্থাৰ এটা পৰিবৰ্ত্তন কৰাত সহায় হব আৰু ইয়াৰ বিৰুদ্ধে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ মই বিৰোধীতা কৰিছো আৰু পুনৰ শিক্ষামন্ত্ৰী মহোদয়ৰ মঞ্জুৰীৰ প্ৰস্তাৱটোৰ প্ৰতি অনুৰোধ কৰিলো।

**Shri Majir Uddin Ahmed** : Mr. Speaker, Sir, In support of the cut motion moved by my friends on grant No. 26-Education, I would like to speak a few words. On Education sufficient discussions have taken place and many suggestions have been offered on this subject. I wish to place certain other suggestions, As regards supply of books and dress I will say that

**Voting on Demand for Grants**

supply of books is no doubt encouraging thing because every student will get the benefit of having books which are not available generally sometimes in market also. So if the government supplies books it will be a great help to the students community as a whole. But there is another problem that is misappropriation of money. It is not known whether ready made dress or cloth will be supplied. If ready made dress is supplied, it will not fit on the body of all and if cloth is supplied, there will be misuse both in terms of cloth and tailoring money. So, sir, these are the things to be taken into consideration. As regards the supply of dress, many of my Hon'ble Friends have already spoken a great deal. In support of their contention. I would also like to point out that many students cannot go to schools for want of dress. Sir, the rich and the affluent guardians and parents can very well send their children with proper dress and other essential items. But in general our poor parents are unable to provide the dress etc., to their children. Those affluent people can be singled out. Sir, as we know, various committees have been formed by the Govt. from time to time and those committees have submitted various recommendations regarding the supply of dress and other essential materials to the students. I would request the new Govt. to examine those recommendations and provide dress etc. to the students accordingly. It is necessary to see that the money which will be saved from those items may be utilised for the improvement of the School Buildings and, also to make available the essential materials like blackboards and maps. Sir, it has been noticed in the past that in many Schools damaged materials are supplied by some firms in collaboration with the department and misused huge amount of public money. Therefore, sir, my submission to the new Govt. to put a check in all these things. The Hon'ble Minister has made a provision of Rs. 45,000/- for the construction of Primary Schools building. But I think this amount is inadequate in view of rise in prices of building materials. I would, therefore, like to draw the attention of the Hon'ble Minister to enhance the amount. Then, sir, in many Schools. I have found

that both the teachers and students do not attend the School from days together and it is nobody's concern. Teachers do not bother whether students are coming or attending the Schools or not as teachers themselves remain absent very frequently. There are departmental officers and they are required to go for regular inspection but I wonder whether they are going for inspection or not. Sir, the Sub-Inspectors are also included in the managing committees of the Schools but they never attend the meetings and whatever grants are provided are misused. Sir, I think the new Govt. will see that the existing condition of these schools is improved and grants are properly utilised. It has been brought to our notice that about 25% of the grants are to be paid to the office before they are released and the rests are misued. Therefore, sir, my submission to the new Govt. is to put an end to this sort of corruption. Similarly, corruption is also noticed in M. E. and H. E. Schools in different areas. Sir, as we all know, in the education department corruption is rampant and it is the highest where there is no limit. Then, sir, certain M. E. Schools, which were to have been provincialised, may now be provincialised and teachers should be appointed with proper pay-scales. I think the Govt. will give proper attention to this aspect also. Now, I would like to mention about the language policy of the Govt. Of course, many Hon'ble Friends have already spoken about it. Sir, as we all know. the Govt. has issued instructions about the Assamese Language to be made compulsory in the School from certain levels. In this connection I would like to mention here that language policy of the Govt. has created problems in the past and if we do not proceed carefully in this respect, then it is likely to create law and order problem in the State.

**Voting on Demand for Grants**

The present Government has promised to maintain peace, progress and prosperity. The previous Government hampered this peace and other programmes. The new Government should pay their attention in this so that we can prosper and go ahead. As far as colleges are concerned, classes are not properly held. There are night shifts and morning shifts in colleges. The students donot come and attend regularly their classes. So these things are also to be seen if we create some posts. It should be seen that colleges properly function. If they donot function properly there is no question of giving sanction of money to these colleges. In High schools also some teachers donot attend classes regularly. It also sometime happens that in place of a science teacher to be appointed, an Arts Graduate is appointed. This should be properly checked and thoroughly inspected by the Inspectors by regular visits. Sub-Inspectors are there for visits to the schools. So I would submit that Govt. should see to this properly, only sanction of money will not be enough. Along with spending of money we should follow and see that money is properly utilised for the purpose for which it has been sanctioned. Simply by propagating that we have given such and such money by the Education Department is not enough. With these few words I have supported the Cut Motion moved by my friend Shri Silvious Condpan.

শ্ৰীৰামেন্দ্ৰ নাৰায়ণ কলিতা :

মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ শিক্ষামন্ত্ৰী দেৱে যি প্ৰস্তাৱ এই সদনত উত্থাপন কৰিছে তাৰ প্ৰতি পূৰ্ণ সমৰ্থন আছে। দ্বিতীয়তে আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যিটো কৰ্তন প্ৰস্তাৱ আগ বঢ়াইছে তাৰ মই সম্পূৰ্ণ বিৰোধিতা কৰিছো আৰু লগতে এই কৰ্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিবলৈ মই অনুৰোধ জনালো। তৃতীয়তে বৰ্তমান আমাৰ চৰকাৰে শিক্ষাৰ

এটা আমূল পৰিবৰ্ত্তণ অনাৰ কাৰণে যি প্ৰচেষ্টা চলাইছে ই সচাকৈ প্ৰশংসনীয় কথা। ইতিমধ্যে আমাৰ শিক্ষা বিভাগত যিটো ব্যৱস্থা চলি আছে এই ব্যৱস্থা প্ৰকৃতাৰ্থ আমাৰ চাকৰি মূখী এটা ব্যৱস্থাহে। ই কৰ্ম্মমূখী ব্যৱস্থা নহয়। গতিকে আমাৰ যিটো শিক্ষা পদ্ধতি আছে এই শিক্ষা পদ্ধতিটো এটা কৰ্মমূখী অবস্থালৈ নিব পাৰি তাৰ বাবে আমাৰ চৰকাৰে যিটো ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো সচাকৈ আমাৰ দুখীয়া জনসাধাৰণক সহায় কৰিব বুলি মই ভাবিছো। ইতিমধ্যে আমাৰ বিগত চৰকাৰে শিক্ষা ব্যৱস্থাটোৰ প্ৰতি যেনে ধৰণে দৃষ্টি নিক্ষেপ কৰিব লাগিছিল, তেনেধৰণে দৃষ্টি নিক্ষেপ কৰা দেখা পোৱা নাই। আমাৰ চৰকাৰৰ যিটো শিক্ষা ব্যৱস্থা এই শিক্ষা ব্যৱস্থাত প্ৰথমতে মাননীয় শিক্ষামন্ত্ৰীদেৱে কিছুমান ভকেচনেল ইনষ্টিটিউটৰ লগত আৰু পলিটেকনিক স্কুল খোলাৰ যিটো সিদ্ধান্ত লৈছে সেইটো সচাকৈ প্ৰশংসনীয় হব আৰু ইয়াৰ দ্বাৰা আমাৰ যিখিনি ছাত্ৰ ছাত্ৰী থাকিব সেইখিনিয়ে স্বাবলম্বী হোৱাৰ কাৰণ যথেষ্ট স্থল থাকিব। গতিকে এনে ধৰণৰ প্ৰচেষ্টাত সচাকৈ আমি উদগনি দিয়া উচিত। আমাৰ বিৰোধী পক্ষই এইক্ষেত্ৰত সহায় সহযোগ আগবঢ়োৱা উচিত। ইতিমধ্যে শিক্ষামন্ত্ৰী মহোদয়ে যিখিনি খৰচৰ কথা এই বাজেটত উত্থাপন কৰিছে এইখিনি সচাকৈ লাগতিয়াল। কাৰণ আপোনালোকে নিশ্চয় জানে যে আমাৰ শিক্ষা বিভাগত যথেষ্টখিনি কৰ্ম্মচাৰী আছে, এই কৰ্ম্মচাৰীখিনিক দৰ্ম্মহা দিয়াৰ ক্ষেত্ৰত যথেষ্টখিনি, বুজন পৰিমাণ অৰ্থৰ খৰচ হব। সেই কাৰণে পোন প্ৰথমতে কৰ্ম্মচাৰী সকলক যদি তেওঁলোকৰ চাকৰিৰ কাৰণে দৰ্ম্মহা দিবলগা হয় তেনেহলে এটা যথেষ্ট পৰিমাণৰ টকাৰ প্ৰয়োজন হব। তদুপৰি আমাৰ বিগত চৰকাৰৰ দিনত এটা ৰাজনৈতিক উদেশ্য প্ৰণোদিতভাবে কিছুমান উচ্চ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ বিদ্যালয়লৈ উন্নীত কৰা হৈছে। কিন্তু এই ক্ষেত্ৰত আমি দেখা পাইছো যে সেই উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত যি খিনি ব্যৱস্থা আগতীয়াকৈ গ্ৰহণ কৰিব লাগিছিল তেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণে সৰহ সংখ্যক ছাত্ৰ ছাত্ৰীয়ে যথেষ্ট অসুবিধা ভুগিবলগা হৈছে। ইতিমধ্যে কিছুমাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশেষকৈ বিজ্ঞান বিভাগলৈ উন্নীত কৰাৰ কাৰণে সেই স্কুল সমূহত লেবৰেটৰী খোলাৰ

ব্যৱস্থা যে আছে নে নাই, সেই ব্যৱস্থালৈ নাচাই সেই সমূহ স্কুল উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখালৈ উন্নীত কৰাত যথেষ্ট অসুবিধা ভোগ কৰিব লগা হৈছে। গতিকে বিগত চৰকাৰে যি সমূহ উচ্চ মাধ্যমিক বিদ্যালয় উন্নীত কৰিলে, সেই স্কুল সমূহৰ ক্ষেত্ৰত যথেষ্টখিনি টকা প্ৰয়োজন হব। গতিকে মই ভাবো আমাৰ শিক্ষা মন্ত্ৰী দেৱে যিখিনি টকাৰ মঞ্জুৰী দাবী উত্থাপন কৰিছে সেইখিনি সচাকৈ প্ৰয়োজনীয়। তদুপৰি আমি দেখা পাইছো যে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট খেলিমেলি আমাৰ বিগত চৰকাৰে কৰি থৈ গৈছে। ইতিমধ্যে আমি দেখা পাইছো যে চাকৰিৰ ক্ষেত্ৰত বিগত চৰকাৰ সমূহৰ দিনত কোনোবাই যদি চাকৰি লবলগীয়া হয় তেনেহলে সেই চাকৰি সমূহৰ ক্ষেত্ৰত দাকৰ ব্যৱস্থা কৰা হৈছিল। যি জনে চাকৰি লব সেই চাকৰি লোৱা ব্যক্তি-জনে যিমান টকা আগবঢ়াব, সেই টকাৰ বিনিময়ত তেনেব্যক্তিক চাকৰি দিয়া দেখিবলৈ পাইছো। কিছুমানৰ নৰ্ম্মচ নোহোৱাকৈ কিছুমান মহাবিদ্যা-লয়ত চাকৰি দিয়া আমি দেখিবলৈ পাইছো। যদি তেনে ধৰণৰ প্ৰচেষ্টা লয় তেনেহলে শিক্ষা বিভাগৰ কেতিয়াও উন্নতি নহব আৰু যথেষ্ট পৰি-মাণৰ খেলিমেলি থাকিব। গতিকে বৰ্ত্তমানৰ চৰকাৰে আমাৰ বিভিন্ন যিবিলাক শিক্ষানুষ্ঠান আছে, হাইস্কুল, মহাবিদ্যালয় সমূহত নৰ্মচৰ ভিতৰত থাকি শিক্ষক নিযুক্তি দিব পৰা যায় তাৰ ব্যৱস্থা চৰকাৰে হাতত লোৱাত সচাকৈ প্ৰশংসনীয় হৈছে আৰু সেই ক্ষেত্ৰত চৰকাৰক ধন্যবাদ জনাইছো। ইতিমধ্যে চৰকাৰে ৬ বছৰৰ পৰা ১৩ বছৰলৈ যিটো মাত্ৰ গোচৰ, কিতাপ দিয়াৰ কথা ঘোষণা কৰিছে, ই প্ৰশংসনীয় আৰু সেই ক্ষেত্ৰত বৃহৎ পৰিমাণৰ টকাৰ প্ৰয়োজন হব। তেনেধৰণৰ আঁচনি সফল কৰিবলৈ যে ৰাত সকলো ক্ষেত্ৰতে টকাৰ প্ৰয়োজন আছে। গতিকে সেই শিক্ষাত চৰকাৰে নিশ্চয় বহুত ভাবি চিন্তি দূৰদৰ্শিতাৰ আশ্ৰয় লৈ এই দাবী মঞ্জুৰী উত্থাপন কৰিছে সেইটোৰ বাবে সচাকৈ ধন্যবাদ জনাইছো আৰু সদনৰ বিৰোধী পক্ষৰ মাননীয় সদস্যসকলক অনুৰোধ জনাইছো যাতে তেখেতসকলে যিটো কৰ্ত্তন প্ৰস্তাৱ আগ বঢ়াইছে, এই কৰ্ত্তন প্ৰস্তাৱ প্ৰত্যাহাৰ কৰে। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Voting on Demand for Grants**

**Shri Shanti Ranjan Dasgupta** : Mr. Speaker, Sir, for participating in the demand for grant for Education, I shall firstly say that the Cut Motion is a devine way to raise discussion inside the House. Without delivering any Cut Motion there cannot be any discussion. Hon'ble Members in the Treasury Bench and the Opposition Members are given to speak on the Cut Motion

Sir. the education for the extra-ordinarily meritted people there is to manifest devinity as I already mentioned, i.e. for the extra ordinary population But for common people like us, Sir, what we want is to live peacefully and to maintain our family. Here, Sir, in this Education Grant, more than Rs.261 crores has been demanded. Sir, I want to submit that for only technical education, the snm that has been earmaked is only Rs. 5, 91, 40. 000/-

My Submission on this Technical Education is that technical education should be given more and due importance so that in general line of education where nearly Rs. 205 crores has been earmarked, out boys coming out of Schools and Colleges are in need of job. They are in need of earning money, but there are neither any ample opportunity in this State to absorb all those educated persons nor are there so many avenues to absorb them. Only technical education can help these educated boys and girls to absorb themselves economically and to build up their future life. Therefore, Sir, my submission is that Hsn'ble Education Minister will Kindly see whether the amount earmarked already in the Demands can be increased, and whether technical education can be expanded giving opportunities to the boys and girls to render more on the technical side than on the general side. I hope Hon'ble Education Minister will give this matter due consideration.

My another point is. Sir, that shout a huge amount is given to the Colleges, Schools both from Elementary upto Higher Secondary level, as grant. But, there is nobody to check or to audit whether these amounts are properly utilised by the educational institutions for the benifite or the students and for general efficiency of institutions. Accountant General does not look after these expenses. There is only the Department of Examiner of Local Accounts who sometimes audit some of these schools. But Director of Public Instructions does not see whether the amounts sanctioned are credited into school fund. They send copies of the sanction of grants to each institution to the Examiner of Local Accounts while the auditor of this Local Accounts goes to some of the school is and colleges, but not to all. They take with them those sanctioned grants. as a result, what is presented to them by the Principals/ Headmasters or the lower level school Head Master is not verified. He audits them and there is no chance to compare what were actually granted from the DPI and whether those amounts were actually credited in the fund of schools and colleges. So, I drew the attention of the Hon'ble Education Minister to this side that while the Education Ministry will be giving money for development of education and efficiency in education, at the same time there must be proper control and check Whether the money is properly utilised.

Then Sir, about conditions of the schools, from lower level to the higher level. I have already spoken. Many Hon'ble Members also are at one wiih me. But I shall not go very deeply into the matter, because it is a common feature everywhere that the school buildings including sitting tools and tabes, black-boards etc. are in very bad condition.

Voting on Demands for Grants

Sir, there are villages where there are rivers, which surrounded the villages. In rainy season, it becomes very difficult for the students—boys and girls of these villages to come to the schools by crossing the river. The general norm is that after a distance of 1.10 km. L. P. school will be there, but the geographical condition of the villages in Assam is such that there are difficulties for saving of lives of the boys and girls. The Education Ministry must think that even if the distance of 1.10 km. is not covered, then also those villages which are geographically out off from other areas should be given chance to start L.P. schools as other schools.

Sir, Education Minister himself is an educated man and he Knows the prevailing condition of Assam more than many others. I am making all these suggestions to him so that he can devise ways and means for the development of education.

Again, Sir, while job-oriented education is necessary, character building is also necessary. what our country as a whole needs now is character building education. On that side also I request the Education Minister to give his due consideration, because unless character is built properly from earlier life, boys and girls grown up cannot become proper and good citizens. Therefore character building education is a must and it is a necessity.

In India the concept and objective of education as Puranas, Upanishads and Bhagbat Gita preached was character building. The philosophy of education was to build character to make the people useful citizens. I shall not take anymore time of the House by lengthening my speech, as I am suffering from a broken voice. At the end, I would request the hon. Education Minister for his consideration all these points so that the State can have a good education system. About the language policy, I would request him to allow the various linguistic group to have their education in their mother tongue so that they are not deprived of their

**Voting on Demand for Grants**

rights. It is a wrong conception that a man speaking a different language will do bad to the State. One who stays in Assam, he loves it with all sincerity. The place of his living is never disliked by him. Therefore Sir, let us live happily and peacefully together and build a strong Assam, With these few words, I resume my seat.

শ্রীদেব কুমাৰ বৰাঃ

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ শিক্ষা বিভাগত যি বাজেট উত্থাপন কৰা হৈছে এই বাজেট মঞ্জুৰীৰ দাবীৰ পৰিপ্ৰেক্ষিতত এটা কৰ্ত্তন প্ৰস্তাৱ আমাৰ সদনত উত্থাপন কৰা হৈছে। এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই কবলৈ ওলাইছো। নতুন চৰকাৰ অহাৰ পৰা অসমৰ শিক্ষা জগতৰ সকলো বেমেজালি আঁতৰ কৰি অসমৰ শিক্ষা জগতলৈ এটা পৰিবৰ্ত্তন আনিবৰ মনোভাবেৰে এই বাজেটত যি পৰিকল্পনা ধাৰ্য্য কৰা হৈছে। সেই পৰিকল্পনাত সকলোখিনি কথা আগন্তুক বছৰটোত প্ৰতিফলিত হৈছে। ইয়াৰ পৰবৰ্ত্তী বছৰটোত শিক্ষা বিভাগৰ কেতবোৰ বাস্তৱ কাৰ্য্যসূচী ধাৰ্য্য কৰি সেই মৰ্ম্মে অসমৰ শিক্ষা জগতত এটা নতুন আলোড়নত আনিব বিচৰাটো আমি এই বাজেটৰ যোগেদি দেখি লৈ পাইছো। কিন্তু এই বাজেট আলোচনাত চৰকাৰী কাৰ্য্য পৰিচালনাৰ ক্ষেত্ৰত বহুত আচৰিত কেতবোৰ কঠোৰ ব্যৱস্থা প্ৰয়োগ কৰিব লগীয়া কথাও আমি দেখা পাইছো। বিগত কালত কাৰ্য্যপৰিচালনাৰ অভিজ্ঞতাৰ অসমৰ শিক্ষা জগতত বহুত কথা কাগজে পত্ৰে আলোচনা হৈ আহিছে। আমাৰ অভিজ্ঞ শিক্ষাবিদ সকলে বিভিন্ন সিমন্ত ঠিকা লৈ চৰকাৰটোৱে কৰি অহা পৰীক্ষাগাৰ হিচাবে ব্যৱহাৰ কৰাৰ দাৰে ছাত্ৰ-ছাত্ৰী সকলক ই ভৱিষ্যতে যাতে পৰীক্ষাগাৰ ৰূপে সদায় পৰীক্ষা চলাই নাথাকে তাৰ পৰিপ্ৰেক্ষিতত আমাক দীৰ্ঘম্যাদী আৰু শক্তিশালী কাৰ্য্যসূচী লাগে। ইতিমধ্যে শিক্ষা বিষয়ে আমাৰ সংবিধান মতে কঙকাৰেণ্ট লিষ্টৰ বিষয়। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ এই বিষয় দুটা চৰকাৰী কাৰ্য্যসূচীত অন্তভুক্ত হৈ আছে। সেই কাৰণে মই কব খোজো

**Voting on Demand for Grants**

যে অসমৰ শিক্ষা জগতত কেন্দ্ৰীয় চৰকাৰে কৰা কিছুমান কামৰ প্ৰতি আমি দৃষ্টি আকৰ্ষণ কৰিব খোজো। তাৰ ভিতৰত আছে চেণ্টেল স্কুলৰ ব্যৱস্থা কেন্দ্ৰীয় বিদ্যালয় সমূহ। ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চললৈ কেন্দ্ৰীয় চৰকাৰে যাতে বিভিন্ন উদ্যোগত মানুহ নিযুক্তি দি ট্ৰেন্সফাৰৰ ব্যৱস্থা ৰাখিব পাৰে তাৰ কাৰণে কেন্দ্ৰীয় বিদ্যালয় সমূহৰ সৃষ্টি কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত বঙাইগাও শোধনাগাৰত কেন্দ্ৰীয় বিদ্যালয় স্থাপন হৈছে। জাগীৰোডত কেন্দ্ৰীয় বিদ্যালয় স্থাপন হৈছে, এয়াৰফোৰ্চত ও কেন্দ্ৰীয় বিদ্যালয় স্থাপন হৈছে আৰু বিভিন্ন অনুষ্ঠান, শিক্ষানুষ্ঠান স্থাপন হৈছে। অসমত সদায় অভিযোগ উঠে যে অসমত যেতিয়া বিভিন্ন উদ্যোগ স্থাপন হৈ আহিছে, সেই সময়ত শিক্ষিত যুৱক-যুৱতীয়ে চাকৰি বাকৰি নেপায়। এই কথা আওপকীয়া ভাবে শক্তি প্ৰয়োগ কৰি কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় বিদ্যালয়ত পোষ্ট ওলালে তাৰ আগত ট্ৰেন্সফাৰ কৰি নিযুক্তি দিয়ে। ষ্টেট সমূহৰ যি ক্ষমতা সেই ক্ষমতা সমূহ গম নোপোৱাকৈ কেন্দ্ৰৰ পৰাই হেৰাই গৈছে। বাহিৰৰ পৰা মানুহ নিয়োগ কৰি অসমলৈ পঠিয়ায় অসমৰ উদ্যোগ পেপাৰমিল আৰু তাৰ লগতে পেট্ৰোলিয়াম আদিতো অসমৰ বাহিৰৰ লোকে যাতে পায় এইটো ব্যৱস্থা কৰি লৈছে। শিক্ষাৰ ক্ষেত্ৰত অসমৰ বাহিৰৰ লোকক আকৰ্ষিত কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে প্ৰচেষ্টা লৈছে বুলি মই ভাবিছো। এই পৰিপ্ৰেক্ষিতত অদূৰ ভৱিষ্যতে এই বিষয়টোৰ ওপৰত অসমৰ শিক্ষা বিভাগে কেনে ধৰণৰ এটা সুব্যৱস্থা আনিব পাৰে তাৰ বাবে অতি গুৰুত্বপূৰ্ণ বিবেচনা কৰিলে ভাল হয়।

ইয়াৰোপৰি আমাৰ ইয়াত যি বিলাক কেন্দ্ৰীয় বিদ্যালয় যিটো অঞ্চলত স্থাপন কৰা হয় সেই অঞ্চলৰ ভাষাটো তাত শিকাব লাগে। কিন্তু আমি দেখিছো হিন্দী আৰু ইংৰাজীৰ বাদে অসমৰ কোনো এটা ভাষাই কেন্দ্ৰীয় বিদ্যালয় বোৰত পঢ়োৱা নহয়। এই ক্ষেত্ৰত এই বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো অদূৰ ভৱিষ্যতে কেন্দ্ৰীয় বিদ্যালয় সমূহ চৰকাৰৰ নিয়ন্ত্ৰনত ৰখাৰ ব্যৱস্থা ৰাখিব লাগে। তাৰোপৰি কেন্দ্ৰীয় বিদ্যালয় সমূহৰ নিযোগৰ ক্ষেত্ৰটো চৰকাৰে চকু ৰখা উচিত হব। এই বিদ্যালয় সমূহত অসমীয়া যুৱক যুৱতীয়ে চাকৰি নাপায়। এই দিশত

**Voting on Demand for Grants**

'ইকনমিক ইমবেলেঞ্চ' ৰাখিবৰ বাবে এই আচঁনি সমূহত সেই সুত্ৰ প্ৰয়োগ কৰা হৈছে নে নাই। যদি নাইহোৱা তেন্তে অহাৰ ভবিষ্যতে আমাৰ এটা গুৰুত্বৰ জঞ্জাল আহি পৰিব। শিক্ষা বিভাগে এই বিষয়টোৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা কাৰণে মই অনুৰোধ জনাইছে, ইয়াৰ পিছত প্ৰাপ্ত বয়স্ক আচঁনখন সম্পূৰ্ণ এলাগী হোৱা বুলি মই কব খুজিছো। এজন প্ৰাপ্ত বয়স্ক লোকক ক খ গ ঘ শিকোৱাটো সম্ভৱ হয়নে নহয় সেইটো এটা বিজ্ঞান সন্মত কথা কিন্তু অডিঅ' ভিচুৱেল অৰ্থাৎ দেখা-শুনাৰ পদ্ধতিৰ জৰিয়তে যে প্ৰাপ্ত বয়স্ক মানুহক জ্ঞান দিব পাৰি এইটো সঁচা কথা। ইতিমধ্যে টেলিভিচনৰ সুবিধা ওলাইছে। প্ৰাপ্ত বয়স্ক আচঁনিৰ যোগেদি কিতাপ-পত্ৰ যি ছপা কৰা হৈছে সেইবোৰৰ শিক্ষা যদি ইয়াৰ মাধ্যমেৰে দিয়া হয় তেনেহলে প্ৰাপ্ত বয়স্ক লোকক জ্ঞান দিবলৈ সুবিধা হব। স্কুলীয়া লৰা-ছোৱালীক সাজ-পোচাক দিয়াৰ যিটো কথা উঠিছে ইয়াত মোৰ এটা পৰামৰ্শ আছে। সেইটো হৈছে স্কুল বিলাকত একোখন ৰেজিষ্টাৰ ৰাখিব লাগে আৰু কোন কোন লৰা-ছোৱালীক কোন তাৰিখে কি পোচাক আৰু কি কিতাপ দিয়া হৈছিল সেইটো তাত লিখি ৰাখিব লাগে। কিয়নো এই ক্ষেত্ৰত আগতে কিছুমান অভিযোগ উঠিছিল যে ক'ত সাজ-পোচাক পাই, কত কিতাপ পাই এই কথা ছাত্ৰ ছাত্ৰীয়ে জনাই নাছিল। গতিকে বৰ্ত্তমানৰ এই আচঁনি যাতে কোনো দুৰ্নীতি গ্ৰস্ত লোকৰ হাতত পৰিব নোৱাৰে তাৰ বাবে অধিক গুৰুত্ব দিব বুলি মই পৰামৰ্শ আগ বঢ়াব খোজো। সাজ-পোচাক আৰু কিতাপৰ ক্ষেত্ৰত 'কুপন' দিব লাগে আৰু সেই "কুপন' মতে সংগ্ৰহ কৰা বস্তুৰ পৰিমাণ ৰেজিষ্টাৰ বহীত লিখা ৰাখিলে কোনে কেতিয়া কি নিছে সেই কথা ধৰা পেলাৱ পৰা হব। এইটো অৱশ্যে পৰীক্ষামূলক ভাৱে প্ৰবৰ্ত্তন কৰাৰহে পৰামৰ্শ।

স্কুল পৰিদৰ্শণৰ ক্ষেত্ৰত মই কব খোজছো যে এনে কিছুমান স্কুল আছে যি বিলাক ৬ মাহে, ২ বছৰে আনকি ৫ বছৰ পৰ্য্যন্তও পৰিদৰ্শকে পৰিদৰ্শন নকৰে। ইয়াৰ বাবে আমি কাৰোবাক দায়ী কৰিবলৈ যোৱাৰ আগতে আন কিছুমান কথা মন কৰিব লাগিব। একোজন মানুহক কিমানটা এলেকাৰ কাম দিয়া হৈছে, যদি একোটা এলেকাত হেজাৰখন স্কুল থাকে তেনেহলে

এজন এচ, আই বা ডি আইৰ বাবে পৰিবহনৰ ব্যৱস্থা দিয়া হৈছে নে নাই। এই ব্যৱস্থাটো আগতে আছিলনে নাই মই নেজানো কিন্তু বেছি সংখ্যক পৰিদৰ্শকে পৰিবহনৰ অসুবিধাৰ কথা কয় অসমৰ গোটেই শিক্ষা অনুস্থান বিলাকৰ ডেক্স-বেঞ্চ আৰু ব্লেকবৰ্ড গুৱাহাটীতে নিৰ্ম্মাণ কৰা হয়। কিন্তু এই বোৰৰ যোগান ব্যৱস্থা কাগজে পত্ৰইহে থাকে। অথচ বিল ঠিকমতে পেমেণ্ট কৰা হয়। পৰিদৰ্শক আৰু উপ-পৰিদৰ্শকৰ ক্ষেত্ৰত পৰিদৰ্শনৰ বাবে কিমান এলেকা দিয়া হয় আৰু তাৰ পৰিবহন ব্যৱস্থা কেনে এই বিলাক কথা ভালকৈ অধ্যয়ন কৰি পৰিবহন ব্যৱস্থা দিলে ভাল হয়। স্কুলৰ সংখ্যাৰ ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে কৰবাত এশ বছৰৰ আগতে হোৱা স্কুলেও অনুমোদন পোৱা নাই আৰু কৰবাত এবছৰৰ আগতে হোৱা খনেও পাইছে। কথাটো ধৰা পেলাবলৈ চৰকাৰ কোনো যান্ত্ৰীক ব্যৱস্থা নাই। এনে ক্ষেত্ৰত কম্পিওতাৰৰ ব্যৱস্থা কৰিলে সকলো ৰেকৰ্ড ওলাই পৰিব। শিক্ষক সকলৰ দৰমহাৰ ক্ষেত্ৰত, পেঞ্চনৰ ক্ষেত্ৰত অনেক খেলি-মেলি আছে। কোনোবা শিক্ষকে এবছৰ দুবছৰ পৰ্য্যন্ত দৰমহা পোৱা নাই আৰু কোনোবা শিক্ষকে ১৯৬০ চনতে অৱসৰ লৈ আজিপৰ্য্যন্তলৈকে পেঞ্চন পোৱা নাই। এনেক্ষেত্ৰত কম্পিওটাৰ বহালে এই সকলোবিলাক কথা ওলাই পৰিব। এই গোটেই আচনি বিলাক সুফল কৰি তুলিবৰ হলে চৰকাৰে প্ৰচেষ্টা চলাব লাগিব।

বেছি সখ্যক স্কুলৰ ক্ষেত্ৰত এটা কথা লিখা দেখা যায়। সেইটো হৈছে উচ্চ ইংৰাজী বিদ্যালয় বুলি।

ইয়াৰ উপৰিও বেচি সংখ্যক স্কুলতে এটা কথা লিখা আছে যে উচ্চ ইংৰাজী বিদ্যালয়। কিন্তু স্কুলখন অসমীয়া। এইটো কি কথা নাজানো। গতিকে শিক্ষামন্ত্ৰীক অনুৰোধ জনাইছো যেতিয়া উচ্চ ইংৰাজী বিদ্যালয় অনুবাদ কৰা হয় হায়াৰ ইংলিচ স্কুল হব। কিন্তু ইংৰাজীটো হয় হাইস্কুল। এই বিলাক নিয়মৰ ভিতৰলৈ আনিব পৰা যায় নেকি চাব লাগে। ইয়াৰ উপৰিও শিক্ষামন্ত্ৰী মহোদয়ে ভাষণ প্ৰসঙ্গত কৈছে যে শিক্ষানুস্থান বিলাক ভাল কৰা হব। এই বিলাক কথা আমি ভাল পাইছো। কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত যি দাবী মঞ্জুৰী বিচৰা হৈছে যে ভাল কোৱা হৈছে যে বুনিয়াদ গঢ়ি তুলিব লাগিব। এই খিনিকে কৈ মই শিক্ষাৰ ওপৰত যি দাবী

**Voting on Demands for Grants**

মঞ্জুৰী অনা হৈছে সেইটোৰ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো উঠাইলৈ এই দাবী মঞ্জুৰী সমৰ্থন জনাবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ

মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত মাননীয় সদস্য সকলে, শিক্ষামন্ত্ৰীয়ে চলিত বছৰৰ বাবে শিক্ষাৰ শিতানত যি দাবী মঞ্জুৰী উত্থাপন কৰিছে, এই সম্পৰ্কত বিৰোধী পক্ষৰ মাননীয় সদস্য কেইগৰাকীমানে যি প্ৰস্তাৱ উত্থাপন কৰিছে, এই কৰ্ত্তন প্ৰস্তাবৰ মই বিৰোধীতা কৰি সকলো মাননীয় সদস্যকে আমাৰ শিক্ষামন্ত্ৰীয়ে বৰ্ত্তমান যি প্ৰস্তাব উত্থাপন কৰিছে এই প্ৰস্তাবৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ মই ব্যক্তিগত ভাৱে সকলো মাননীয় সদস্যকে অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষাৰ শিতানত যি প্ৰস্তাৱ বাজেটৰ মাধ্যমেৰে উত্থাপন কৰা হৈছে তাত শিক্ষাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হৈছে, এইটো শুভ লক্ষণ বুলি কোৱা হৈছে। এই কাৰণেই শুভ লক্ষণ বুলি কোৱা হৈছে যে সামগ্ৰিক ভাবে অসম ভাৰত বৰ্ষৰ অনান্য ৰাজ্যতকৈ শিক্ষাৰ দিশত পিচপৰা, আৰু ভাৰত বৰ্ষ পৃথিবীৰ অনান্য দেশৰ তুলনাত পিচপৰা। গতিকে ভাৰত পৃথিৱীৰ ভিতৰত পিচপৰা আৰু আমাৰ ৰাজ্য ভাৰতৰ ভিতৰতে পিচপৰা, তেনে ক্ষেত্ৰত অসম পৃথিবীৰ অনান্য দেশৰ তুলনাত কিমান পিচত সহজেই অনুমান কৰিব পাৰি। এনে ধৰণেৰে পিচপৰা ৰাজ্য এখনত শিক্ষাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়াটো শুভ লক্ষণ হৈছে। আন আন দেশৰ দৰেই আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীকো যাতে শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই লৈ যোৱাৰ যিটো পৰিবেশ লাগে সেইটো পৰিবেশ গঢ়ি দিব পৰা যায় তাৰ কাৰণেই শিক্ষাৰ ক্ষেত্ৰত অধিক টকা ধাৰ্য্য কৰা হৈছে। বাজেটত যে শিক্ষাৰ ক্ষেত্ৰত অধিক টকা ধৰা হৈছে সেইটোৱেই শুভ লক্ষণ হৈছে। ইয়াক সকলোৱেই সমৰ্থন কৰা প্ৰয়োজন।

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি এটা কথা কব বিচাৰিছো যে বৰ্ত্তমান প্ৰাথমিক স্কুলৰ শিক্ষাৰ যিটো মানদন্দ

**Voting on Demand for Grants**

সেইটো ভাবিব নোৱাৰি। স্বাধীনতাৰ পিচৰ পৰা যোৱা ৩০ বছৰ ধৰি প্ৰাথমিক শিক্ষা উন্নতিৰ পথলৈ আহকচা ৰি অধোন্নতিৰ ফালেহে গতি কৰিলে। স্বাধীনতাৰ পিচত প্ৰাথমিক স্কুল শিক্ষাৰ ক্ষেত্ৰত যিটো গুৰুত্ব দিয়া হৈছিল সেইটো এতিয়া নাই। স্বাধীনতাৰ পিচৰ পৰাই সামগ্ৰিক ভাবে শিক্ষা ব্যৱস্থাত কেৰোণ সোমাই পৰিল। নিৰ্ব্বাচনৰ সময়ত আমি দেখিবলৈ পাইছিলো যে প্ৰাথমিক স্কুলৰ শিক্ষক সকলে এনে কিছুমান ৰাজনীতি কৰা আৰম্ভ কৰিছে, যাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। মোৰ সমষ্টিত এনেকুৱা কিছুমান প্ৰাথমিক স্কুল আছে যি বিলাকৰ শিক্ষক সকলে ৰাজনীতি কৰিছে যাৰ ফলত তেওঁলোকে লৰা-ছোৱালীক শিকাবৰ বাবে স্কুলত উপস্থিত থাকিব পৰা নাই। বহু ক্ষেত্ৰত দেখা গৈছে যে ৮।৯ মাহে তেওঁলোক স্কুলত উপস্থিত থাকিব পৰা নাই। তেওঁলোকে শিক্ষকৰ যি মৰ্য্যদা, সেই মৰ্য্যদা ৰাখিব পৰা নাই। মই আমাৰ শিক্ষামন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যাতে আমাৰ এই চৰকাৰৰ দিনত কোনো স্কুলৰ শিক্ষকে ৰাজনীতি কৰিব নোৱাৰে তাৰ কাৰণে বিশেষ দৃষ্টি ৰাখিব লাগিব। প্ৰাথমিক স্কুলতেই শিক্ষাৰ বুনিয়াদ গঢ়ি তুলিব লাগিব। বিগত দিনত প্ৰাথমিক স্কুলৰ শিক্ষক নিয়োগৰ ক্ষেত্ৰত যি বিলাক খেলিমেলি হৈছিল সেই বিলাক কথা বাতৰি কাকতত প্ৰকাশ পাইছিল আৰু অন্যান্য আলোচনাৰ মাধ্যমেও প্ৰকাশ পাইছে। অধ্যক্ষ মহোদয়, অতি দুখৰ কথা হৈছে যে স্বাধীন ভাৰতৰ গণতান্ত্ৰিক দেশৰ অসমৰ নিচিনা ৰাজ্য এখনত বিগত চৰকাৰৰ দিনত প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ২০ হাজাৰ টকা পৰ্য্যন্ত লৈছিল। এই দৰে যি সকল শিক্ষকে ২০ হাজাৰ টকা দি চাকৰি ললে তেওঁলোকৰ এতিয়া উদ্দেশ্য শিক্ষা দিয়া নহয়, কেনেকৈ আগতে দিয়া ২০ হাজাৰ টকা উলিয়াব পাৰি তাৰ চেষ্টা কৰা। ইয়াৰ কাৰণে তেওঁলোকে স্কুলত শিক্ষা দিয়াৰ পৰিবৰ্ত্তে চাব কনটেক্ট কৰিছে। গতিকে মই শিক্ষামন্ত্ৰীক অনুৰোধ কৰিছো বিগত দিনত প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যিটো হৈছিল সেইটো যাতে আমাৰ এই চৰকাৰৰ দিনত নহয় তাৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰিছো। এইটো আটাইতকৈ ডাঙৰ কথা যে প্ৰাথমিক স্কুলৰ লৰা-ছোৱালীৰ সুস্থিৰ মানসিকতা গঢ়ি তুলিবৰ কাৰণে যি পৰিবেশ গঢ়ি তুলিব লাগে সেই পৰিবেশ আমিয়েই গঢ়ি দিব লাগিব।

**Voting on Demands for Grants**

মই অকল মোৰ সমষ্টিৰ কথাই কোৱা নাই গোটেই অসমৰ গাওঁ বিলাকলৈ গলে দেখা যায় যে যিটোৱেই আটাইতকৈ বেয়া অৱস্থাৰ ঘৰ সেইটোৱেই প্ৰাথমিক স্কুলঘৰ। বৰষুণ দিলে লৰা-ছোৱালীয়ে বহিব নোৱাৰে, ধৰ দিয়া লৰা-ছোৱালীয়ে পঢ়িব নোৱাৰে। এই বিলাক অৱস্থা দূৰ কৰিব লাগিব। দেশত শিক্ষাৰ বুনিয়াদ গঢ়ি তুলিবলৈ হলে প্ৰাথমিক শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব। ইয়াৰ কাৰণে প্ৰাথমিক স্কুলৰ ঘৰ-দুৱাৰ নিৰ্ম্মাণ কৰাৰ কাৰণে চৰকাৰে নতুন আচঁনি লব লাগিব। যেনেকৈ বিগত দিনত এনেকুৱা কোনো আচঁনি লোৱা দেখা নগৈছিল। কেইবাগৰাকীও মাননীয় সদস্যই ভিচুৱেল মটিভেচনৰ কথা কৈছে। এইটো কৰিব পাৰিনেকি চাব লাগে। কাৰণ, এইটো ভাল কথা। আমি যাতে এই পদ্ধতিৰ জৰিয়তে বিশ্বৰ লগত আমাৰ লৰা-ছোৱালী বিলাকক চিনাকী কৰি দিব পাৰো। প্ৰাথমিক স্কুলৰ লৰা-ছোৱালীয়ে মেক্সমূলাৰ পঢ়িব নোৱাৰে। কিন্তু চিউ চিত্ৰৰ মাধ্যমেৰে লৰা-ছোৱালীক বুজাই দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে জ্ঞানৰ পৰিধি বহল হব। এইটো ব্যৱস্থা কৰিব পাৰিলে ভাল হব। মোৰ বোধেৰে এনে কৰিবলৈ যোৱাৰ আগতে আমাৰ প্ৰাথমিক স্কুলৰ ঘৰ-দুৱাৰ বিলাক আগতে ভাল হব লাগিব। বিগত দিনৰ কথা কলে আচলতে আক্ৰমণ কৰা বুলি ভাবিব পাৰে।

কিন্তু যোৱা কথাবিলাক কব লাজ লাগে। বিগত চৰকাৰটোৰ দিনৰ কাৰ্য্যকলাপৰ কাৰণে আজি এই অৱস্থালৈ আহিছে। মোৰ সমষ্টিৰ কথাকে কৈছো এনআৰ ইপি আচনিত স্কুল বিলাকলৈ ৪৫ হাজাৰ টকালৈ চেংচন দিয়া হ'ল। কিন্তু যিখন স্কুলত ওপৰত টিনপাত গাহে বেৰ আছে অন্ততঃ খুটা কেইটা আছে সেই বিলাক স্কুলত এই মঞ্জুৰী দিয়া হ'ল। যিবিলাক স্কুলত স্কুলঘৰ নাই লৰা ছোৱালীয়ে বেলেগৰ ঘৰত পঢ়ে বা নামঘৰ মচজিদ বা গোহালী ঘৰত পঢ়ি আছে সেই বিলাক স্কুলত কিন্তু মঞ্জুৰী দিয়া নহ'ল। তেনে উদাহৰণ মোৰ হাতত যথেষ্ট আছে। যি সময়ত কাৰী কৰী শিক্ষা বা অন্য শিক্ষাই ভাৰতবৰ্ষত স্পেচ চায়েঞ্চত যোৱাৰ ব্যৱস্থা কৰিছে সেই সময়ত আমাৰ প্ৰাইমাৰী স্কুলৰ লৰা ছোৱালীয়ে গোহালীঘৰত বহি স্কুল কৰিবলগীয়া হৈছে। আজি ৩৮ বছৰেও অসমৰ

**Voting on Demands for Grants**

এই শিক্ষাৰ পৰিবেশ। বিগত বছৰৰ কথা কব লাগে—গলে লাভ লাগে তেওঁলোকেও নিশ্চয় এতিয়া বুজিব পাইছে আৰু আশাকৰো এইটো অনুভব কৰি বা উপলব্ধি কৰি ভবিষ্যতে এনেকুৱা কাম নকৰিব। আমাৰ চৰকাৰেটো নকৰেই আমি জানো আমি শতকৰা ১০০ ভাগেই জানো আৰু সেইমতে ইতিমধ্যে ব্যৱস্থা লৈছে। আন এটা কথা হ'ল প্ৰাইমাৰী স্কুলৰ শিক্ষক সকল ট্ৰেইনিংত যোৱাৰ বা প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা আছে। তেওঁলোকক বেচিক ট্ৰেইনিং বা অন্য ট্ৰেইনিং দিয়া হয় কিন্তু এই প্ৰশিক্ষন বৈজ্ঞানিক ভিত্তি হোৱা নাই। আমি দেখিছো প্ৰাইমাৰী স্কুলৰ শিক্ষকক বেচিক ট্ৰেইনিংলৈ পঠিয়ায় তেওঁলোকক ট্ৰেইনিংলৈ পঠিয়ালে মাত লগাই যায়-ক'ত যায়-কয় "মই হাউলীলৈ যাওঁ" ট্ৰেইনিং লবৰ কাৰণে। এটা গতি ট্ৰেইনিং চলে সেই গতিতে পৰি আছে। দুবছৰ বা এবছৰ ট্ৰেইনিংলৈ আছে কিন্তু তেওঁলোকৰ মানসিক বা অন্যান্য কোনো পৰিবৰ্ত্তন নহয়। অকণমান পৰিবৰ্ত্তন হয় সেইটো হেছে ধুতিৰ সলনি লংপেন্ট পিন্ধি আছে কিন্তু নতুন কিবা শিক্ষা বা মানষিক কোনো পৰিবৰ্ত্তন নহয়। মোৰ বোধেৰে এই প্ৰশিক্ষনৰ দ্বাৰা শিক্ষকৰ এটা মানসিক সিক পৰিবৰ্ত্তন অনা অতি উজু কথা কিন্তু সেইটো কৰাহোৱা নাই। মই যিখন স্কুলত পঢ়িছিলো তাৰ ওচৰতে বিটি ট্ৰেইনিং কলেজ আছে। আমি তেতিয়া ক্লাচ চেভেনত পঢ়ো। আমাৰ ওচৰতে এজন শিক্ষক আছিল তেওঁ বিটি পঢ়ি আছে। তেওঁ তেতিয়া আমাক কৈছিল ইমান তাৰিখে মই তোমালোকৰ ক্লাচলৈ আহিম প্ৰেকটিকেলৰ কাৰণে। মই তোমালোকক আলাউদ্দিন খিলিজীৰ বিষয়ে সুধিব পাৰো তোমালোক এনেকৈ কৰা। কেইজনমান লৰাই ভালকৈ কব পাৰিলে বা শুদ্ধকৈ কব পাৰিলে মোৰ নাম হব আৰু মই পাছ কৰিম। মই সুধিম" অমুক ৰজা জন্ম কিমান চনতহৈছিল" তোমালোকে কবা ১৫২৫ চন বা তেনেকুৱা। এনেকৈ আগতে ঠিক ঠাক কৰি ৰাখে। আমাক ডাঙ ডাঙৰ চকলেটৰ পেকেট দিয়ে আৰু আমি চকলেট বিলাক ইকুৱেলি বিতৰণ কৰি খাওঁ। ঠিক তেনেকৈয়ে পৰীক্ষাৰ সময়ত আহিল আৰু আমাক সুধিলে আমিও তেখেতে কৈ ৰখামতে আলাউদ্দিন খিলিজী ১৩২৫ চনত জন্ম বুলি কলো আৰু সেই মাষ্টৰ জনে পৰীক্ষাত ফাৰ্চ ক্লাচ ফাৰ্চ হ'ল। তেওঁ চকলেট খুৱাই আমাক বিটি পৰীক্ষা পাছ কৰিলে কিন্তু তাৰ পৰা

**Voting on Demands for Grants**

তেওঁৰ মৌলিক নীতিৰ কিবা পৰিবৰ্ত্তন হ'ল নে ? এইবিলাক আমি আমাৰ বাস্তৱ অভিজ্ঞতাৰ কথা কৈছো। বৰ্ত্তমানৰ এই দৃষ্টিভঙ্গি আমি পৰিবৰ্ত্তন কৰিবলৈ চেষ্টা কৰিব লাগিব। আমি দেখিছো আমাৰ অসমত যুৱক যুৱতি সকল এতিয়াও শিক্ষাৰ পৰিবেশৰ কাৰণেই হওঁক বা অন্য কাৰণতে হওঁক পঢ়া শুনাত বহুত পিচপৰি আছে। পঢ়াৰ ইচ্ছা লৰা ছোৱালীৰ নাই। আজিকালিতো পঢ়াশুনা কমিয়েই গ'ল। ঘৰত কিছুমান প্ৰশ্ন মুখস্থ কৰে আৰু সেইবিলাক পৰীক্ষা হ'লত বমি কৰি দিয়ে। গতিকে মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে শিক্ষা ব্যৱস্থাৰ বিস্তৰ পৰিবৰ্ত্তন কৰি ছাত্ৰ ছাত্ৰী সকলক এটা মুক্ত পথলৈ আগবঢ়াই নিব পাৰে। লগে লগে ছাত্ৰ ছাত্ৰী সকলৰ জ্ঞানৰ পৰিষৰ বঢ়াবৰ চেষ্টা কৰিব লাগে আৰু তেওঁলোক যাতে স্বাবলম্বী হব পাৰে তাৰ চেষ্টা কৰিব লাগে। সমাজৰ প্ৰতি তেওঁলোক দায়বদ্ধতা আৰু শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ ব্যৱস্থা কৰিব লাগে। স্কুলতে ভাল ৰিদিং ৰুম বা লাইব্ৰেৰীৰ ব্যৱস্থা কৰিব লাগে আৰু লাইব্ৰেৰীৰ ব্যৱহাৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰী সকলক সচেতন কৰি তুলিব লাগে কাৰণ ছাত্ৰ ছাত্ৰীৰ কাৰণে পুথিভৰাল বা ৰিদিং ৰুম বৰ এচেনচিয়েল। আজি আমাৰ ছাত্ৰ ছাত্ৰীয়ে বাচিয়ান সাহিত্য আমেৰিকান সাহিত্যৰ বিষয়ে সম্যক জ্ঞান নাই। তেওঁলোকে নবেল প্ৰাইজ পাইছে কিন্তু কিয় পাইছে সেই বিষয়ে কিন্তু তেওঁলোকে নাজানে অৰ্থাত তেওঁ-লোকৰ মাজত কোনো যুগসূত্ৰ নাই। কিন্তু লাইব্ৰেৰী বা ৰিদিং ৰুমৰ ব্যৱস্থা থাকিলে বিশ্ব সাহিত্যৰ বিষয়ে বা অন্য সাহিত্যৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰিব। নহলে আমাৰ লৰাই বাহিৰা কিতাপ নপঢ়ে। মোৰ এটা বিশেষ অনুৰোধ আমাৰ শিক্ষা মন্ত্ৰীমহোদয়ে মাজে সময়ে স্কুল বিলাকত চাৰপ্ৰাইজ ভিজিট দিব লাগে। আজি কালি স্কুল বিলাকত মাষ্ট-ৰবিলাকে এটা নতুন কথা শিকিছে তেওঁলোকে স্কুলত ব্ৰিজ খেলে। দুটা ক্লাচ কৰি আহি অফ থাকিলে ব্ৰীজ খেলে। ব্ৰীজ খেলোতে এনেকুৱা হৈছে কেতিয়াবা শিক্ষক সকলে গধূলী ঘৰত যাব পাহৰে। চুটীৰ ঘণ্টা পৰাৰ পাছত যিবিলাক স্কুলত বৈদ্যুতিকৰণ কৰা নাই বা লাইট নাথাকে তেতিয়া

**Voting on Demands for Grants**

ওচৰৰে পান দোকানৰ পৰা মমবাতি কিনি আনি ৰাখে আৰু তাৰে তাচ খেলে। ৰাতি ৯–৩০, ১০ বজালৈ ব্ৰিজ খেলাৰ নজিৰ মোৰ হাতত আছে। কোনোমতে এতিয়া আকৌ তিনি পাটি খেলাৰ আৰম্ভ কৰিছে। মাষ্টৰ সকলৰ আজি ইমানেই অধঃপতন হৈছে তেওঁলোকে স্কুলৰ ভিতৰত তিনিপাটি খেলাৰ কথা চিন্তা কৰিব পাৰে। গতিকে এইবিলাক শিক্ষকৰ দ্বাৰা লৰা ছোৱালীয়ে কি শিক্ষা লাভ কৰিব। শিক্ষা জগতক ধ্বংসকৰাৰ বাহিৰে ইয়াৰ দ্বাৰা অন্য একো নহয়। এই স্কুল বিলাকত অনতিপলমে পৰিদৰ্শনৰ ব্যৱস্থা কৰিলে ভাল হয়। এই বিলাকৰ কাৰণে আমাৰ স্কুলসমূহৰ পৰিদৰ্শক সকল আছে তেওঁলোকৰ কাম অকল মন্ত্ৰী সকল বা বিধায়ক সকলৰ ফৰৱাৰ্ডিংৰ ওপৰত শিক্ষক নিয়োগ কৰাই দায়িত্ব নহয় তেওঁলোকে স্কুল সমূহ পৰিদৰ্শনৰো ব্যৱস্থা কৰিব লাগে।

মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো পৰিদৰ্শক সকলে যাতে শিক্ষা-নুস্থান বিলাক ভ্ৰমণ কৰে তাৰ নিৰ্দ্দেশ দিব লাগে। আজি কালি আকৌ মাষ্টৰ বিলাকৰ মাজত এটা কথা ওলাইছে 'প্ৰক্সি' দিয়া। মাষ্টৰ সকল স্কুলত নাথাকে অন্য এজনক প্ৰক্সি মাৰিবলৈ দিয়ে। সেই শ্ৰেনীটো হয়তো আছিল অংকৰ সেয়ে অংকৰ স্নাতকে সেইটো ক্লাচ কৰিব লাগে। তেওঁএ কি প্লাচ হোল স্কুয়েৰ শিকাব লাগে কিন্তু সেইটো বাদ দি তেওঁ যিহেতু কলাৰ স্নাতক তেওঁ জুলিয়াচ চিজাৰৰ কথা পঢ়াবলৈ আৰম্ভ কৰে। এই অৱস্থাত আমাৰ ছাত্ৰ ছাত্ৰীয়ে বাৰু কি শিকিব ? সেই কাৰণে পৰিদৰ্শনৰ ব্যৱস্থা কৰিব লাগে। এই অৱস্থা আগতে চলিছিল অৱশ্যে আমাৰ চৰকাৰে তাৰ পৰিবৰ্ত্তন নিশ্চয় কৰিব কিন্তু পৰিবৰ্ত্তন কৰিবলৈ সময় লাগিব। গোটেই ব্যৱস্থাটো লেজী হৈ গৈছে। এটা পুৰনা বেমাৰৰ চিকিৎসা কৰিবলৈ সময় লাগিব। কাৰণ দৰবে কাম কমকৈ কৰিব কিন্তু নতুন বেমাৰ হলে দৰবে কাম সোনকালে কৰিলেহেতেন। গতিকে এই পুৰনি উৱলি যোৱা ব্যৱস্থাটোৰ ওপৰত ভিজিলেঞ্চ ভালকৈ দিব লাগিব যাতে এই পৰিবেশৰ কিছু শাম কতাব পাৰে। এই কাৰণে মই এই কথাবিলাকৰ শিক্ষা মন্ত্ৰীৰ দৃষ্টি বাৰেবাৰে আকৰ্ষণ কৰিছো।

## Voting on Demand for Grants

এই খিনিতে মই আৰু এটা কথা কব খুজিছো আৰু এই বিষয়টো আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ লগতে সদনৰ দৃষ্টি আৰ্কষণ কৰিব খুজিছো যে আমাৰ ইয়াত যিবোৰ কনভেণ্ট স্কুল চলি আছে সেই স্কুল বিলাক উঠাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই স্কুল বোৰৰ কোনোবা খনৰ নাম দিছে, ড্ৰিমলেণ্ড কোনোবা খনৰ লিটিল ফ্লাৱাৰ আদি নামেৰে এই স্কুল বোৰ খোলা হৈছে। সেইবোৰ নাম মোৰ মুখত ভালকৈ উৎ-শাহেই নহয়। এই স্কুল বোৰৰ শিক্ষা নীতিৰ যি ইলাহি কাৰবাৰ সেই স্কুল বোৰ আমাৰ দুখীয়া গাৱলীয়া খেতিয়কৰ লৰা ছোৱালীয়ে শিক্ষা আহৰণ কৰিব নোৱাৰে। আমাৰ এজন দুখীয়া খেতিয়কে বছৰটো খেতি কৰি কোনোমতে ২০-৩০ মোন ধান পায়। সেইখিনিৰে তেওঁক খাবই নোজোৰে। গতিকে এই দুখীয়া খেতিয়ক জনে তেওঁৰ লৰা ছোৱালীক পেণ্ট পিন্ধাই কনভেণ্ট স্কুলত পঢ়াব নোৱাৰে। তেওঁ কোনো মতে লৰা ছোৱালীক মেট্ৰিকটো পাচ কৰাই চকিদাৰ চাকৰিৰ কাৰণে দৰ্খাস্ত কৰিব লগীয়া হয়। কিন্তু ইয়াৰ লগে লগে এচাম উচ্চপদষ্ট বিষয়া আৰু ধনী লোকে তেওঁলোকৰ লৰা ছোৱালীক কনভেণ্ট স্কুলত পঢ়ুৱাই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বৈশম্যৰ সৃষ্টি কৰিছে। সেইকাৰণে মই চৰকাৰক পৰামৰ্শ দিব বিছাৰো যে শিক্ষাৰ ক্ষেত্ৰত কোনো বৈশম্য ৰাখিব নালাগে। আজি কনভেণ্ট স্কুল বোৰে লৰা ছোৱালীক যি শিক্ষা দিছে সেই শিক্ষাৰ দ্বাৰা তেওঁলোকে কিছুমান ইংলিচ আৰু হাইফাই কৰি কোলোকেল ভাষা এটাহে শিকাইছে। এইটো তেওঁ-লোকৰ এটা ফেচনত পৰিণত হৈছে। সেই কাৰণে মই আমাৰ নতুন চৰ-কাৰক এইটো অনুৰোধ জনাও যাতে এই বৈশম্য দূৰ কৰি বৰ্ত্তমান সমাজতো যি এটা বৈশম্যৰ সৃষ্টি হৈছে তাক আতৰাই এটা নতুন শিক্ষা-নীতি প্ৰনয়ণ কৰে। বিগত চৰকাৰৰ দিনত তেওঁলোকে কৰিব পৰা নাছিল কাৰণ তেওঁলোকৰ সেই খিনি সত সাহস নাছিল। আমাৰ নতুন চৰকাৰে এই কাম সাহসেৰে কৰিব পাৰিব বুলি মোৰ বিশ্বাস। ইয়াৰ লগতে মই চৰকাৰক বিশেষকৈ শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে আমাৰ যি

বিলাক প্ৰাইমেৰী স্কুল আছে সেই স্কুল বিলাকত এটা ভাল পৰিবেশ সৃষ্টি কৰি লৰা ছোৱালী বিলাকক স্মাৰ্ট আৰু প্ৰেকটিকেল কৰি তুলিব পাৰিনেকি সেই বিষয়ে চিন্তা কৰি বৰ্ত্তমান প্ৰাইমেৰী স্কুলৰ যিটো শিক্ষানীতি তাক পৰিবৰ্ত্তন ঘটাই গঠনমূলক নীতি গ্ৰহণ কৰি লৰা ছোৱালীবোৰক আগুৱাই নিবলৈ চেষ্টা কৰিব লাগে।

অধ্যক্ষ মহোদয়, এই কনভেণ্ট স্কুল বিলাকৰ কাৰণে অসমত এনেকুৱা এটা পৰিস্থিতি হৈছে যে অলপতে মই এজন অফিচাৰক নলবাৰীলৈ বদলি কৰি নিয়াৰ ইচ্ছাৰে তেখেতক সুধিছিলো—" আপুনি নলবাৰীলৈ যাব নেকি ? কাৰণ আপুনি এজন ভাল বিষয়া আপুনি গলে আমাৰ নতুনকৈ হোৱা জিলা খনৰ বহু উন্নয়ণ মূলক কামত সুবিধা হব।" তেতিয়া বিষয়া জনে পোনচাতে উত্তৰ দিলে যে, মই নলবাৰীলৈ যাব নোৱাৰিম। কিয়নো মোৰ লৰা ছোৱালী কেইটা ইয়াত কনভেণ্ট স্কুলত পঢ়ি আছে। নলবাৰীত কনভেণ্ট স্কুল নাই। গতিকে মই তালৈ যাবলৈ হলে বৰ বিপদ হব।" তেখেতৰ এই উত্তৰ শুনি মই বৰ আচৰিত হলো। এইটো বৰ দুখৰ বিষয়। যদি শিক্ষা ক্ষেত্ৰত এইটো হয়, তেনেহলে আমাৰ আপত্তি আছে। গতিকে শিক্ষা ক্ষেত্ৰত এটা সামঞ্জস্য আনিব লাগে। তাৰ পাচত চেণ্ট্ৰেল স্কুলৰ কথালৈ আহো। চেণ্টেল স্কুলত ইমানেই খেলি মেলি যে ৫ঘণ্টা কৈ থাকিব দিলেও মই কৈ থাকিব পাৰো। আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ে চোচিয়েল ষ্টাডি আৰু হিন্দী এম, আই, এস বিষয় কেইটা নোহোৱা কাৰণে আমাৰ লৰা ছোৱালীয়ে সেই বিষয় কেইটা পঢ়িবলৈ সুবিধা নাপায়। সেইকাৰণে দুই এজন লৰাই এই বিষয়ত পাটনা বা দিল্লী আদি ঠাইলৈ পঢ়িব যাব লগা হয়। এই ক্ষেত্ৰতো যদি কোনোবা দুখীয়া ধৰণৰ লৰা তালৈ পঢ়িবলৈ যায় তেতিয়া সেই ঠাইৰ মানুহে এই লৰা জনক তেওঁৰ নাম কি ? ঘৰ কত ? দেউতাকৰ ঠিকনা আদিৰ লগতে অন্যান্য বহুতো অসালিন ব্যৱহাৰ কৰি তাৰ পৰা পঠিয়াই দিয়ে। অৱশ্যে কোনোবা যদি আই, এ, এচ বা উচ্চপৰ্য্যায়ৰ বিষয়াৰ লৰা ছোৱালী হয়। তেনেহলে তেওঁলোকে তাত পঢ়িবলৈ সুবিধা পায়। এইবোৰ খেলি মেলিৰ

**Voting on Demands for Grants**

কাৰণেই উত্তৰ পূব অঞ্চলৰ কাৰণে এই বিদ্যালয় সমূহত যেতিয়া ১৫০ টা লৈকে পদ পুৰাবৰ কাৰণে বিজ্ঞাপন দিয়া হয়, তেতিয়া অসমৰ লৰা ছোৱালীয়ে সেইপদ বোৰত আবেদন জনোৱাৰ পৰা বঞ্চিত হয় আজি জাগিৰোডৰ চেণ্ট্ৰেল স্কুল এখনত পাট্‌নাৰ পৰা শিক্ষক নিযুক্তি দিয়া হয়। ইয়াৰ একমাত্ৰ কাৰণ গুৱাহাটী বিশ্ববিদ্যালয়ত চোচিয়েল ষ্টাডীৰ ব্যৱস্থা নাই। গতিকে আমাৰ চৰকাৰে এই বিষয়টোত কিবা অলপ মেৰামতি কৰিব পাৰেনেকি চাব লাগে।

এইখিনিতে মই আমাৰ এডাল্ট এডুকেচনৰ বিষয়েও দুষাৰ মান কওঁ। এডাল্ট এডুকেচনৰ বিষয়ে কবলে গলে, আমাৰ মনলৈ এনেকুৱা এটা ভাব আহে যে, এইটো এটা লেম চাকি আৰু ৰেকবোৰ্ড পোৱা অনুস্থানহে। এই স্কুলবোৰৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰতো বহুতো কাহিনী আমাৰ হাতত আছে। বিগত বছৰ বোৰত এই স্কুল বোৰত শিক্ষকতা কৰিবৰ কাৰণে কিছুমান মানুহে মন্ত্ৰী এম, এল, এৰ পাচত ঘুৰি নাইবা তেওঁলোকক অন্য ধৰণে সন্তুস্ত কৰি হলেও এই চাকৰি টো লবলৈ বৰ ইচ্ছুক। কিয়নো অলপ পঢ়া শুনা কৰিয়েই এই স্কুলত শিক্ষকতা কৰিব পাৰিলে তেওঁলোকে অন্ততঃ লেম চাকি কিনাৰ নামত কিছুধন আত্মসাত কৰিব পাৰে। গতিকে এইটো ঘটিলোটাৰ অনুস্থান হিচাবে নাৰাখি শিক্ষা ব্যৱস্থাটো জিয়াই ৰাখিবলৈ গুৰুত্ব দিব লাগে। এই সংক্ৰান্তত যোৱা বাৰ এজন বিষয়াই ১৫ লাখ টকাৰ লেম চাকি কিনাৰ বাবত খৰছ হোৱা বুলি হিচাব দেখুৱায়। যি সময়ত তেওঁ ইমান বোৰ টকা হকে বিহকে খৰছ কৰি ধৰা পৰিছিল তেতিয়া এনে কিছুমান ঘটনা ঘটিছিল যে দোষী লোক জনে আহি যদি মন্ত্ৰীক হাতে ভৰিয়ে ধৰি সন্তুস্ত কৰিব পাৰে তেতিয়া মন্ত্ৰীয়ে সেই দোষ তথাস্তু বুলি কলেই মাফহৈ গৈছিল। সেই কাৰণে এই বিষয়া জনেও ১৫ লাখ টকা খৰছ কৰি নিজৰ পুতেকক মন্ত্ৰীৰ ওচৰলৈ লৈ আহি পুতেকক সুধিছিল" এখেত কোন চিনি পাইছনে ? "তেতিয়া পুতেকে উত্তৰ দিছিল যে' এখেত আমাৰ মন্ত্ৰী"। এই বুলি কৈ মন্ত্ৰীক নমস্কাৰ জনালে। তেতিয়া বিষয়া জনে পুতেকক ধমক

দি কয় যে" বুৰ্ব্বক এখেত মন্ত্ৰীয়েই নহয় এখেত অসমৰ ভগবান। তেখেতক ভ'ৰিত ধৰি সেৱা কৰ"। তেতিয়া পুতেকে সেৱা কৰিলে আৰু মন্ত্ৰীয়ে তথাস্তু বুলি কলে। এই বিষয়া জনে সেইসময়ৰ মন্ত্ৰী মহোদয়ক পুতেকৰ হতুৱাই সেৱা কৰাই ১৫ লাখ টকাৰ মাফ পাইছিল। এই টকা খিনি ৰাইজৰ টকা। গতিকে এই খিনিৰ হিচাবে আমি ইমান সহজে এৰি দিব নোৱাৰো সেই কাৰণে মই চৰকাৰক বাৰে বাৰে কৈ আহিছো যে, এই কেলেঙ্কাৰী ঘটনাটো পুনৰ অনুসন্ধান কৰিব লাগে। যদি তাকে নকৰে তেনেহলে মই আকৌ প্ৰশ্ন তুলিম।

অধ্যক্ষ মহোদয়, ভাষাৰ ক্ষেত্ৰত এটা কথা হৈছে অসমীয়া ভাষাৰ ইয়ে এক লাঠি সিয়ে এক লাঠি মাৰি আছে। ইয়াৰ ফলত অসমীয়া ভাষা যে আৰু তিষ্ঠি থাকিব সেইটো সন্দেহপূৰ্ণ হৈ পৰিছে। ভাষা আমাৰ কাৰণে ইমানেই মৰমৰ যে ইংৰাজী মানুহৰ লগত কথা পাতিলেও আমি আমাৰ ভাষাক পাহৰিব নোৱাৰো, ৰাতি সপোন দেখিলেও আমি আমাৰ মাতৃ ভাষাতে অসমীয়া ভাষাতে সপোন দেখা পাওঁ। ভাষাই এনেকৈয়ে মানুহৰ প্ৰভাৱ বিস্তাৰ কৰে। আজি কিন্তু আমাৰ অসমীয়া ভাষাৰ ইটোই এক লাঠি সিটোই এক লাঠি মৰা অৱস্থা হৈছে। অফিচ কাচাৰীত মানুহ আছে অসমীয়া থ কয়, কথা পাতে কিন্তু লিখি ব্যৱহাৰ নকৰে। এতিয়া আমাৰ চৰকাৰ আহিছে। এই কথা বিলাক কলেই বহুতেই সংকীৰ্ণবাদী বুলি কব কিন্তু ইতিমধ্যে অসমীয়া ভাষা শিকাৰলৈ বহুত সময় পাৰ হৈ গ'ল। ভাষাৰ ক্ষেত্ৰত বহুত কথাই উত্থাপিত হৈছে। অত্যন্ত সূক্ষ্ম অত্যন্ত প্ৰাণস্পৰ্শী, অন্তৰপৰশা ইত্যাদি বহুতেই বহু বিষয়ত প্ৰকাশ কৰিব, সেই গণতান্ত্ৰিক অধিকাৰ সকলোৰে আছে। কিন্তু প্ৰশ্ন হৈছে ভাষাৰ ক্ষেত্ৰত একোতেই এই ক্ষতি পূৰণ কৰিব পৰা নাযায়। অনিল মোজাম্মিলহঁতে এই ভাষা ব্যৱহাৰ কৰাৰ কাৰণেই তেজ দিলে। অসমীয়া ভাষাৰ কাৰণে তেজ দিলে। মাতৃ-ভাষা ব্যৱহাৰ কৰাৰ কাৰণে তেজ দিবলগীয়া হৈছিল। সেই তেজৰ মূল্য এতিয়া ৰাখিব পাৰিব লাগিব। কিহবাৰ দ্বাৰা এই ক্ষতি পূৰণ কৰিব খুজিলে তাত আমাৰ আপত্তি আছে। ইয়াৰ

**Voting on Demand for Grants**

লগতে এইটোও কৈছো যে অসমীয়া সকলৰ জি খিলঞ্জীয়া ভাষা সেই ভাষাৰ ওপৰতো চৰকাৰে গুৰুত্ব দিব লাগিব তাৰ গৱেষণাৰ ওপৰত গুৰুত্ব দিব লাগে। অসমৰ স্কুল সমূহত খিলঞ্জীয়া ভাষা সমূহৰ গৱেষণা কৰিবৰ ব্যৱস্থা কৰিব লাগে। খিলঞ্জীয়া ভাষা ব্যৱহাৰ কৰাৰ কাৰণে সুবিধা-অসুবিধা বিলাক চালি-জাৰি চাই সেই ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ কাৰণে বিজ্ঞান সন্মত ভাবে ভাষাৰ ওপৰত গৱেষণাৰ ব্যৱস্থা কৰিব লাগে। আমি একোতেই অসমীয়া ভাষাৰ ক্ষেত্ৰত কোনো ৰকমে আপোচ কৰিব নোৱাৰো এই দাবীও উত্থাপিত হৈছে। কোনোবা মাননীয় সদস্যই কৈছে যে আৰু দহ বছৰ সময় অসমীয়া ভাষা শিকাৰ কাৰণে দিব লাগে। স্বনাম ধন্য বিৰোধী পক্ষৰ সদস্য গৰাকী বিগত সময়ছোৱাত শাসক দলত আছিল আৰু ১৯৭০ চনতে যদিও সকলো লোককে অসমীয়া ভাষা শিকাৰ সময় বঢ়াই দিয়া হৈছিল তেতিয়ালৈকে আচলতে একো-ৱেই কৰা নহল। এতিয়া আৰু সময় বঢ়াই দিয়াৰ আচলতে কথা নাই কিয়নো ইচ্ছাকৃত ভাবে পাৰ হৈ যোৱা সময় ছোৱাত এই দিশত অকণমানো আগ-বাঢ়িবৰ কাৰণে চেষ্টা কৰা নহল। এতিয়া আমাৰ চৰকাৰৰ দিনত আকৌ অসমীয়া শিকাৰ কাৰণে সুযোগ দিয়া হৈছে। কিন্তু এতিয়া আকৌ দহ বছৰ সময় বঢ়াই দিয়াৰ কাৰণে আমাৰ আপত্তি আছে। এইখন অসমতে থাকি যি সকলে বৃহত অসমীয়া জাতি গঠন কৰিছে সেই সকলোৰে কাৰণেই এই অসমীয়া ভাষা ঐক্য আৰু সংহতিৰ বাহক। সুদূৰ ব্ৰহ্মদেশৰ পৰা টাই-সকল আহিছিল নিজা টাই ভাষা লৈ কিন্তু সেই টাই ভাষা পৰিত্যাগ কৰি ইয়াৰে থলুৱা ইয়াৰ লগত জাপ খাই অসমীয়া হৈ গৈছে। থাইলেণ্ডৰ পৰা অহা সেই সকল লোকে এতিয়া অসমীয়া হৈ গৈছে। আজান ফকীৰ আহি-ছিল জিকিৰ ৰচনা কৰিছিল এই থলুৱা মাটিৰ গোন্ধ লৈ। কান্যকুঞ্জৰ পৰা শঙ্কৰদেৱৰ উপৰিপুৰুষ আহিছিল ভাষা সংস্কৃতি সমৃদ্ধ কৰিছিল। এই সকলো বিলাক মিলি-জুলি এতিয়া বৃহত অসমীয়া জাতি গঠিত হৈছে। ঐতিহাসিক এই জাতি গঠন প্ৰক্ৰিয়াত সকলো বিলাক সোমাই পৰি ভাষা পুনৰ গঠন হৈছিল আৰু পুনৰ গঠিত ভাষাই বিকাশ লাভ কৰি যি পৰিবৰ্ত্তিত ৰূপ অধি-

**Voting on Demands for Grants**

গ্ৰহণ কৰিছে সেই মূল স্তুতিৰ পৰা ফালি যোৱাত আমাৰ আপত্তি আছে। এই প্ৰক্ৰিয়া অব্যাহত থাকক এই হওক ভাষা শক্তিশালি কৰাৰ বাবে আমাৰ চৰকাৰৰ নীতি।

মাননীয় অধ্যক্ষ মহোদয়, আৰু দুটা কথা অপ্ৰিয় হলেও কব বিচাৰিছো। সময় অলপ কম যদিও চমুকৈ কৈয়েই শেষ কৰিম। শিক্ষাৰ ক্ষেত্ৰত এইটো কথা কবই লাগিব যে শিক্ষাই হ'ল সকলো জাতিৰ প্ৰাণকেন্দ্ৰ। যিয়েই অন্ধকাৰত থাকে শিক্ষাই সেই সকলক পোহৰলৈ টানি আনে, বাট দেখুৱাই আনে। মানুহে ভাল কথা শিকিব পাৰে শিক্ষাৰ মাধ্যমেৰে কিন্তু আমাৰ অসমত যিটো শিক্ষা ব্যবস্থা চলি আছে ভাবিলেই আমাৰ বুকু কঁপি উঠে। পিয়নৰ পৰা বৰবাবুৰ পৰ্য্যন্ত সকলোৰে ওচৰত বিনা পইচাই ক'তো একো কাম নহয়। বিনা পইচাই কোনেও কথা কবই নোখোজে। মাষ্টৰ সকল গাৱৰ পৰা আহিব কিন্তু অফিচাৰৰ লগত কথা পাতিবলৈ খাপ দি বৈ থাকিব লাগে। প্ৰস্তুতি পৰ্ব্ব শেষ হোৱাৰ পিচত যেনিবা অফিচাৰৰ লগত কথা পাতিব পাৰিলেও বিনা পইচাই কাম নহয়। সিদিনা এজন মাষ্টৰ আহিছে চাৰিশৰ অলপ বেছি টকা পাওনা আছে শিক্ষা বিভাগৰ পৰা কিন্তু তাৰ কাৰণে দুশ বিয়াল্লিশ টকা খৰচ কৰিবলগীয়া হল। অৰ্থাত চাৰিশ টকাৰ কাৰণে দুশ বিয়াল্লিশ টকা খালে শিক্ষা বিভাগে। মাটি বন্ধকী থৈ হলেও টকা লৈ নাহিলে প্ৰাপ্য পইচাও উলিয়াই নিব নোৱাৰে। এই বিলাকেই হৈ আছে কাণ্ড। ভাবিলে আমাৰ বুকু কঁপি যায়। এক ভয়াবহ পৰিস্থিতি চলি আছে। যোৱা আঠত্ৰিশ বছৰ চৰকাৰে চলোৱা দুৰ্নীতিৰ ফলত আজি এই অৱস্থাপ্ৰাপ্ত হৈছে। বাপেক অফিচাৰ আৰু পুতেকৰ নামত পঞ্চাশ হাজাৰ টকাৰ কাম তথাস্তু বুলিয়েই দি আছে। পাচ লাখ টকাৰ ব্লাকবোৰ্ড দিয়াৰ কাৰণে কিমান শতকৰা হাৰত পইচা দিব পাৰিব সেইটো হিচাব আগতে কৰে। বিষয়া আৰু মন্ত্ৰীৰ মাজত শতকৰা হাৰ দিয়া নিদিয়াৰ হিচাব আগতে হয় আৰু তাৰ পিচতহে কাম দিয়া নিদিয়াৰ কথা আহে। এতিয়াৰ আমাৰ মন্ত্ৰী সকলে তেনেকুৱা নকৰে। সেইটো আমি জানো কিন্তু

**Voting on Demands for Grants**

আগৰ সময় ছোৱাত কোন কোন মন্ত্ৰী বিষয়াই কিমান টকা ঘাটিলে এই ভাবে সেই সকলো বিলাক কথা ৰাইজৰ আগত তদন্ত কৰি উলিয়াই এটা হিচাব দাঙি ধৰিব লাগে। কিয়নো সেই সকলোবিলাক ৰাইজৰ ধন, ৰাজহুৱা টকা। সেই হিচাবটো ৰাইজৰ আগত দাঙি ধৰিব পাৰিলে ৰাইজে অন্ততঃ ভাবিব পাৰিব যে অসম গণপৰিষদৰ চৰকাৰ আহিছে আৰু অন্তত আগৰ দূৰ্নীতিমূলক টকা পইচাৰ হিচাব বিলাক দাঙি ধৰিব পাৰিছে। প্ৰয়োজন বোধে এই সকলো বিলাক হিচাব কৰি চোৱাৰ দায়িত্ব চি-বি-আইৰ হাতত অৰ্পণ কৰিব লাগে আৰু শীঘ্ৰেই এই ধৰণৰ হিচাব বিলাক ৰাইজৰ আগত দাখিল কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এতিয়া দেখা গৈছে যে বহুত বিলাক অফিচাৰ শিক্ষা বিভাগৰ আয়ত্তলৈ আহিব খোজা নাই। বাপেকৰ কেন্সাৰ হলে সেই শিক্ষকজনৰ মৃত্যু হলে তেওঁৰ পুতেকে পৰিয়ালটো কোনো ৰকম বাচি থাকিবলৈ হলেও সেই চাকৰীটো পাৰ লাগে যদি উপযুক্ত হয়। কিন্তু উপযুক্ত বুলি আৰু সঁচা ঘটনা বুলি বিধায়কে লিখা দিয়াৰ পিচতো স্কুল উপ-পৰিদৰ্শকে সেই কাগজ তলত পেলাই দিছে আৰু কৈছে যে বিধায়কেহেনো একো নাজানে। লিখিলেই চাকৰি নহয়। বিধায়কে নাজানে মানি ললো কিন্তু দুবিঘা মাটি বন্ধকত থৈ পইচা আনি দিয়াত সেই বিলৰ কাম কেনেকৈ হব পাৰে। এই সম্পৰ্কত মত্ৰাপাৰৰ পৰা এখন গোপনীয় চিঠি মোৰ ওচৰলৈ আহিছে আৰু তাত মোক ব্যৱস্থা লবলৈ জনাইছে। কিন্তু মই আৰু কি ব্যৱস্থা লম ইয়াতে পবিত্ৰ সদনত কথাটো উত্থাপন কৰিলো। বহুত লোকে আগৰ চৰকাৰৰ দিনত বহুত টকা আগধন লৈছিল আৰু এতিয়া মিলাৱ নোৱাৰি দীঘলীয়া ছুটিৰ কাৰণে দৰখাস্ত কৰিছে। এজনে আকৌ সুস্থ সবল চেহেৰা লৈ ডাঙৰ কলিজা লৈ ঘুৰি ফুৰি থাকিও টি-বি হোৱা বুলি দুবছৰৰ কাৰণে ছুটি লোৱাৰ কাৰণে দৰ্খাস্ত কৰিছে। ছুটীৰ কাৰণে বহুত বিষয়া কৰ্মচাৰীৰ পৰা উজান উঠিছে। গতিকে এই ছুটী বিলাক মঞ্জুৰ কৰাৰ সময়ত ভালকে চালি-জাৰি চাব লাগে। কিয়নো মিছাকৈ এনেকৈ টকা ফাকি দিয়াৰ কাৰণে বহুতে এতিয়া ছুটী লোৱাৰ ব্যৱস্থা কৰাৰ কথা জানিব পৰা গৈছে। চৰকাৰ তথা শিক্ষামন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত পৰামৰ্শ

### Voting on Demand for Grants

আগ বঢ়াওঁ যাতে এই সকলৰ ছুটীৰ দৰ্খাস্ত বিবেচনা কৰাৰ সময়ত ঠিক ভাবে চালি-জাৰি চোৱা হয়। আগৰ লোৱা টকা বিলাক হজম কৰিব নোৱাৰি ভাবিয়েই এতিয়া ছুটীৰ কাৰবাৰ কৰিছে। দুই এক হাজাৰ টকা হলেও ফিৰাই দিয়াৰ ব্যৱস্থা কৰিব পাৰিলোহেতেন। কিন্তু বেছি সংখ্যক টকা লোৱা কাৰণেই এতিয়া মিলাব নোৱাৰি তেনে ব্যৱস্থা লবলৈ বাধ্য হৈছে। এই বিলাক ৰেকর্ড চাই সেই মতে কাম কৰিবলৈ মই পৰামর্শ আগবঢ়ালো। সেই বিষয়াই আকৌ ছুটীৰ সময়ত বেডিং মূৰত লৈ ট্ৰেইন ষ্টচনলৈ খোজ-কাঢ়ি যাব পাৰে কেনেকৈ আমি ভাবিবলৈ টান পাওঁ। ওঠৰ মাহৰ ছুটীৰ দৰ্খাস্ত কৰা টি-বি বেমাৰীৰ এনে বিলাক কথা ভেৰিফাই কৰি চাব লাগে। সচাঁকৈয়ে তেজ ওলাইছে নে পানীয়েই ওলাইছে সেই বেমাৰী জনৰ সেই কথা বিষম ভাৱে চোৱাৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় শিক্ষামন্ত্ৰীক অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, দ্বিতীয় কথা হৈছে দুৰ্নীতিৰ সম্পৰ্কত আন এটা কথা। বহুত সময়ত আমি দেখিবলৈ পাইছো গুৱাহাটি ক্লাবৰ ৰাস্তাৰে ৰাতি-পুৱা ন-দহ বজাত গলে বহুত বিলাক মানুহ জুম খাই থকা দেখা যায়। তাত চৰকাৰী গাড়ী বহুত ব্যৱহাৰ হয়। গাড়ী বিলাক চৰকাৰী! কিন্তু চৰকাৰী কামত সেই গাড়ী বিলাক সঁচাকৈ গৈছে নে চাবলগীয়া। তাত বহুত বিলাক কনভেন্ট স্কুল আছে। ইংৰাজী মাধ্যমৰ এই স্কুল বিলাকলৈ ৰাতিপুৱা ন-দহ বজাত বহুত চৰকাৰী গাড়ী যায়। তাত বিউটি ফ্লাওৱাৰ হলি চাইল্ড, চান ফ্লাওৱাৰ, লিটল বাৰ্ড ইত্যাদি নানান নামৰ ইংৰাজী মাধ্যমৰ স্কুল গঢ়ি উঠিছে আৰু সেই বিলাক স্কুললে ছাত্ৰ-ছাত্ৰী লৈ যায় চৰকাৰী গাড়ীয়ে। এই গাড়ী বিলাক কিহেৰে চলে? পানীৰে নে তেলেৰে? ব্ৰহ্মপুত্ৰৰ পানী আহি সেই গাড়ী বিলাক নচলে। আমাৰ মন্ত্ৰী বিধায়কে গাড়ী পেট্ৰোল দি চলোৱা হয় কিন্তু সেই চৰকাৰী গাড়ী বিলাক কেনে বিধৰ চলে সেইটো চাবলগীয়া হৈছে। বিধায়ক মন্ত্ৰী সকলে চৰকাৰী কামৰ কাৰণে গাড়ী ব্যৱহাৰ কৰে। ৰাতিপুৱা তাত গোট খোৱা গাড়ী বিলাক

**Voting on Demands for Grants**

কোনোবা বিষয়াৰ ঘৈণীয়েক বা লৰা-ছোৱালী উঠিবৰ কাৰণে চৰকাৰী ভাবে দিয়া হোৱা নাই। এই বিলাক ৰাইজৰ ধনৰ অপচয় হৈছে। কিয়নো চৰকাৰী সম্পত্তি সকলোবিলাক ৰাইজৰ সম্পত্তি। তাক ব্যক্তিগত কামত কোনেও ব্যৱহাৰ কৰা উচিত নহয়। এই বিলাক কথা চাবলৈ শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। শিক্ষাৰ ক্ষেত্ৰত আমুল পৰিবৰ্ত্তন অনাৰ কথা সকলোৱে ভাবে, বহুতে কয়, চৰকাৰেও সেই অনুপাতে নীতি নিৰ্দ্ধাৰণ কৰে কিন্তু এইটো কথা ঠিক যে আগৰ চৰকাৰৰ লেখিয়া এই বিলাক কথা চলি থাকিলে শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিবৰ্ত্তন অনা সম্ভৱপৰ নহব। বাকেক অফিচাৰ হলে পুতেকৰ নামত পোন্ধৰ লাখ টকাৰ ঠিকা দিয়াৰ ব্যৱস্থা চলিলে পৰিবৰ্ত্তন কোন খিনিত হব আমি ভাবি নাপাওঁ। সেই ব্যৱস্থা আঁতৰাব লাগিব। শিক্ষাৰ ক্ষেত্ৰত বেছি পইছা ধাৰ্য্য কৰা কাৰণে শিক্ষাৰ শিতানত কৰ্ত্তন প্ৰস্তাৱ বিৰোধী পক্ষৰ পৰা অনা হৈছে। কিন্তু সেইটো ভুল কথা হৈছে। কিয়নো শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ কাৰণে, আমাৰ শিক্ষা ব্যৱস্থাৰ প্ৰভূত উন্নয়ণ সাধনৰ কাৰণে টকাৰ প্ৰয়োজন আৰু সেই কাৰণেই এই শিতানত টকা বেছিকৈ ধৰা হৈছে। ইয়াৰ কাৰণে টকা কৰ্ত্তন কৰাৰ কোনো যুক্তি নাই। বেছি কাম কৰিবলৈ বিচাৰিলে টকা পইচাৰো প্ৰয়োজন অনস্বীকাৰ্য্য, সেই কথা মানি লৈ কৰ্ত্তন প্ৰস্তাৱ আনিবই নালাগিছিল। প্ৰাথমিক স্কুল ঘৰ বিলাক ঠিক কৰাৰ কাৰণে টকা দিব লাগিব সেই টকা ইয়াত ধৰা হৈছে। ইয়াৰ উপৰিও হাইস্কুল, কলেজ আৰু বিশ্ববিদ্যালয় পৰ্য্যন্ত সামৰি কাৰিকৰী বিদ্যালয় সমূহকো এই শিতানৰ টকাৰ মাজতে চাব লাগিব। সেই কাৰণে আমাৰ বোধেৰে এই টকা যথোচিত হৈছে। ইয়াত কৰ্ত্তন কৰাৰ কোনো যুক্তি নাই। প্ৰয়োজন হলে হাইস্কুল শিক্ষাৰ কাৰণে আৰু বেছি দিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা দি আৰু বেছি টকা অনাৰ দিহা কৰিবলৈ মই শিক্ষামন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখিলো। আজি আঠত্ৰিশ বছৰে প্ৰাথমিক স্কুল বিলাকৰ ঘৰটো লৈয়েই ৰাজনীতি খেলা হ'ল, হাইস্কুলৰ মেনেজিং কমিটিক লৈয়েই ৰাজনীতি খেলা হ'ল। মেনেজিং কমিটিৰ সভাপতি হোৱা এই

ৰাজনীতি খেলি আজি আঠত্ৰিশ বছৰে আগৰ চৰকাৰে শিক্ষাৰ নামত কি কৰিলে এতিয়া আমি সকলোৱে দেখিবলৈ পাইছো। বছৰ ডুবছৰৰ মূৰকত এখন ৰাজহুৱা সভা পাতি ৰক্তজবা নামৰ কিতাপ পুৰস্কাৰ দিলেই শিক্ষাৰ মানদণ্ড উন্নত কৰা নাযায় বুলি আগৰ চৰকাৰৰ দায়িত্বত থকা সকলে বুজিব নোৱাৰিলে। যিটো আমাৰ কাৰণে ৰাজ্যখনৰ কাৰণে এক চৰম দুৰ্ভাগ্যৰ বিষয়। এতিয়া মাননীয় শিক্ষামন্ত্ৰী মহোদয় তথা আমাৰ চৰকাৰে এই বিলাক ক্ষেত্ৰত ব্যৱস্থা লব লাগে। শিক্ষাৰ ক্ষেত্ৰত চলি থকা এই ধৰণৰ ৰাজনীতি ব্যাহত কৰিব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বচা বচা কেইখনমান স্কুলত টেবুল টেনিচ দিয়াৰ ধ্যৱস্থা কৰিছে। এইটো আনন্দৰ কথা। কিন্তু কেইজনমান মাননীয় সদস্যাই সেইটো বেলেগ ভাবে চাইছে আৰু সেই অনুক্ৰমে ইয়াত মতামত ব্যক্ত কৰিছে। এগৰাকী মাননীয় সদস্যাই সেই টেবিল টেনিচ বোৰ্ডখন মাষ্টৰে পঢ়োৱাৰ কাৰণে ব্যৱহাৰ কৰিব বুলি সকিয়াব খুজিছে। কিন্তু আচলতে সেইটো মিছা যুক্তি কিয়নো টেবিল টেনিচ বোৰ্ড খন ইমান ডাঙৰ যে প্ৰাথমিক স্কুল ঘৰত মাষ্টৰে সেইখন পঢ়োৱাৰ কাৰণে লবলৈ হলে স্কুল ঘৰত আন ঠাই অকণো নাথাকিব। এইটো ডিভাইড এণ্ড ৰুল বুলি পলিচি লোৱা বুলিও দুই এক মাননীয় সদস্যাই অভিমত ব্যক্ত কৰিছে। আচলতে সেইটোও নহয়। খেলাৰ ক্ষেত্ৰত পুৰস্কাৰ কঢ়িয়াই আমালৈ সুনাম অনা কাৰণে প্ৰথম পৰ্য্যায় হিচাবে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এই এশখন টেবিল টেনিচ প্ৰাৰম্ভিক পৰ্য্যায়ত দিয়াৰ কথা ঘোষণা কৰিছে। ইয়াৰ পিচত পৰ্য্যায়ত ক্ৰমে আন বিলাক স্কুলতো দিয়া যে নহব তাৰ কথা ক'তো নাই। সেইবিলাক কাৰণেই শিক্ষাৰ ক্ষেত্ৰত বেছি টকাৰ প্ৰয়োজন হব। এই টেবিল টেনিচ বোৰ্ড বিলাক ছাত্ৰ ছাত্ৰী সকলক অভ্যাস কৰিবলৈ আৰু খেলাৰ ক্ষেত্ৰত আৰু আগবাঢ়ি আহিব পৰা সুবিধা কৈ দিয়া হে হৈছে কোনো ডিভাইড এণ্ড ৰুল বুলি পলিচি হিচাবে দিয়া হোৱা নাই। গতিকে ইয়াত বিৰোধীতা কৰাৰ কোনো যুক্তি নাই। এতিয়া আমাৰ সমষ্টিৰ পৰা জাপে জাপে দৰ্খাস্ত আহিব ধৰিছে। সকলোৱে আগ্ৰহ প্ৰকাশ কৰিছে

**Voting on Demands for Grants**

এই টেবিল টেনিচ বোৰ্ড লোৱাৰ কাৰণে। আমাৰ মাননীয় ৰেচম বয়ন আদি বিভাগৰ মন্ত্ৰী শ্ৰীনগেন শৰ্মা ডাঙৰীয়াৰ সমষ্টিৰ পৰাও বহু কেইখন দৰ্খাস্ত আহি আছে টেবিল টেনিচ বোৰ্ড লোৱাৰ কাৰণে। এইটো আগ্ৰহৰ লক্ষণ, এইটো এটা ভালৰ কথা। কোনো কোনো স্কুলত পিং পং কিনি আনি শিকিবলৈ লৈছে সেইটোও ভালৰ কথা। ইয়াৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী দেৱক ধন্যবাদ দিছো। এইটো যুক্তিযুক্ত হৈছে যথাৰ্থতে। আৰু এটা কথা শিক্ষা মন্ত্ৰী মহোদয়ক এইখিনিতে অনুৰোধ কৰি ৰাখিলো যে শিক্ষাৰ লগতে খেলা ধূলা ব্যৱস্থা ঠিক মতে নাৰাখিলে লৰা ছোৱালী বিলাকৰ কেৱল মানসিকতাই নহয় শাৰিৰীক সুস্থতাও ঠিক মতে ৰাখিব পৰা নহব। এতিয়া যিটো দেখা গৈছে শাৰিৰীক সুস্থতা নহলে এজাক ৰতাহ বলিলেই কৰ্কালত হাত দি ভাৰসাম্য ৰক্ষা কৰিবলগীয়া ডেকা লৰাৰ ওপৰত আমি দেশৰ ভবিষ্যত কি ভাবে অৰ্পণ কৰিব পাৰি সেই কথাও ভাবি চাবলগীয়া কথা। এই দিশত মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক ভালভাবে চিন্তা চৰ্চা কৰিবলৈ ছাত্ৰ ছাত্ৰী সকলক সৰুৰে পৰা শাৰিৰীক ভাবে সক্ষম কৰি তুলিবলৈ ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ ৰাখিলো। সৰ্ব্বশেষত আকৌ এবাৰ শিক্ষক-ত্ৰী মহোদয়ৰ প্ৰতি শিক্ষাৰ লগতে খেলাধুলা বিষয়ত গুৰুত্ব দি দুৰ্নীতিমুক্ত এটা বিভাগ কৰিবলৈ অনুৰোধ ৰাখি শিক্ষাৰ শিতানত উত্থাপিত দাবী মঞ্জুৰী সমৰ্থন কৰি আৰু ইয়াৰ ওপৰত বিৰোধী পক্ষৰ মাননীয় সদস্য সকলৰ পৰা উত্থাপিত কৰ্তন প্ৰস্তাৱৰ বিৰুধীতা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো। ধন্যবাদ।

শ্ৰীবলোভদ্ৰ তামুলী :

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই যি বাজেট উত্থাপন কৰিছে আৰু মঞ্জুৰীৰ বাবে যি টকা বিচাৰিছে তাক মই পূৰ্ণ সমৰ্থন আগবঢ়াইছো আৰু ইয়াত সন্তুষ্টি প্ৰকাশ কৰিছো। আমাৰ বিৰোধী মাননীয় সদস্য সকলে ইয়াৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাক মই বিৰোধিতা কৰিছো। আমাক শিক্ষাৰ ক্ষেত্ৰত যি ২৬০ কোটিতকৈও

**Voting on Demands for Grants**

অধিক টকা ধাৰ্য্য কৰা হৈছে ইয়াৰে এক বুজন অংশ ধন প্ৰাথমিক শিক্ষাৰ উন্নতিৰ কাৰণে খৰচ কৰা হব। আমাৰ ৰাজ্যৰ এই প্ৰাথমিক শিক্ষাৰ দিশটো আজি ইমান বছৰে অৱহেলিত হৈ আছে। আমাৰ ৰাজ্যখনত প্ৰাথমিক শিক্ষা কিম্বা মাধ্যমিক শিক্ষা বিভাগত আজি যি ধৰণে দুৰ্নীতিৰ শিপা মেলি খাই উঠিছে এই বিষয়ে ভালেকেইজন সদস্যই কৈ গৈছে, মই সেই বিষয়ে পুনৰ ইয়াৰ দোহাৰিব বিচৰা নাই। শিক্ষাৰ ক্ষেত্ৰত আন কেইটামান কথাহে মই কব খুজিছো আৰু ইয়াৰ প্ৰতি মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। বিশেষকৈ স্কুলঘৰ নিৰ্ম্মাণৰ ক্ষেত্ৰত ৪৫ হেজাৰ টকা দিয়াৰ কথা আমাৰ চৰকাৰে কৈছে। এই টকাৰে যাতে ঠিকভাৱে স্কুলঘৰ নিৰ্ম্মাণ কৰা হয় তাৰ কাৰণে চৰকাৰে চকু দিব লাগিব। আগৰ চৰকাৰে এন, আৰ. পি আৰু আৰ, এল, ই, জি, পিৰ যোগেদি যিবোৰ শিক্ষা-নুষ্ঠান সাজি উলিয়াইছিল সেইবোৰ বৰ আসোৱাহপূৰ্ণ হৈছে। আচলতে এই ঘৰ যেনে ধৰণে নিৰ্ম্মাণ কৰিব লাগিছিল তেনে ধৰণে নিৰ্ম্মাণ কৰা হোৱা নাছিল। বেছিভাগ টকাই অপচয় হোৱা আমি দেখিবলৈ পাইছো। মোৰ সমষ্টিত এই ক্ষেত্ৰত এটা দুৰ্নীতি দেখিবলৈ পাইছো একেখন স্কুলতে এবাৰ আৰ, এল, ই, জি, পি, আৰু এন, আৰ, ই, পিৰ শিতানত দুবাৰকৈ টকা আনি খৰচ কৰা হৈছে। আনহাতে সম্পূৰ্ণ দুটা বনোৱা বুলি দেখুৱা হৈছে যদিও বনালে এটাহে। এতিয়াও যদি আমাৰ স্কুলঘৰবোৰ ডি, আৰ, ডি, এ আচনিৰ যোগেদি ব্লকৰ যোগেদি সজাৰ ব্যৱস্থা কৰা হয় তেনেহলে এইটো ভালদৰে চোৱাচিতা কৰিব লাগে। আমাৰ স্কুলৰ কাৰণে বাৰে বাৰে টকা খৰচ কৰা হয় অথচ ঘৰ হৈ নুঠে। আনহাতে আমি প্ৰাথমিক স্কুলবোৰৰ আচ-বাব বোৰলৈও চকু দিয়া ভাল হব। আজি বহুতো স্কুলত বহাৰ সুবিধা নাই, বহুতো স্কুলত ব্লেক বোৰ্ড নাই, মেপ নাই— এইবোৰ বস্তু যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। আনহাতে কিছুমান স্কুলত বিজ্ঞানৰ শিক্ষাৰ বাবে প্ৰয়োজনীয় সা-সজুলী তাত নায়েই। স্কুলঘৰ নিৰ্ম্মাণ কৰাৰ লগে লগে স্কুলখনত প্ৰয়োজনীয় সা-সজুলী ঠিকমতে আছেনে নাই তাৰো হিচাব লৈ

**Voting on Demand for Grants**

সেইবোৰ যোগান ধৰাৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিব বুলি মই আশা ৰাখিছো। মই এই খিনিতে আৰু এটা পৰামৰ্শ আগবঢ়াব খুজিছো সেইটো হৈছে আমাৰ স্কুলবোৰত ব্লেকবোৰ্ড যোগান ধৰাত এক বিৰাট দুৰ্নীতি সোমাই পৰিছে। মই ভাবো আমি যিবোৰ স্কুলঘৰ নতুনকৈ নিৰ্মাণ কৰিবলৈ লওঁ সেইবোৰ স্কুলঘৰৰ বেৰত ৪ টা কোঠাত ৪ খন ওৱাল ব্লেক বোৰ্ড তৈয়াৰ কৰি দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়।

সাধাৰণতে প্ৰাইমাৰী স্কুলবোৰত ৪ টাকৈ শ্ৰেণী থাকে। স্কুলঘৰ নিৰ্মান কৰোতে ৪ টা শ্ৰেণীৰ বাবে ৪ খন "বোকবৰ্ড" স্থায়ী ভাবে বেৰতে কৰি লব পাৰে। এই কথাটো চৰকাৰে চিন্তা কৰিব লাগে। আনহাতে শিক্ষা অনুস্থান বিলাকত শিক্ষাৰ সজুলি ৰখাৰ বাবে বৰ অসুবিধা হয়। গতিকে স্কুলঘৰ নিৰ্ম্মান কৰোতেই স্থায়ী ভাবে একোটাকৈ আলমিৰা বেৰতে বনোৱাৰ ব্যৱস্থা কৰিব লাগে যাতে সা-সজুলি বিলাক ৰাখিব পৰা হয়।

আমাৰ সহকৰ্ম্মী সদস্য পাটোৱাৰী দেৱে শিক্ষকৰ "প্ৰশিক্ষনৰ ব্যৱস্থাটো দোষনীয় বুলি কৈছে। আমি দেখিছো শিক্ষা পদ্ধতি টাৰ সকলো ক্ষেত্ৰতে ফাকি। এইটো হবলৈ আমি কোনো মতে দিব নোৱাৰো। আমি শিক্ষক সকলক ভালদৰে গঢ়ি তুলিব লাগিব বৰ্ত্তমান আমাৰ যিটো শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা আছে সেইটো পৰিবৰ্ত্তন সাধন কৰিব লাগিব। মই নিজেও এজন শিক্ষক আছিলো আৰু এই প্ৰশিক্ষণ মইও লৈছিলো। মোৰ নিজৰ অভিজ্ঞতাৰ পৰা দেখিছো যে যি ধৰণৰ প্ৰশিক্ষণ আমি লওঁ স্কুলৰ পৰিবেশ সম্পূৰ্ণ বেলেগ হোৱাৰ বাবে সেই প্ৰশিক্ষণ কোনো কামত নাহে। গতিকে এই ক্ষেত্ৰত প্ৰশিক্ষণ ব্যৱস্থা সম্পূৰ্ণ বেলেগ কৰিব লাগে যাতে আমি ছাত্ৰ-ছাত্ৰী সকলৰ লগতে নিজেও ভালধৰণেৰে প্ৰশিক্ষণ প্ৰাপ্ত হব পাৰো। আমি পঢ়ি থাকোতে এনে শিক্ষক পাইছিলো যি সকলে ভাল আখৰৰ ছাত্ৰ-ছাত্ৰীৰ হতুৱাই অনেক কাম কৰাই লৈছিল এনেকি 'ক্লব' পৰ্য্যন্ত সজাই লৈছিল। আজি কালি শিক্ষক সকলে নিজেই পৰিশ্ৰম নকৰে। দূৰ্নীতিৰ জৰিয়তে কোনোৰকম চাকৰি এটা যোগাৰ কৰি লয়। বৰ্ত্তমান যিটো শিক্ষা নীতি

**Voting on Demand for Grants**

আমাৰ অসমত আছে এইটোৱেই সচাকৈ বিগত ৩৮ টা বছৰে নানা ধৰণৰ খেলি-মেলি লগাই আহিছে। শিক্ষা পদ্ধতিটো সঘনাই পৰিবৰ্ত্তন হোৱাৰ ফলত বিভিন্ন সমস্যাই জুমুৰি দি উঠিছে। এই শিক্ষা পদ্ধতিটো আমাৰ সমাজৰ লগত খাপ নোখোৱা ধৰণৰ। উদাহৰণ স্বৰূপে যোৱা কেই বছৰ মানৰ আগতে কোঠাৰী কমিচনে আমাৰ শিক্ষা পদ্ধতিত কৰ্ম্ম অভিজ্ঞতাৰ যিটো বিষয় সুমোৱাই দিলে তাৰ পৰা কি লাভালাভ হৈছে সেইটো আমি সকলোৱে উপলব্ধি কৰিছো। এনে ধৰণৰ শিক্ষা নীতি ঘাককৈ সুমুৱাই দিয়াৰ আগতে সেইটো প্ৰকৃততে ছাত্ৰ-ছাত্ৰীৰ উপকাৰত আহেনে নাহে এই বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন। বৰ্ত্তমান যিটো পদ্ধতি চলি আছে এইটো অসমৰ অৰ্থ-নীতি আৰু সমাজ-নীতিৰ লগত খাপ খাইছেনে নাই এইটো সন্দেহ জনক। আমাৰ অসমৰ পাৰিপাৰ্শিকতাৰ লগত খাপখোৱাই শিক্ষা পদ্ধতি উদ্ভাবন কৰিব লাগে। বিদেশী বা ভাৰতৰ অনান্য অঞ্চলৰ এটা শিক্ষ পদ্ধতিৰ পৰা উপকাৰ পাইছে বুলি এই অসমৰ লগত খাপ নোখোৱাকৈ অসমৰ প্ৰযোজ্য কৰিবলৈ বিচাৰিলে সুফল পাব নোৱাৰে। আমাৰ অসমৰ প্ৰাকৃতিক পৰিবেশৰ লগত শিক্ষাৰ সম্পৰ্ক ৰাখিব লাগে। যোৱা কেইবছৰ মানৰ পৰা দেখিছো শিক্ষাৰ বৰ্ষ সঘনাই সলনি হৈ আহিছে। আমাৰ অসমৰ বৰ্ত্তমান যিটো পৰিবেশ ইয়াৰ পৰা দেখা যায় যে আমাৰ সৰহভাগ অঞ্চলতে বান-পানী হয় আৰু প্ৰায়ভাগ স্কুলেই বন্ধ থাকে। তাৰ বাহিৰে পাজৰেথকা স্কুলবোৰটো বানপানীৰ ভগনীয়া ৰাইজ থকাৰ কাৰণে বাৰিষা কালত পঢ়া-শুনাত ব্যাঘাত জন্মে। চাবলৈ গলে বাৰিষা পাৰ হৈ যাওতে যাওতে এইবোৰ স্কুলত শিক্ষা দান প্ৰায় নহয়েই। দিল্লীৰ কোনোৱা এখন স্কুলত কেইজন মান মেধাবি লৰাৰ নাম ভৰ্ত্তিৰ সুবিধা হব বুলিয়েই আমাৰ শিক্ষা বৰ্ষটো আগোৱাই আনিলে নহব। এই ক্ষেত্ৰত এটা উচিত সিদ্ধান্ত লব লাগে যাতে বছৰটোৰ সৰহ ভাগ সময় শিক্ষা দানত ব্যৱহাৰ কৰিব পৰা হয়। বৰ্ত্তমান চৰকাৰে বিনামূলীয়া যি পাঠ্য পুথি আৰু পোচাকৰ কথা কৈছে এইটো সকলো দিশৰ পৰাই আদৰণিয় হৈছে। কিয়নো একেটা শ্ৰেণীৰ

**Voting on Demands for Grants**

সকলো ছাত্ৰই একে ধৰণৰ সাজ-পোচাক পিন্ধি নাহিলে মানসিক ভাবে পাঠ গ্ৰহণ কৰিবলৈ ছাত্ৰ সকল সাজু নাথাকে। কোনোবাই ভাল কাপোৰ পিন্ধিব আৰু কোনোবাই লেতেৰা বা ফটা কাপোৰ পিন্ধিব—এনে ধৰণৰ মনস্তাত্ত্বিক অসুবিধা থাকিলে শিক্ষাত ব্যাঘাট জন্মে। কিন্তু এই খিনিটো এটা অসুবিধা আহি পৰিছে সইটো হৈছে যি বিলাক এম, ই চেকচন হাইস্কুলৰ লগত সোমাই আছে সেই বিলাকৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লব। ওচৰতে থকা এখন এম, ই স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে সাজ-পোচাক পাব আৰু হাইস্কুলত থকাখিনিয়ে নাপাব আৰু 'ভেন্সাৰ' স্কুলৰ ছাত্ৰ-ছাত্ৰীয়েও নাপাব। এনে অৱস্থাত এনে এটা সন্দেহ আহে যে ভেন্সাৰ স্কুলৰ আৰু হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যাব নেকি? এই ক্ষেত্ৰত এই সকল ছাত্ৰ-ছাত্ৰীৰ বাবে সাজপোচাক আৰু পাঠ্য পুথি যোগাৰ ব্যৱস্থাৰ কথা চৰকাৰে কিবা চিন্তা কৰিব পাৰে নেকি, এইটো বিশেষ ভাবে মন কৰিব লগা কথা হৈ পৰিছে।

অধ্যক্ষ মহোদয়, আমাৰ খেলা ধুলাৰ ক্ষেত্ৰত আমাৰ হাইয়াৰ চেকেণ্ডাৰী স্কুল বিলাকত টেবুল টেনিচ আদিৰ খেলাৰ ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা আগবঢ়াব লাগে। চৰকাৰে এইটো চিন্তা কৰা বুলি শুনি ভাল পাইছো। ইয়াৰোপৰি আমাৰ গাৱলীয়া স্কুল বিলাবতো যাতে ফুটবল আৰু ভলিবল আদিৰ দৰে খেলাৰ ব্যৱস্থা আছে তাক আৰু উন্নত কৰাৰ বাবে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা আগবঢ়াব লাগে। বাজেট বক্তৃতা প্ৰসঙ্গত এই বিষয়ে উল্লেখ কৰিছিলো যে, অকল আমাৰ খেলাৰ সামগ্ৰী দিলেই নহব কাৰণ আজিৰ খেলা আগৰ খেলা হৈ থকা নাই। কাৰণ আগৰ বল এটা পথাৰৰ ইফালৰ পৰা সিফালে ভৰিৰে ঠেলি নিলেই বল খেলা হয় কিন্তু আজিৰ খেলাৰ বাবে বহুতো বিজ্ঞান সন্মত ব্যৱস্থা ওলাইছে কচিঁ দিয়াৰ ব্যৱস্থা আছে গতিকে খেলা-ধুলা বিলাকৰ বাবে স্কুল বিলাকত একোজনকৈ শিক্ষক দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু এই শিক্ষক প্ৰশিক্ষণ প্ৰাপ্ত হব লাগে। আমাৰ গাঁৱৰ স্কুল বিলাকত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক নিয়োগ কৰাৰ চিন্তা কৰিব লাগে তেতিয়াহে আমাৰ ইয়াৰ পৰা নতুন নতুন খেলুৱৈ তৈয়াৰ কৰিব পাৰিব। খেলা-ধুলাৰ সম্পৰ্কত বিশেষকৈ

চৰ্ট পুট, জেভেলিন আদিৰ ক্ষেত্ৰত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নিয়োগ কৰিব লাগে। প্ৰশিক্ষণৰ অভাৱত আমি খেলা-ধূলাত বহুতো পিচপৰি আছো। প্ৰতিখন হাইস্কুল আৰু হাইয়াৰ চেকেণ্ডাৰী স্কুলত একোজনকৈ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নিয়োগ কৰিব লাগে। নতুবা খেলা-ধূলাত ধাপ থকা শিক্ষকক ট্ৰেইনিং দি আনিব লাগে। শিক্ষক নিয়োগৰ ক্ষেত্ৰত আমি সাবধানতা অবলম্বন কৰিব লাগিব। উপযুক্ত লোকক শিক্ষক পদত নিয়োগ কৰিব লাগিব। অকল বিধায়ক সকলেই নহয়, নিয়োগ কৰ্ত্তা সকলেও শিক্ষা-পদ্ধতিৰ লগত জড়িত থকা লোকক শিক্ষকক নিয়োগ কৰিব লাগিব। বিৰোধী পক্ষৰ মাননীয় সদস্য এজনে কৈছে যে, মেনেজিং কমিটি আৰু ৰাইজো ইয়াত জড়িত থাকে বুলি এটা পৰামৰ্শ দিছে। তেতিয়া ৰাইজে স্কুল বিলাকত কি ঘটিছে সেই বিষয়ে বুজি পাব। প্ৰয়োজন হলে একোটা ৰিপৰ্ট ইন্সপেক্টৰৰ অফিচলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে আমাৰ শিক্ষা ব্যৱস্থাই সফলতা লাভ কৰিব পাৰিব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

**Shri Mani Lal Gowala :** Hon'ble Speaker, I support the Motion moved and put forward a few of my observations. Sir, if we build a high tower without a proper support, I think it is liable to fall down. But what is that strong and proper supports I think it is a stage of primary education, Sir. But what is a strieter purpose, ? There are many Schools where there are no buildings, no black-boards, no furniture and no teaching aids either. Sir, until and unless there is School building, furniture and minimum teaching aids. I think, Sir, teaching cannot be imparted by any expert teachers without proper arrangements. I say this from my own experien e. Mr. Speaker, Sir, there are many Schools where there is single teacher. when the teacher goes on casual leave, as a human being he is a man of flesh and blood, on his own accord or on illness, in that case teaching suffers. My humble submission, Mr. Speaker, Sir, would

**Voting on Demands for Grants**

be to appoint at least another teacher, at least two teachers in one L.P. School.

It is a welcome gesture, of the Govt. that free uniform and text books are going to be given. So fer as free text books is concerned, it is very good, but giving uniform free, I think there may crop] up some sort of corruption, perhaps. So, to do away with these things, I think, Sir, a reasonable amount of each money may be given for the purpose of the uniforms should be given through School Co-operative Societies. Sir, now a -days, a number of Schools have grown up and keeping pace with them there are a very small number of Inspectors and that is the reason. Sir, why that causes irregular inspection. The standard of education in also falling down. For standardisation of education Sir, I thlnk more SIS in L. P. Schools should be appointed. Moreover, Inspectors are also as before and they are not equiped with Sir, vehicles or all that are necessary. While criticising them, we should have all this in mind. At least they should be provided with vehicles and all other things as they require. Sir. so many L. p. schools have already grown up. Many of them have already been taken up and some more of them are yet to be taken up. My suggestion would be that all these schools thus opened should be taken up and no further institutions should be allowed to grow up except in certain cases where it is urgently necessary or everywhere there will be anomaly and chros. In this connection, Sir, I would like to call upon the policy of Lord Curzon for control and aim in the matter of education, He said some hundred years ago. We feel today in 1986.

---

**Calling Attention**

**Shri Abdul Muqtadir Choudhury :** Sir, I beg to call the attention of the Minister, Industries under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Assam Tribune' dated 10th March, 1986 under the capition "35 Tea Estates in Borak Valley closed down."

শ্ৰীদিগেন চন্দ্ৰ বৰা :

মাননীয় অধ্যক্ষ মহোদয়, বৰাক উপত্যকাত মুঠ ১০৩ খন চাহ বাগিচা আছে। এই বাগিচা সমূহৰ ভিতৰত বহুতো বাগিচা ৰুগীয়া। আৰ্থিক সংকটৰ সন্মুখীনহৈ কোনো কোনো বাগিচা সময়ে সময়ে বন্ধ হয়। বিভাগীয় হস্তক্ষেপ আৰু ব্যৱস্থাৰ ফলস্বৰূপে এই বাগিচা সমূহ অতি কষ্টেৰে চলি থাকে। বৰ্ত্তমান বৰাক উপত্যকাত ৫ খন বাগিচাহে বন্ধ হৈ আছে।

১। চিংলিচাৰা বাগিচা ১৯৮৪ চনৰ জানুৱাৰী মাহৰ পৰা বন্ধ।

২। খৰিকা চাহ বাগিচা ১৯৮৫ চনৰ অক্টোবৰ মাহৰ পৰা বন্ধ।

৩। চিনকুৰি বাগিচা ১৯৮৫ চনৰ আগষ্টৰ ২য় সপ্তাহৰ পৰা অস্থায়ী ভাবে বন্ধ।

৪। অমৰ নাথ চাহ বাগিচা ১৯৮৫ চনৰ ২৫ ডিচেম্বৰৰ পৰা মাৰ্চ্চ মাহৰ প্ৰথম সপ্তাহলৈ বন্ধ।

৫। চাৰগুলা চাহ বাগিচা ১৯৮৪ চনৰ জানুৱাৰী মাহৰ পৰা বন্ধ আছে।

বাতৰিত উল্লেখিত নীলাম বজাৰত বিক্ৰী কৰিবলগীয়া চাহ আৰু স্থানীয় ভাবে বিক্ৰী কৰিবলগীয়া চাহৰ শতকৰা হাৰ নীলাম বজাৰত ৭৫ শতাংশ কেন্দ্ৰীয় দপ্তৰৰ পৰা স্থিৰ কৰে আৰু স্থানীয় ভাৱে ২৫ শতাংশহে বিক্ৰী কৰিব পাৰে। এই বিক্ৰীৰ পৰিমান অকল কাছাৰৰ ক্ষেত্ৰতে নহয় সৰ্ব্বভাৰতীয় ভিত্তিত প্ৰযোজ্য। এনে ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ হস্তক্ষেপৰ কোনো অধিকাৰ নাই। ১৯৮৩ আৰু ১৯৮৪ চনত চাহৰ মূল্য নীলাম বজাৰত অতি উচ্চ আছিল। অথচ উক্ত বাগিচা সমূহ সু-পৰিচালনাৰ অভাৱত আৰু ৰুগ্ন অৱস্থাত থকাত কোনো উন্নতি সাধন কৰিব নোৱাৰিলে।

**Matter Under Rule 301**

**কাৰ্য্যসূচী নং—৪**

শ্ৰীআব্দুল জলিল:

মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য-পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত "মৰাপাটৰ মূল্য হ্ৰাস আৰু তাৰ প্ৰতিকাৰ" সম্পৰ্কে বিষয় এটি উত্থাপন কৰি কৃষি মন্ত্ৰীৰ মনোযোগ অকৰ্ষণ কৰিলো। অধ্যক্ষ মহোদয়, অসমত যথেষ্ট পৰিমাণে মৰাপাট উৎপাদন হয় আৰু অসমৰ প্ৰায়ভাগ খেতিয়কেই মৰাপাটৰ খেতিকেই জীৱিকা নিৰ্ব্বাহ হিচাপে গ্ৰহণ কৰিছে। এই কেই বছৰ মৰাপাটৰ মূল্য কম হোৱাৰ কাৰণে খেতিয়ক সকল লাভৱান হোৱাৰ পৰিবৰ্ত্তে গুৰুত্বপূৰ্ণভাৱে ক্ষতিগ্ৰস্তহে হবলগীয়া হৈছে। নিৰ্দ্ধাৰিত কৰি দিয়া নিম্নতম মূল্যখিনিও খেতিয়কে পোৱা নাই। লগতে নিৰ্দ্ধাৰিত কৰি দিয়া দামতও জে,চি, আইৰ ওচৰত মৰাপাট বিক্ৰী কৰিব পৰা নাযায়। জে, চি, আইয়ে কয় আমি যিমানখিনি পাৰ্চেজ কৰিব পাৰো সিমানখিনিহে লব পাৰিম। জে, চি, আইয়ে মাত্ৰ শতকৰা ২৫ ভাগহে পাৰ্চেজ কৰিব পাৰে। বাকী যিখিনি মৰাপাট থাকে সেইখিনি কম মূল্যত বিক্ৰি কৰিবলগীয়া হয়। আগতে মৰাপাটৰ দাম কুইণ্টেলে প্ৰতি ১ হাজাৰ টকালৈকে উঠিছিল অৰ্থাৎ মোনে ৪০০ টকা আছিল। কিন্তু এতিয়া কুইণ্টেলে প্ৰতি মাত্ৰ ২২৫ টকাহে দাম পোৱা যায়। অৰ্থাৎ জে, চি, আইয়ে মোনে প্ৰতি ৯০ টকা ৮৫ টকা দৰত মৰাপাট সংগ্ৰহ কৰে। কিন্তু বজাৰত বিক্ৰি কৰিবলৈ গলে ব্যক্তিগত ব্যৱসায়ীৰ ওচৰত মোনে প্ৰতি ৫০ | ৬০ টকা দামতহে বিক্ৰী কৰিবলগীয়াত পৰে। কিন্তু মৰাপাটৰ খেতি যেতিয়া আৰম্ভ হয় তেতিয়া মৰাপাটৰ দাম ৩০ | ৩৫ টকালৈকে হোৱা দেখা যায়। মৰাপাট উৎপাদন কৰোতে যিখিনি খৰচ হয় বিক্ৰী কৰাৰ পাচত সেই খৰচ খিনিও পোৱা নাযায়। কুইণ্টেলে প্ৰতি ৫০০ | ৬০০ টকাকৈ বিক্ৰী কৰিলেও লোকচানহে হোৱা দেখা যায়। আমি আজি সদনত কৃষি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যাতে মৰাপাটৰ মূল্য কুইণ্টেলে প্ৰতি ১ হাজাৰ টকা কৰাৰ ব্যৱস্থা কৰে আৰু এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগতো যোগাযোগ কৰিব বুলি আশা ৰাখিলো।

**Matter Under Rule 301**

শ্ৰীনীলমণি দাস :—

অধ্যক্ষ মহোদয়, অসমত প্ৰতিৰছৰে গড়ে প্ৰায় ৮'৫ লাখ বেল (প্ৰতি বেলৰ ওজন ১৮০ কেজি) মৰাপাট উৎপন্ন হয়। ১৯৮৪ ৮৫ চনত উৎপাদিত ৮'২৭ লাখ বেলৰ বিপৰীতে ১৯৮৫-৮৬ চনত প্ৰায় ৯'১৭ লাখ বেল মৰাপাট উংপন্ন হোৱা দেখা যায়। ১৯৮৪-৮৫ চনত ভাৰতৰ সকলো ৰাজ্যতে মৰাপাটৰ উংপাদন অতিমাত্ৰা হ্ৰাস হোৱা হেতুকে ব্যৱসায়ী আৰু মিলৰ মালিক সকলে প্ৰতিযোগীতা মূলক দামত মৰাপাট কিনিবলৈ লয় আৰু ঠাই বিশেষে প্ৰতি কুইন্টেলত ১০০০'০০ টকা পৰ্য্যন্ত দাম হোৱা দেখা গৈছিল। ১৯৮৪-৮৫ বছৰটোত মৰাপাটৰ বজাৰ মূল্য নিম্নতম সমৰ্থিত মূল্যতকৈ সকলো সময়তে অধিক আছিল আৰু সেয়ে কোনো সময়তে নিম্নতম ক্ৰয়মূল্য প্ৰয়োগ কৰিব লগা হোৱা নাছিল। সেই বছৰত মৰাপাটৰ মূল্য উৰ্দ্ধগামী হোৱা হেতুকে পিচৰ ১৯৮৫-৮৬ চনত খেতিয়ক সকলে অধিক মাটিত মৰাপাটৰ খেতি কৰিবলৈ লয় আৰু অতিৰিক্ত ভাৱে অনুমানিক ১'১৮ লাখ হেক্টৰ মাটিত মৰাপাট খেতি কৰা হয়। সেই অনুপাতে মুঠ উৎপন্নও প্ৰায় ৯'১৭ বেল, অৰ্থাৎ ১৯৮৪-৮৫ চনতকৈ প্ৰায় ০৯০ লাখ বেল অধিক হয়। ১৯৮৫-৮৬ চনত উৎপাদন বৃদ্ধি হোৱা হেতুকে আৰু আনহাতে আন্তৰ্জাতিক বজাৰৰ মৰাপাটৰ চাহিদা ক্ৰমাৎ কমি অহা হেতুকে ব্যক্তিগত ব্যৱসায়ী সকলে মৰাপাটৰ মূল্য নিয়ন্ত্ৰণ কৰে আৰু হ্ৰাস কৰে। সেয়ে ১৯৮৫ চনৰ আগষ্ট মাহৰ পৰা মৰাপাটৰ মূল্য ক্ৰমাৎ কমি আহে। সেই বছৰৰ মাৰ্চ মাহত মৰাপাটৰ সৰ্ব্বোচ মূল্য প্ৰতি কুইন্টেলত ১০০০'০০ টকা হৈছিল কিন্তু বজাৰৰ নতুন মৰাপাট ওলোৱাৰ লগে লগে মূল্য ক্ৰমাৎ কমি যায় আৰু অক্টোবৰ মাহত প্ৰতি কুইন্টেলত সৰ্ব্বনিম্ন মূল্য ১৩৫.০০ টকাও হোৱা দেখা যায়। সদনৰ মজিয়াত দাখিল কৰা টোকাৰ প্ৰথম তালিকাত জিলা ভিত্তিক বজাৰ দৰৰ তুলনামূলক আভাষ দিয়া হৈছে।

অসমত উৎপাদিত মৰাপাটৰ সৰ্ব্বমুঠ উৎপাদনৰ ক্ষেত্ৰত ভাৰতীয় মৰাপাট নিগম আৰু সহযোগী ষ্টেট্‌ফেডে আংশিক ভাৱেহে ক্ৰয় কৰে আৰু এই প্ৰতিষ্ঠান সমূহৰ মুঠ ক্ৰয়ৰ পৰিমান কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট

**Matter Under Rule 301**

মন্ত্ৰণালয়ৰ লগত আলোচনাক্ৰমে ভাৰতীয় মৰাপাট নিগমে নিৰ্ণয় কৰি দিয়ে। ১৯৮৫-৮৬ চনৰ;

অনুমানিক মুঠ উৎপাদন ৯.১৭ লাখ বেলৰ বিপৰীতে এই প্ৰতিষ্ঠান সমূহে ১৯৮৬ চনৰ জানুৱাৰী মাহলৈকে প্ৰায় ২.৭২ লাখ বেল, অৰ্থাৎ প্ৰায় ২৯.৭২ শতাংশ মৰাপাটহে ক্ৰয় কৰে।

বিগত ষষ্ঠ পৰিকল্পনাৰ সময়চোৱা আৰু ১৯৮৫-৮৬ চনৰ মৰাপাটৰ ক্ৰয়ৰ ধাৰা পৰ্য্যালোচনা কৰি দেখা যায় যে অসমত ভাৰতীয় মৰাপাট নিগম আৰু ষ্টেটফেডে যুটীয়াভাৱে মুঠ উৎপাদনৰ প্ৰায় ২০ শতাংশ মৰাপাটহে ক্ৰয় কৰে আৰু অৱশিষ্ট ৮০ শতাংশ মৰাপাট ব্যক্তিগত ব্যৱসায়ী আৰু ক্ৰেবিয়া সকলৰ হাতলৈ যায়। এনে পৰিস্থিতিত ব্যৱসায়ীসকলে মৰাপাটৰ বজাৰ আৰু মূল্য নিয়ন্ত্ৰণৰ পোনপটীয়া সুবিধা গ্ৰহন কৰে আৰু খেতিয়কে উচিত মূল্য পোৱাৰ পৰা বঞ্চিত হয়।

কেন্দ্ৰীয় চৰকাৰৰ হৈ কৃষি মূল্য নিৰ্ণয় আয়োগে (Agril Prices Commission) মৰাপাটৰ সৰ্ব্বনিম্ন সমৰ্থিত ক্ৰয় মূল্য নিৰ্ণয় কৰে। আয়োগে অসমৰ মৰাপাটৰ কাৰণে নিৰ্ণয় কৰা সৰ্ব্বনিম্ন সমৰ্থিত মূল্য অসম চৰকাৰৰ মনঃপুত হোৱা নাই। যোৱা বছৰত অসমত প্ৰতি কুইণ্টল মৰাপাটৰ উৎ-পাদন ব্যয় আছিল ২৮৫.০০ টকা। অসম চৰকাৰে আয়োগক মৰাপাটৰ প্ৰতি কুইন্টলৰ সমৰ্থিত মূল্য ৩৪০.০০ টকা কৰিবলৈ পৰামৰ্শ দিছিল। কিন্তু আয়োগে ২১৫.০০ টকা দৰহে ধাৰ্য্য কৰে। অহা বছৰৰ বাবে উৎপাদিত ব্যয় প্ৰতি কুইন্টলত ৩০৮.০০ টকা হিচাব কৰি সমৰ্থিত মূল্য প্ৰতি কুইন্টলত ৩৫০.০০ টকা কৰিবলৈ আয়োগক পৰামৰ্শ দিয়া হৈছে কিন্তু অহা বছৰৰ বাবে এতিয়ালৈকে আয়োগৰ দ্বাৰা মূল্য ঘোষিত হোৱা নাই।

অন্যান্য আসোৱাহ পৰ্য্যালোচনা কৰি দেখা গৈছে যে কি কোনো বছৰৰ নিম্নতম সমৰ্থিত মূল্য আয়োগৰ দ্বাৰা শাওন-ভাদ মাহত ঘোষিত হয়। এই ঘোষণা আগুৱাই আনিলে (ফাগুন-চত মাহ) অৰ্থাৎ মৰাপাটৰ গুটি সিঁচা

**Matter Under Rule 301**

সময়তে হলে খেতিয়ক সকলে খেতি কৰিবলৈ প্ৰেৰণা পাব আৰু দাম সম্পৰ্কে জ্ঞাত থাকিব।

ইয়াৰোপৰি প্ৰতি খেতিয়কে ৫ কিলো মিটাৰ দূৰত্বৰ ভিতৰতে মৰাপাট বিক্ৰি কৰিবলৈ সমৰ্থ হ'ব পৰাকৈ একোটি ক্ৰয়কেন্দ্ৰ নাইবা উপকেন্দ্ৰ স্থাপন কৰি বৰ্ত্তমানৰ ৪১ টা কেন্দ্ৰৰ ঠাইত আৰু অধিক কেন্দ্ৰ খোলাৰ বিষয়েও ভাৰতীয় মৰাপাট নিগমৰ পৰামৰ্শ দিয়া উদ্দেশ্যে জৰীপ কাৰ্য্য হাতত হাতত লোৱা হৈছে।

ভাৰতীয় মৰাপাট নিগম আৰু ষ্টেট্ ফেডৰ অসমত মৰাপাট সংগ্ৰহ কৰা সময়ৰ ক্ষেত্ৰত কোনো নিৰ্দ্ধাৰিত সময় সীমা নাই। তেওঁলোকে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সংগ্ৰহ লক্ষ্যত উপনীত হোৱাৰ লগে লগে সংগ্ৰহ কাৰ্য্য স্থগিত কৰে। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আৰু নীতি নিৰ্দ্ধাৰণৰ বাবে পৰামৰ্শ আৰু প্ৰস্তাৱ কৰিবলৈ মনোনিবেশ কৰিছে যাতে প্ৰতি বছৰে আহাৰ মাহৰ পৰা মাঘ মাহলৈকে সংগ্ৰহ ব্যৱস্থা অব্যাহত ৰাখিব পৰা যায়।

এই সমস্যা সমূহ ভাৰতীয় মৰাপাট নিগমৰ প্ৰতিনিধিৰ লগত উচ্চ পৰ্য্যায়ত আলোচনা কৰি প্ৰতিকাৰৰ ব্যৱস্থা লবলৈ অহা এপ্ৰিল মাহৰ শেষৰ ফালে গুৱাহাটীত বৈঠক আহ্বান কৰাৰ সিদ্ধান্ত ও ইতিমধ্যে লোৱা হৈছে।

## ADJOURNMENT

20.3.86 BRG GG/1.

Mr. Speaker : The House stands adjourned till 9 A. M. tomorrow the 21st March, 1986

The House then rose and stood adjourned till 9 A. M. on Friday, the 21st March, 1989.

**Dr. P. N. Hazarika**
Secretary,
Assam Legislative Assembly.

Dispur,
The 20th March, 1986.

---